www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

গ্ৰন্থই জীৱনৰ জ্ঞান দিয়ে। কিন্তু সমস্যাটো হ'ল গ্ৰন্থই অন্য এনে মানুহৰ জীৱন কথা কয় যি কথা তোমাৰ নিজৰ নহয়। - জুলিয়ান বাৰ্নেছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১৭৬ ❐ দেওবাৰ ❐ ২৬ এপ্ৰিল, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 176 ❐ Sunday ❐ 26th April, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

'প্ৰথম পৰ্যায়তেই বিজেপিয়ে ১১০খন আসন লাভ কৰিছে'

## অসমত চেঞ্চুৰী, পশ্চিমবংগত ডাবল চেঞ্চুৰী মাৰিব বিজেপিয়ে



নেশ্যনেল ডস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ শেষ হোৱাৰ পাছতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জোৰদাৰ ভৱিষ্যদ্বাণী কৰিছে। তেওঁ কয় যে প্ৰথম পৰ্যায়তেই ভাৰতীয় জনতা পাৰ্টিয়ে (বিজেপি) ১১০খন আসন লাভ কৰিছে। অসমত দলটোৱে ১০০খন আসন অতিক্ৰম কৰিব, আনহাতে পশ্চিমবংগত ২০০খন আসন পাবলৈ সক্ষম হ'ব। শনিবাৰে কলকাতাত এক সংবাদমেল কৰি অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয়, "প্ৰথম পৰ্যায়ৰ ❐ ৬ পৃষ্ঠাত

## দুদিনীয়া আৰক্ষীৰ জিম্মা শেষ; পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ অমৃতপাল সিঙক

### কাৰাগাৰত অনুমোদিত ইলেক্ট্ৰনিক যন্ত্ৰ উদ্ধাৰৰ গোচৰত ৯ সহযোগীৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙত শুনানি



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** 'ৱাৰিছ পঞ্জাৱ দে'ৰ মুৰব্বী তথা খড়ুৰ চাহিবৰ সাংসদ অমৃতপাল সিঙক দুদিনীয়া আৰক্ষী জিম্মাৰ অন্তত আজি পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। ডিব্ৰুগড় আৰক্ষী থানাত জেৰা সমাপ্ত হোৱাৰ পিছত ২৫ এপ্ৰিলত তেওঁক উচ্চ নিৰাপত্তাৰ মাজেৰে জেললৈ লৈ যোৱা হয়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এনএছএ)ৰ অধীনত থকা অমৃতপাল সিঙৰ আটকৰ ম্যাদ ওকালৰ পিছত পঞ্জাৱ আৰক্ষীয়ে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰিছিল। শুকুৰবাৰে তেওঁক ভিডিঅ' ❐ ৬ পৃষ্ঠাত

### আহত ১১ গৰাকী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শোক প্ৰকাশ

### নোৱাখাটত ট্ৰেভেলাৰ-ট্ৰেইলাৰৰ মুখামুখি সংঘৰ্ষ; প্ৰতিভাৱান যুৱতী থিতাতে নিহত



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** ব'হাগৰ বিহুৰ আনন্দ উৎসৱৰ মাজতে সংঘটিত হৈছে এক শোকাৱহ পথ দুৰ্ঘটনা। তামোলপুৰ-নাগ্ৰীজুলী পথৰ নোৱাখাটত শুকুৰবাৰে নিশা এখন ট্ৰেভেলাৰ আৰু এখন দ্ৰুতবেগী ট্ৰেইলাৰৰ ❐ ৬ পৃষ্ঠাত

■ 'ডুব যাবলৈ ধৰা নাৱত কোনেও নুঠে'; নীতিন নবীনৰ কটাক্ষ ■

# আপ এৰিলে ৰাজ্যসভাৰ সাতজন সাংসদে

### ৰাঘৱ চাদ্দাসহ তিনিজন সাংসদৰ বিজেপিত যোগদান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** ৰাজ্যসভাত আম আদমী পাৰ্টি (আপ)ৰ সাংসদসকলৰ ভিতৰত ডাঙৰ বিদ্ৰোহ দেখা গৈছে। দলটোৰ মুঠ ১০ গৰাকী সাংসদৰ ভিতৰত ৭ গৰাকীয়ে সামূহিকভাৱে দল ত্যাগ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। এই দলত্যাগী সাংসদসকলৰ ভিতৰত তিনিগৰাকীয়ে ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত যোগদান কৰাৰ কথা জানিবলৈ দিছে। এই পৰিস্থিতিত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন এক গুৰুত্বপূৰ্ণ বিবৃতি প্ৰকাশ কৰি আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলাইছে। শনিবাৰে দলীয় সূত্ৰই জাৰি কৰা এক বিবৃতিত নীতিন নবীনে কয়, "যিজন নেতাৰ প্ৰতি এতিয়া কাৰো আকৰ্ষণ নাই, যিজন নেতাৰ দুৰ্নীতিয়ে ❐ ৬ পৃষ্ঠাত



### উচ্চতম ন্যায়ালয়লৈ যাওক কংগ্ৰেছ, আমাৰ কোনো আপত্তি নাই ঃ হিমন্ত বিশ্ব শৰ্মা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** কংগ্ৰেছ দলে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰটো লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প্ৰসংগত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্টভাৱে কয় যে তেওঁলোকৰ ❐ ৬ পৃষ্ঠাত

আদা, নহৰু, জিৰা, মেথি, ৰঙা-ক'লা জলকীয়া, ধনীয়া; প্ৰতিটোৱে খাদ্য সুস্বাদু কৰে

## সাতটা মছলাৰ সৈতে দলত্যাগী আপৰ সাংসদক তুলনা ভগৱন্ত মানৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** আম আদমী পাৰ্টি (আপ)ৰ ভিতৰত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাই এতিয়া এক বৃহৎ ধুমুহাৰ সৃষ্টি কৰিছে। ৰাঘৱ চাদ্দাকে ধৰি তিনিজন ৰাজ্যসভাৰ সাংসদে দল ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ পিছতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে এটা কটাক্ষপূৰ্ণ পোষ্ট শ্বেয়াৰ কৰি দলত্যাগী নেতাসকলক '৭টা মছলা'ৰ সৈতে তুলনা কৰিছে। শনিবাৰে ৰাতি ভগৱন্ত মানে নিজৰ ছ'চিয়েল মিডিয়া একাউণ্টত লিখিছে, "আদা, ❐ ৬ পৃষ্ঠাত

### আইপিএল মেচত ভয়ংকৰ দুৰ্ঘটনা; মূৰত প্ৰচণ্ড আঘাত লুঙ্গি এনগিডিৰ

### ১৫ মিনিটলৈ বন্ধ খেল; ষ্টেডিয়ামত নিস্তব্ধতা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** আইপিএলৰ আজিৰ খেলখনত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। শনিবাৰে নতুন দিল্লীৰ অৰুণ জেটলী ❐ ৬ পৃষ্ঠাত

পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰৰ মাজতে এএনআইৰ সাক্ষাৎকাৰত দাবী

## ডিটেনচন কেম্পত বঙালী হিন্দু থাকিলে মই আজিয়েই পদত্যাগ কৰিম ঃ ড° হিমন্ত বিশ্ব শৰ্মা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ চলোৱাৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক চৰম দাবী উত্থাপন কৰিছে। তেওঁ কয় যে অসমৰ ডিটেনচন কেম্পত কোনো বঙালী হিন্দু নাই; যদি ক'ৰবাত এজনো থাকে, তেন্তে তেওঁ আজিয়েই মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিবলৈ সাজু। লগতে তেওঁ নাগৰিকত্ব সংশোধনী আইন (CAA)ক ❐ ৬ পৃষ্ঠাত

নিশামণি হালৈৰ কৰুণ মৃত্যুৰ পাছতে কঠোৰ পদক্ষেপ

## নিশা ১২ বজাৰ আগতেই সামৰক বিহুৰ অনুষ্ঠান; বিহু সমিতিসমূহলৈ জৰুৰী আহ্বান বিহু সুৰক্ষা সমিতিৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** ৰাজ্যত বিহুৰ আনন্দমুখৰ পৰিবেশত যেতিয়া নৃত্য-গীতৰ ধুম, তেতিয়াই শোকৰ ছাঁ পেলালে নিশামণি হালৈ নামৰ এগৰাকী প্ৰতিভাশালী বিহু নাচনীৰ অকাল মৃত্যুৱে। তামোলপুৰ জিলাত বিহু অনুষ্ঠানলৈ যোৱা বাহনখন দুৰ্ঘটনাগ্ৰস্ত হৈ নিশামণি হালৈৰ মৃত্যু হয়। এই কৰুণ ঘটনাৰ পাছতে বিহু সুৰক্ষা সমিতিয়ে জৰুৰী আহ্বান জনাইছে যে ৰাজ্যৰ সকলো বিহু ❐ ৬ পৃষ্ঠাত

■ মুখ্য সচিবৰ বৈঠকত বিশেষ নিৰ্দেশনা; সম্ভাৱনীয় বানপানীৰ প্ৰস্তুতি ■

## গুৱাহাটীত দুদিন প্ৰবল বৰষুণৰ সতৰ্কতা




### নলা-নৰ্দমা পৰিষ্কাৰ, ভূমিস্খলন প্ৰৱণ অঞ্চলত নিৰীক্ষণ, জনসাধাৰণৰ সুৰক্ষাত গুৰুত্ব

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৫ এপ্ৰিল ঃ** দেওবাৰ আৰু সোমবাৰে ৰাজধানী গুৱাহাটী মহানগৰীত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই প্ৰাকৃতিক পৰিস্থিতিৰ সন্মুখীন হ'বলৈ ৰাজ্য প্ৰশাসনে আগ্ৰহী হৈ উঠিছে। ❐ ৬ পৃষ্ঠাত



গৃহমন্ত্ৰীৰ এনে ভাষা গ্ৰহণযোগ্য নহয় বুলি কটাক্ষ

## অমিত শ্বাহৰ 'উল্টো কৰি ওলোমাই দিয়া' মন্তব্যৰ বিৰুদ্ধে গোচৰৰ হুংকাৰ মমতা বেনাৰ্জীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ এপ্ৰিল ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ মাত্ৰ কেইদিনমান বাকী থাকোঁতেই ৰাজনৈতিক উত্তাপ চৰম সীমাত উপনীত হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে দিয়া এক 'হিংসাত্মক' মন্তব্যৰ বাবে তেওঁৰ বিৰুদ্ধে আইনী ❐ ৬ পৃষ্ঠাত

## ভোটগণনাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি নিৰ্বাচন আয়োগৰ

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৫ এপ্ৰিল ঃ** অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ নিৰ্বাচন আয়োগে ❐ ৬ পৃষ্ঠাত

অস্থায়ী নিয়োগৰ ধাৰণা বিলুপ্ত কৰাৰ পূৰ্বে চৰকাৰে স্থায়ী পদ সৃষ্টি কৰক

## ঠিকাভিত্তিক নিয়োগ বাতিল কৰা সিদ্ধান্তৰ বিৰোধিতা আছুৰ

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৫ এপ্ৰিল ঃ** অসমৰ চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহত ঠিকাভিত্তিক ❐ ৬ পৃষ্ঠাত






■ অবৈধ গৰু সৰবৰাহৰ কৰিড'ৰলৈ পৰ্যবসিত ড° ভূপেন হাজৰিকা সেতু ■

# শদিয়া আৰক্ষীৰ নাকৰ তলেৰেই প্ৰতিদিনে সৰবৰাহ হৈ আহিছে চোৰাং গৰু

## আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকালৈ সন্দেহৰ আঙুলি



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ শদিয়া আৰক্ষীৰ নাকৰ তলেৰেই প্ৰতিদিনে সৰবৰাহ হৈ আহিছে চোৰাং গৰু। এই চোৰাং গৰু ছিণ্ডিকেটৰ সৈতে জড়িত হৈ আছে জিলাখনৰ এটা অতি কুখ্যাত চক্ৰ। নিশা আন্ধাৰৰ সুযোগ লৈ প্ৰতিদিনে শদিয়াৰ পৰা ধলা, তালাপ, ডুমডুমা হৈ তিনিচুকীয়া, ডিব্ৰুগড় জিলাই দি নগাঁৱলৈ সৰবৰাহ হৈ আছে শ শ চোৰাং গৰু। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ ল'ৱাৰ দিবাং ভেলী জিলাৰ ৰয়িঙৰ পৰা প্ৰথমে শদিয়াৰ সদৰ চপাখোৱাৰ সমীপৱৰ্তী শান্তিপুৰ গেটেয়েদি চপাখোৱা হৈ ড° ভূপেন হাজৰিকা সেতুয়েদি তিনিচুকীয়া-ডিব্ৰুগড় জিলালৈ প্ৰতিদিনে সৰবৰাহ হৈ আহিছে শ শ চোৰাং গৰু। উল্লেখ্য যে, শদিয়াৰ সদৰ চপাখোৱাৰ মাজমজিয়াত অৱস্থিত শদিয়া জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পৰা প্ৰায় ৭০০ মিটাৰ দূৰৰ এখন খেলপথাৰত কালি সন্ধিয়া প্ৰায় ৮ বজাত অবৈধ তথা চোৰাংভাৱে সৰবৰাহ কৰা কুৰিটাকৈ গৰু গোপনে উঠোৱা-নামোৱা কৰি থকা ঘটনা পোহৰলৈ আহে। প্ৰাপ্ত তথ্য অনুসৰি, এ এছ ০১ টি চি ৮৩০৪ নম্বৰৰ এখন ট্ৰাকত নগাঁও অভিমুখে পঠিওৱা দৃশ্য স্থানীয় একাংশ সাংবাদিকৰ কেমেৰাত বন্দী হয়। জানিব পৰা মতে, এই গৰুসমূহ ৰয়িঙৰ পৰা শদিয়া হৈ নগাঁৱলৈ প্ৰেৰণৰ বাবে যো-জা চলাওতে স্থানীয় কেইজনমান সাংবাদিকে হাতে-লুটে ধৰা পেলায়। সেই সময়ত ঘটনাস্থলীত উপস্থিত হোৱা প্ৰায় ২-৩ জনীয়া সাংবাদিকৰ দলটোৱে কাৰ নিৰ্দেশত আৰু কোন স্থানলৈ উক্ত চোৰাং গৰুসমূহ সৰবৰাহ কৰিছে বুলি প্ৰশ্ন কৰাত চপাখোৱাৰ গগৈ উপাধিৰ এজন স্থানীয় ব্যক্তিৰ নাম উল্লেখ কৰে গৰু সৰবৰাহ কৰা প্ৰায় ৯-১০ জনীয়া দলটোৱে। দলটোৱে উক্ত গগৈ উপাধিৰ ব্যক্তিজনৰ নিৰ্দেশতে চক্ৰটোৱে এনেদৰে গৰুসমূহ নগাঁও জিলালৈ প্ৰেৰণ কৰিবলৈ লৈছে সৈতে বুলি বিস্ফোৰক স্বীকাৰোক্তি দিয়ে। এতিয়া প্ৰশ্ন হৈছে— শদিয়া আৰক্ষীয়ে সকলো দেখি নেদেখা ভাও ধৰি আছে নে? নে শদিয়া আৰক্ষীয়ে সঁচাকৈয়ে এই বিষয়ে অজ্ঞাত? আৰক্ষী এই সন্দৰ্ভত ক'ৰবাত নিজ দায়িত্ব পালনত চূড়ান্ত গাফিলতি কৰিছে নেকি? উক্ত ঘটনাটোৱে সমগ্ৰ শদিয়া অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। লগতে আৰক্ষী-প্ৰশাসনৰ আইন-শৃংখলা ব্যৱস্থাক লৈও সন্দেহ উত্থাপন হৈছে। যি সময়ত ৰাজ্য চৰকাৰে গৰু সৰবৰাহৰ ক্ষেত্ৰত এক কঠোৰ স্থিতি গ্ৰহণ কৰিছে, সেই সময়তে শদিয়াৰ দৰে সীমামূৰীয়া অঞ্চলৰ পৰা এনেদৰে প্ৰতিদিনে শদিয়া আৰক্ষী-প্ৰশাসনৰ নাকৰ তলেৰেই নিশা আন্ধাৰৰ সুযোগ লৈ এটা কুখ্যাত চক্ৰই কাৰ সাহসত অবৈধভাৱে চোৰাং গৰু সৰবৰাহ কৰি আহিছে তাক লৈও এক ডাঙৰ প্ৰশ্নৰ অৱতাৰণা হৈছে। এইক্ষেত্ৰত শদিয়া আৰক্ষীৰ লগতে শদিয়া সমজিলা তথা শদিয়া আৰক্ষী জিলাৰ বৰমূৰীয়া সকলৰ নিৰ্লিপ্ত ভূমিকাক লৈ শদিয়াৰ সচেতন মহলে প্ৰশ্ন কৰিছে। এইক্ষেত্ৰত কেতিয়াকৈ আৰক্ষীয়ে তৎপৰতা দেখুওৱাব বুলিও প্ৰশ্ন কৰা পৰিলক্ষিত হৈছে। গুৰুত্বপূৰ্ণ কথা এয়ে যে সাংবাদিকৰ দলটোৱে ঘটনাস্থলীৰ পৰা চপাখোৱা আৰক্ষীক কেইবাবাৰো ফোন কৰিও সঁহাৰি নোপোৱাত অৱশেষত ঘটনাস্থলী এৰিবলৈ বাধ্য হ'য়। ঘটনাক লৈ কোনো কোনোৱে ক'ব খোজে যে একাংশ আৰক্ষীৰ লোকৰ গোপন মিতিৰালিৰ পৰিপ্ৰেক্ষিততেই এনে চোৰাং গৰু সৰবৰাহৰ ঘটনা সংঘটিত হৈ আহিছে শদিয়া সমজিলাত। অনবৰতে আৰক্ষী-নিৰাপত্তাৰক্ষী বাহিনীয়ে গিজগিজাই থকা শদিয়াৰ সদৰ চপাখোৱাত ফুটগধূলিতেই চোৰাং গৰু সৰবৰাহৰ ঘটনাই এতিয়া সকলোকে ভবাই তুলিছে। এই সন্দৰ্ভত অনাগত দিনত দল-সংগঠনৰ ভূমিকাও নিশ্চয়কৈ লক্ষণীয় হ'ব।

■

# ছৈবাৰী আঞ্চলিক ষোড়শ বাৰ্ষিক ৰঙালী বিহু উদযাপনৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ টংলাৰ সমীপৰ ছৈবাৰী আঞ্চলিক ৰঙালী বিহু উদযাপন সমিতিয়ে যোৱা ২১এপ্ৰিলত অনুষ্ঠিত কৰা ষোড়শ বাৰ্ষিক ৰঙালী বিহু উৎসৱত ঢোল, পেঁপা, গগনা, খাম, চিফুঙৰ সুললিত সুৰেৰে মুখৰিত হ'ল ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ খেলপথাৰৰ বিহুতলী। দিবা-নৈশ বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজিত ৰঙালী বিহু উদ্যাপনৰ পতাকা ছৈবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক কৰুণা গিৰিদেৱ বসুমতাৰীয়ে উত্তোলন কৰে। বিহু উদ্যাপন সমিতিৰ সম্পাদক প্ৰভাত চন্দ্ৰ ৰাভাই বন্তি প্ৰজ্বলন কৰে। ৰঙালী বিহু উদযাপনৰ লগত সংগতি ৰাখি বৃহত্তৰ ছৈবাৰী অঞ্চলৰ ৪০ গৰাকী জ্যেষ্ঠ ব্যক্তিক বিহুৰ ওলগ জনাই উদ্যাপন সমিতিয়ে জ্যেষ্ঠসকলৰ পৰা আৰ্শীবাদ গ্ৰহণ কৰে। পুৱা ১০ বজাত বিহু নাচ আৰু জনগোষ্ঠীয় একক নৃত্য প্ৰতিযোগিতা আৰম্ভ হয়। বিহুনাচ আৰু জনগোষ্ঠীয় একক নৃত্য প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক নয়নমল্ল বুজৰবৰুৱাই। প্ৰতিযোগিতাৰ আগমুহূৰ্তত গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন্দ্ৰ ৰাভাৰ তত্বাৱধানত গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ কণকণ ছাত্ৰ-ছাত্ৰীসকলে হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই সৃজনীমূলক গীত-নৃত্য পৰিৱেশন কৰে। শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা বিহু নাচ আৰু জনগোষ্ঠীয় প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে নৃত্যশিল্পী পূৰ্বাশ্ৰী বনিয়াই। আবেলি ৪ বজাত বিহু আৰু জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শনীৰ মঞ্চ মুকলি কৰে বিশিষ্ট সমাজসেৱক সত্য বড়োৱে। ছৈবাৰী আঞ্চলিক ৰঙালী বিহু উদযাপন সমিতিৰ স্থায়ী সম্পাদক হিৰণ্য তামোলীয়ে আঁত ধৰা মুকলি বিহু আৰু জনগোষ্ঠীয় লোকনৃত্য সমাৰোহত নটসূৰ্য্য শিল্পী সমাজ বিহুৱা দল (তেজপুৰ), বৰনৈপৰীয়া বিহু দল (ডিমাকুছি), নৱজ্যোতি বিহু দল (ধনশ্ৰীঘাট), খেৰাই কৃষ্টি দল (খৈৰাবাৰী), জামুগুৰি ৰাভা কৃষ্টি দল (খৈৰাবাৰী), কোচ ৰাজবংশী কৃষ্টি দল (টেলীয়াপাৰা)আদি ১৫ টি বিহু আৰু জনগোষ্ঠীয় কৃষ্টি দলে বিহু তথা আন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰি ৰাইজক আপ্লুত কৰে। উক্ত অনুষ্ঠানত টি.চি.এল.চি.চিৰ অধ্যক্ষ ৰঞ্জিত বড়ো, বনগাঁও ভি.চি.ডি.চিৰ অধ্যক্ষ হৰেশ্বৰ ডেকা, পুৰন্দিয়া ভি.চি.ডি.চিৰ অধ্যক্ষ ভানুপ্ৰভা শইকীয়া, সমাজসেৱক হেমেন শইকীয়া, ব্যাস সংগীতাচাৰ্য গুণীৰাম ৰাভা, ওজাপালি শিল্পী জগন্নাথ বড়া, অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাস প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উপস্থিত থাকে। পুৱাৰ ভাগত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান অৰ্জন কৰা প্ৰতিযোগীসকলক নগদ ধন, ফুলাম গামোচা, ফুলৰ থোপাৰে পুৰস্কৃত কৰে। নিশা ৯ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান মুকলি কৰে গাঁওপ্ৰধান পঞ্চানন ডেকাই। নিশা ১০ বজাত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰে বি.টি.চিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বনজাৰ দৈমাৰীয়ে। গুৱাহাটীৰ পৰা আমন্ত্ৰিত কণ্ঠশিল্পী গণদ্বীপ কাকতি, বাৰ্বিলিনা বৰুৱা, গিৰিশ গৌতম, ধ্ৰুৱজ্যোতি ৰাভা আৰু বহু স্থানীয় শিল্পীয়ে গীত পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। শেষত মায়াবিনী গীতেৰে অনুষ্ঠানৰ সামৰণি পৰে। ছৈবাৰী আঞ্চলিক ৰঙালী বিহু উদ্যাপন সমিতিৰ ষোড়শ বাৰ্ষিক ৰঙালী বিহু উদযাপন সফল কৰি তোলাৰ বাবে স্থায়ী আৰু উদ্যাপন সমিতিৰ হৈ হিৰণ্য তামোলী, প্ৰভাত চন্দ্ৰ ৰাভা, হিতেশ কছাৰী, চন্দন ডেকা আৰু নিত্যানন্দ ৰাভাই ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## আমেৰিকালৈ ৰপ্তানি মাজুলী চামগুৰি সত্ৰৰ মুখা

# মাজুলী চামগুৰি সত্ৰৰ মুখাৰ আন্তঃৰাষ্ট্ৰীয় সমাদৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট মুখাশিল্পই মাজুলীৰ চামগুৰি সত্ৰৰ পদ্মশ্ৰী বঁটা প্ৰাপক মুখা শিল্পী হেমচন্দ্ৰ গোস্বামী আৰু তেওঁৰ শিষ্যগণৰ একানপটীয়া প্ৰচেষ্টাৰ ফলত আন্তঃৰাষ্ট্ৰীয় সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৬ চনত লণ্ডনৰ বৃটিছ মিউজিয়াম শুৱনি কৰিবলৈ সক্ষম হোৱা ড° হেমচন্দ্ৰ গোস্বামীৰ মুখা এইবাৰ সাত সাগৰ তেৰ নদী পাৰ হৈ যাত্ৰা আৰম্ভ কৰিছে আমেৰিকালৈ। পশ্চিমীয়া দেশ আমেৰিকাত কথা কব চামগুৰি সত্ৰৰ মুখাই। ইতিমধ্যে হেমচন্দ্ৰ গোস্বামীৰ চ'ৰাৰ পৰা আমেৰিকাৰ পৰ্যটকসকলে বিচৰাৰ দৰে নিৰ্মাণ কৰি মুখা সমূহ কুৰিয়াৰ সেৱাৰ জৰিয়তে উলিয়াই পঠিওৱা হৈছে। হেমচন্দ্ৰ গোস্বামীৰ পৰা জানিব পৰা মতে, আমেৰিকাৰ পৰ্যটকসকলে তেওঁলোকক ৰাৱন, গণেশ, বৃষভ, হনুমান, জটায়ু, নন্দী, অসুৰৰ মুখা দুখন আৰু, কালিনাগৰ মুখা নিৰ্মাণৰ বাবে আহ্বান জনাইছিল আৰু সেইমতে শিল্পীগৰাকী আৰু তেওঁৰ শিষ্যসকলে মুখা নিৰ্মাণ কৰি আমেৰিকালৈ পঠোৱাৰ ব্যৱস্থা কৰে। আমেৰিকাৰ পৰ্যটকসকলে মুখা সমূহ সুন্দৰ ভাৱে সংৰক্ষণ আৰু অভিনয়ৰ ব্যৱস্থা কৰিব বুলি শিল্পীগৰাকীক জনাইছে। উল্লেখযোগ্য যে, বিশিষ্ট মুখা শিল্পী ড° হেমচন্দ্ৰ গোস্বামী আৰু তেওঁৰ শিষ্য সকলে নিৰ্মাণ কৰা মুখাসমূহ কেৱল লণ্ডন আৰু আমেৰিকাতে নহয় বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকৰ ড্ৰয়িং ৰুম শুৱনি কৰি সত্ৰীয়া সংস্কৃতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকাই তুলিছে। শিল্পী ড° হেমচন্দ্ৰ গোস্বামীৰ লগতে মাজুলীৰ মুখা শিল্পীসকলৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি মুখা কলাই এক সাকাৰ ৰূপ পাইছে। বিশেষকৈ মাজুলী চামগুৰি সত্ৰত নিৰ্মাণ হোৱা মুখা শিল্পই সমগ্ৰ বিশ্বতে প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰিছে আৰু বিশ্ববাসীৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। মুখা শিল্পৰ বাবেই চামগুৰি সত্ৰৰ মুখা শিল্পী সকলে পদ্মশ্ৰী, সংগীত নাটক একাডেমী, ডক্তৰেটকে ধৰি বিভিন্ন বটা বুটলিছে। উল্লেখযোগ্য যে, মাজুলীলৈ অহা দেশী বিদেশী পৰ্যটক সকল ঢপলিয়াই আহে চামগুৰি সত্ৰৰ মুখা শিল্প চাবলৈ আৰু মুখাৰ অভিনয় উপভোগ কৰিবলৈ। মুখা শিল্প উপভোগ কৰিবলৈ অহা বহু বিদেশী পৰ্য্যটকে মুখা কলাৰ প্ৰেমত পৰি মুখা নিৰ্মাণৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। শেহতীয়াকৈ চামগুৰি সত্ৰলৈ আমেৰিকাৰ পৰা অহা পৰ্যটকৰ দলটো প্ৰেমত পৰিছিল মুখা শিল্পৰ আৰু পৰ্যটকৰ দলটোৰ লগত সহায়ক হিচাপে আহিছিল কলিকতা এজন লোক। পৰ্যটকৰ দলটো আমেৰিকালৈ উভতি গৈ কলিকতাৰ যুৱক জনৰ সৈতে যোগাযোগ কৰি মাজুলী চামগুৰি সত্ৰত নিৰ্মাণ কৰিবলৈ দিলে উক্ত মুখা সমূহ আৰু সেইমতেই মুখাৰ আমেৰিকা যাত্ৰা আৰম্ভ হয়। এতিয়া মাজুলীবাসীৰ আশা, চামগুৰি সত্ৰৰ শিল্পীসকলে একাগ্ৰতাৰে ধৰি ৰখা শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট মুখাশিল্প কেৱল লণ্ডন আৰু আমেৰিকাতে নহয় সমগ্ৰ বিশ্বৰ যাদুঘৰসমূহত স্থান লাভ কৰক যাতে মুখাৰ জৰিয়তে মহাপুৰুষ জনাই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰে।

# টংলাত যুৱ মঞ্চ, টংলাৰ উদ্যোগত ব'হাগী উৎসৱ উদযাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ টংলা, ২৫ এপ্ৰিল ঃ** বিগত বৰ্ষৰ দৰেই এইবেলিও টংলাত অহা ১৩, ১৪ আৰু ১৫ মে'ত যুৱ মঞ্চ, টংলাৰ উদ্যোগত ব'হাগী উৎসৱ উদ্যাপনৰ আয়োজন কৰিছে। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানৰ ১৩ মে' প্ৰথম দিনা পুৱা ৯ বজাত যুৱ মঞ্চ, টংলা সভাপতিৰ প্ৰবীণ হাজৰিকাই যুৱ মঞ্চৰ পতাকা উত্তোলন আৰু তাৰ পিছতে ব'হাগী উৎসৱ উদ্যাপন সমিতিৰ সভাপতি অজয় ডেকাই বিহু পতাকা উত্তোলনৰে উক্ত তিনিদিনীয়া অনুষ্ঠানৰ শুভাৰম্ভণি হ'ব। ইয়াৰ পিছত ক্ৰমে স্মৃতি তৰ্পণ, হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান, শিশুৰ খেল-ধেমালি আৰু চিত্ৰাংকণ প্ৰতিযোগিতা, শিশু আৰু চেমনীয়াৰ একক বিহু নাচ প্ৰতিযোগিতা আৰু বঁটা দাতাৰ লগতে বিশিষ্ট ব্যক্তিৰ সম্বৰ্দ্ধনা অনুষ্ঠানৰে সামৰণি পৰে। ১৪ মে' দ্বিতীয় দিনা আবেলি ৪ বজাত অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিটিচিৰ পাৰিষদ দিগন্ত বৰুৱাই উদ্বোধন কৰিবলগীয়া মুকলি বিহুত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব ওদালগুৰি জিলাৰ জিলা আয়ুক্ত জয় বিকাশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱা। উক্ত প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ কেইবাটাও বিহু দলে অংগ্ৰহণ কৰিব। আনহাতে ১৫ মে'ৰ অন্তিম দিনাৰ সন্ধিয়া ৭ বজাত বন্তিপ্ৰজ্বলন আৰু সন্ধিয়া ৮ বজাৰ পৰা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্য্যসূচী। বাগসা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক উজ্জ্বল প্ৰতীম বৰুৱাই উদ্বোধন কৰিবলগীয়া উক্ত সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ "যন্ত্ৰ"ৰ দ্বাৰা সংগীতানুষ্ঠান আৰু ৰঞ্জিত গগৈৰ দলীয় বিহু নাচ প্ৰদৰ্শন।

## সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰে আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি মনোজ ৰায়ে

# বিজয়গাঁৱত ২০ তম বিষুৱা উৎসৱ উদ্যাপন



**অসম বাৰ্তা, বাসুগাঁও, ২৫ এপ্ৰিল ঃ** ব'হাগ অহাৰ লগে-লগে সকলোৰে মন-প্ৰাণ নাচি উঠে। প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজৰ কৃষ্টি সংস্কৃতি সমূহৰ এক সমাহাৰ ঘটে। ঠিক তেনেদৰে বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ লগতে বিজয়গাঁও শাখা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বিজয়গাঁও ৰাইজৰ সহযোগত এইবেলিৰ ২০ তম বিষুৱা উলহ-মালহৰে উদ্যাপন কৰা হয়। কালি সন্ধিয়া মঞ্চ মুকলি কৰে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনোজ কুমাৰ ৰায়। তেওঁ মঞ্চ মুকলি কৰি বিষুৱা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় উৎসৱ বুলি উল্লেখ কৰি সাধাৰণতে বিষুৱা এসপ্তাহ ধৰি পালন কৰা হয় বুলি কয়। ইয়াৰ প্ৰাকমুহূৰ্তত বন্তিপ্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে বিজয়গাঁৱৰে এগৰাকী সু-সন্তান যুৱনেতা তথা বাওখুংগ্ৰী সমষ্টিৰ পৰা এন ডি এৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৰূপম কুমাৰ ৰায় আৰু বিশিষ্ট সমাজকৰ্মী শম্ভু ৰাজবংশীয়ে। আজিৰ অনুষ্ঠানত অতিথি হিচাপে বাসুগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাজু মিলি, বঙাইগাঁও অভিযন্তা গৌতম ৰায়ৰ উপৰিও জেষ্ঠ্য ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানটিত জনপ্ৰিয় কণ্ঠশিল্পী ফুকন বড়োই শ্ৰোতা-দৰ্শকক মুগ্ধ কৰি পৰিবেশটি প্ৰাণোচ্ছল কৰি তোলে। শিল্পী গৰাকী অসমীয়া, বড়ো, কোঁচ ৰাজবংশী, হিন্দী, বেংগলী, চাহ বাগানিয়া ইত্যাদি ভাষাত গীত পৰিৱেশন কৰি অন্যমাত্ৰা প্ৰদান কৰে। অৱশ্যে অধিক সংখ্যক জুবিন গাৰ্গৰ গীত পৰিবেশন কৰি তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰে। গীতৰ মাজে মাজে জয় জুবিন দা বুলি চিঞৰি দিয়ে। অনুষ্ঠানটিত স্থানীয় কণ্ঠশিল্পী বৰ্ণালী বৰ্মন, চিকিৎসক ডাঃ গণেশ্বৰ হাজঙৰ উপৰিও বহুতো শিল্পীয়ে নৃত্য-গীত পৰিৱেশন কৰে। আজি ৰাতিপুৱা বিভিন্ন আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে সমাজকৰ্মী তথা কনিষ্ঠ অভিযন্তা গৌতম ৰায়। উল্লেখযোগ্য যে যোৱা ১ ব'হাগ অৰ্থাৎ ১৫ এপ্ৰিলত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ লগে লগে সংঘ, বিষুৱাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বিশ্ব মহাবীৰ চিলাৰায় প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়িত হয়। ১৫ আৰু ২৩ এপ্ৰিলত বিষুৱা উৎসৱৰ বিভিন্ন কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন হোৱাত বিষুৱা উদযাপন সমিতিৰ সভাপতি ভবেন্দ্ৰ ৰায় আৰু সম্পাদক ৰাজু কুমাৰ ৰায়ে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## বৰ্ণিল সমন্বয় সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত গহপুৰ নগৰ; ২৯টা সাংস্কৃতিক দলৰ অংশগ্ৰহণ

# ৬৩ সংখ্যক সদৌ গহপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন



**অসম বাৰ্তা, গহপুৰ, ২৫ এপ্ৰিল ঃ** বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি তথা বৰ্ণিল কৃষ্টি- সংস্কৃতিৰ সমাহাৰ থলী গহপুৰত সমন্বয় আৰু সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ প্ৰয়াসেৰে গহপুৰ নগৰস্থিত গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰৰ বিহু বাকৰিত আয়োজন কৰা ৬৩ সংখ্যক সদৌ গহপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি আজি এক বিশাল সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। উক্ত সমন্বয় সাংস্কৃতিক শোভাযাত্ৰাই গহপুৰ নগৰৰ চৌদিশ মুখৰিত কৰি তোলাৰ লগতে সমন্বয়ৰ বাণীৰে সম্প্ৰীতিৰ এনাজৰী অধিক কটকটীয়া কৰি তোলে। এই উপলক্ষে আজি পুৱা ১১ বজাত উক্ত সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী যুটীয়া ভাৱে শুভ উদ্বোধন কৰে গহপুৰৰ বিধায়ক উৎপল বৰা আৰু ঢোলৰ ওজা সোমনাথ বড়াই। দুয়োগৰাকী উদ্বোধকে চমু বক্তব্য প্ৰদান কৰি সদৌ গহপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে সমন্বয়ৰ মহামন্ত্ৰেৰে সকলোকে একত্ৰিত কৰি গহপুৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধৰ এনাজৰী অধিক মজবুত কৰি তুলিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰৰ বিহু বাকৰিৰ পৰা গহপুৰ নগৰৰ মাজেৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ সমীপলৈকে বাহিৰ কৰা উক্ত সাংস্কৃতিক শোভাযাত্ৰাত সৰ্বমুঠ ২৯ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি গহপুৰ নগৰত এক বৰ্ণিল তথা দৃষ্টিনন্দন পৰিবেশৰ সৃষ্টি কৰে। সকলোকে আকৰ্ষিত তথা মোহিত কৰা উক্ত সাংস্কৃতিক শোভাযাত্ৰাত বড়ো, মিচিং, দেউৰী, কাৰ্বি, উড়িয়া, গোৰ্খা, তাই আহোম, চুতীয়া, চাহ জনগোষ্ঠী আদি বিভিন্ন জাতি জনগোষ্ঠীৰ সাংস্কৃতিক দলৰ লগতে বৃহত্তৰ গহপুৰ অঞ্চলৰ একাধিক শিক্ষানুষ্ঠানৰ সাংস্কৃতিক দলে উলহ-মালহেৰে অংশগ্ৰহণ কৰে। আজিৰ সমন্বয় সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী সম্পূৰ্ণ ৰূপে সফল কৰি তোলাৰ বাবে সদৌ গহপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সাংস্কৃতিক শোভাযাত্ৰা উপ সমিতিৰ সভাপতি প্ৰশান্ত শইকীয়াই সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা সহকাৰে ধন্যবাদ জ্ঞাপন কৰিছে। অন্যহাতেদি আজি সন্ধিয়া ৬ বজাৰ পৰা অনুষ্ঠিতব্য দলীয় বিহু প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা সৰ্বমুঠ ২১টা বিহু দলে অংশগ্ৰহণ কৰিব বুলি ৬৩ সংখ্যক সদৌ গহপুৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদযাপন সমিতিৰ সভাপতি কমলজিৎ দত্ত আৰু উপ সভাপতি হেমন্ত জোন বৰুৱাই জানিবলৈ দিছে।

# ৰঙিয়া মহাবিদ্যালয়ত বিশ্ব গ্ৰন্থ দিৱসৰ লগতে কপিৰাইট দিৱস উদ্যাপন

**অসম বাৰ্তা, ৰঙিয়া, ২৫ এপ্ৰিল ঃ** বিগত বছৰৰ দৰে এইবাৰো ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্থগাৰৰ উদ্দ্যোগত 'বুক লাভাৰ্চ ক্লাব' আৰু অৰ্থনীতি বিভাগ"ৰ সহযোগত "বিশ্ব গ্ৰন্থ দিৱস আৰু কপিৰাইট" দিৱস উৎযাপন কৰা হয়। শুকুৰবাৰে মহাবিদ্যালয়খনৰ বৰলীয়া পেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি গ্ৰন্থগাৰৰ উদ্যোগত "বাহী" শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে ৰঙিয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° হেমেন্দ্ৰ শৰ্মাই। ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিক মঞ্জুশ্ৰী দেৱীয়ে আঁতধৰা সভাখনত মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা IQAC সমন্বয়ক আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপিকা ৰাণু চৌধুৰী আৰু বিভিন্ন বিভাগৰ অধ্যাপক, অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰা হৰদত্ত বীৰদত্ত হাইস্কুল আৰু প্ৰগতি হাইস্কুলৰ শিক্ষক ক্ৰমে দেৱান আছাহাবুদ্দিন আহমেদ, ভূপেন শৰ্মা আৰু অতুল চন্দ্ৰ কলিতাই নিজ নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি উপাধ্যক্ষ ড° হেমেন্দ্ৰ শৰ্মা, IQAC সমন্বয়ক ড° হৃষিকেশ চৌধুৰী আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপিকা ৰাণু চৌধুৰীয়ে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা তথা বিশ্ব গ্ৰন্থ দিৱসৰ তাৎপৰ্য্য শুৱলাকৈ ব্যাখ্যা কৰে। ইয়াৰ পিছতে প্ৰগতি হাইস্কুলৰ শিক্ষক অতুল চন্দ্ৰ কলিতা আৰু হৰদত্ত বীৰদত্ত হাইস্কুলৰ শিক্ষক ভুপেন শৰ্মা দেৱে গ্ৰন্থৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাৰ অন্তত ৰঙিয়া মহাবিদ্যালয় সহকাৰী গ্ৰন্থগাৰিক ৰাজীৱ দেৱানে শলাগৰ শৰাই আগবঢ়ায়।

## লখিমপুৰ জিলাৰ নতুন সমিতি গঠন

# লখিমপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু বিষুৱা উৎসৱ উদ্যাপন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৫ এপ্ৰিল ঃ** লখিমপুৰ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু বিষুৱা উৎসৱ আজি ২৩ এপ্ৰিলত বগীনদী কান্দুলিমাৰী বৰ্মন নামঘৰ প্ৰাংগণত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি উদ্যাপন সমিতিৰ উপদেষ্টা কমল বৰ্মনে বন্তি প্ৰজ্বলন কৰাৰ পিছতেই আক্ৰাছুৰ পতাকা উত্তোলন কৰে সংগঠনটোৰ লখিমপুৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি চিদা হাজৰিকা আৰু ৰমেশ বৰ্মনে। ইয়াৰ পিছতে বিষুৱাৰ সাতৰঙী পতাকা উত্তোলন কৰা হয়। বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে উদ্যাপন সমিতিৰ যুতীয়া সম্পাদক ধনঞ্জয় বৰ্মনে। ছহিদ তৰ্পণ কৰে আক্ৰাছুৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক মৃদুল শইকীয়াই। স্মৃতি তৰ্পণ কৰে ৰঞ্জিত বৰ্মনে। ইয়াৰ পিছতে বিষুৱা শক্তি পূজা আৰম্ভ হয়। অনুষ্ঠানত বিশ্ব মহাবীৰ চিলাৰায়ৰ ওপৰত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা আৰু জাতীয় সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে লখিমপুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি চন্দ্ৰ ৰাজখুৱাই। সভাৰ উদ্বোধন কৰে আক্ৰাছুৰ কেন্দ্ৰীয় প্ৰধান সম্পাদক দীপক বৰাই। আনহাতে এই সভাতেই আক্ৰাছুৰ লখিমপুৰ জিলা সমিতিখন গঠন কৰা হয়। সভাপতি হিচাপে চন্দ্ৰ ৰাজখোৱা, কাৰ্যকৰী সভাপতি হিচাপে চিদা হাজৰিকা, যুতীয়া সম্পাদক হিচাপে মৃদুল শইকীয়া, সহকাৰী সম্পাদক, উপ সভাপতি হিচাপে কেই বাগৰাকী নেতাক দায়িত্ব অৰ্পণ কৰি ৩১জনীয়া সমিতিখন গঠন কৰা হয়।

# বাক্সাৰ ২ নং অদলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে প্ৰচাৰিত বাতৰি সন্দৰ্ভত বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিক্ৰিয়া প্ৰকাশ

**অসম বাৰ্তা, বাগানপাৰা, ২৫ এপ্ৰিল ঃ** বাস্কা শিক্ষা খণ্ড মুছলপুৰৰ অধীনস্থ ২ নং অদলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে প্ৰচাৰিত বাতৰি সন্দৰ্ভত বিদ্যালয় পৰিচালনা আৰু স্থানীয় ৰাইজ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কাকতলৈ প্ৰেৰণ কৰা বাতৰিত উল্লেখ কৰিছে যে, যোৱা ২০ এপ্ৰিলত বাক্সাৰ ২ নং অদলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পুলমা মজুমদাৰে এঘাৰ বজাত স্কুল ছুটি দিয়া আৰু মধ্যাহ্ন ভোজন নুখুওৱা বুলি অভিযোগ উত্থাপন কৰি এটি বাতৰি পৰ্টেলত প্ৰচাৰ কৰিছে। এই সন্দৰ্ভত যোৱা ২২ এপ্ৰিলত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, স্থানীয় ৰাইজ এক সভাত মিলিত হয় আৰু বাতৰি সম্পৰ্কে আলোচনা কৰা হয়। আলোচনাৰ অন্তত বিদ্যালয় পৰিচালনা সমিতি আৰু ৰাইজে মত প্ৰকাশ কৰে যে, প্ৰচাৰিত বাতৰিটো ভিত্তিহীন আৰু মিছা বাতৰি। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুষণ বাহাদুৰ ভাণ্ডাৰীয়ে কয় যে, আজিলৈকে আমাৰ বিদ্যালয়ত এনেধৰণৰ অবাঞ্চিত ঘটনা ঘটা নাই। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে সিদিনা শাৰীৰিক অসুস্থতাৰ বাবে স্কুল সোনকালেই ছুটি দিয়ে যদিও মধ্যাহ্ন ভোজন নিয়মিত ভাৱে ছাত্ৰ-ছাত্ৰী সকলক খুৱাই আহিছে। আনকি তেওঁ স্কুললৈ সময় মতে আহে আৰু সময়মতে স্কুল ছুটি দি আহিছে। তেনে ক্ষেত্ৰত প্ৰধান শিক্ষয়িত্ৰী গৰাকীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সম্পূৰ্ণ ভিত্তিহীন আৰু মিছা বাতৰি বুলি সভাপতি গৰাকীয়ে স্পষ্ট কৰি দিয়ে।

# মুকালমুৱাৰ ঘোগাত নিশা উত্তপ্ত পৰিস্থিতি

## শক্তি বিভাগৰ খুঁটা স্থাপনক কেন্দ্ৰ কৰি উত্তেজনা

**অসম বাৰ্তা, দৌলাশাল, ২৫ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোগা গাঁৱত কালি নিশা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। শক্তি বিভাগে ঘোগা গাঁৱত অৱস্থিতি ব্যৱসায়িক প্ৰতিষ্ঠানৰ সীমাৰে ৩৩ হাজাৰ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি ঘোগা গাঁৱত অৱস্থিত ময়ূৰ হোটেলৰ সন্মুখত নতুনকৈ নিৰ্মাণ কৰি থকা ডলী এইচ.পি গেছ এজেঞ্চিৰ অজ্ঞাতে কালি সন্ধিয়াৰ ভাগত শক্তি বিভাগে গেছ এজেঞ্চিটোৰ নিচেই ওচৰৰে ৩৩ হাজাৰ ভল্টৰ বিদ্যুতৰ খুঁটা এটা স্থাপন কৰে। হাজো-দৌলাশাল ঘাইপথৰ ঘোগাত ডলী এইচ.পি গেছ এজেঞ্চিৰ নতুনকৈ নিৰ্মীয়মান প্ৰতিষ্ঠানৰ ওচৰতে শক্তি বিভাগে ৩৩ হাজাৰ ভল্টৰ বিদ্যুতৰ খুঁটা স্থাপন কৰে। গেছ এজেঞ্চিটোৰ নতুনকৈ নিৰ্মীয়মান ব্যৱসায়িক প্ৰতিষ্ঠানৰ নিচেই ওচৰেৰে ৩৩ হাজাৰ ভল্টৰ বিদ্যুত পৰিবাহী তাৰৰ খুঁটা স্থাপন কৰাক লৈ বিগত তিনিমাহৰো অধিক সময় ধৰি বিষয়টো বিতৰ্কৰ মাজত সোমাই পৰিছিল। যোৱা ২৭ মাৰ্চত শক্তি বিভাগ, ডলী এইচ.পি গেছ এজেঞ্চি আৰু নলবাৰী জিলা প্ৰশাসনৰ ত্ৰিপাক্ষিক আলোচনা মৰ্মে নিৰ্দিষ্ট ঠাইত শক্তি বিভাগে দুটাকৈ খুটা স্থাপন কৰাৰ পাছত বিতৰ্কিত বিষয়টো অন্ত পৰে। আলোচনাত নলবাৰীৰ অতিৰিক্ত আয়ুক্ত কৌস্তৱ ৰয়, বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথকে ধৰি নলবাৰীৰ শীৰ্ষ পৰ্য্যায়ৰ কেইবাগৰাকী আৰক্ষীৰ বিষয়া উপস্থিত আছিল। কালি সন্ধিয়াৰ ভাগত শক্তি বিভাগে ডলী এইচ.পি গেছ এজেঞ্চিৰ অজ্ঞাতে আদাবাৰী পহৰা চকীৰ আৰক্ষীৰ সহযোগত পুনৰ অতিৰিক্তভাবে খুঁটা এটা স্থাপন কৰি শক্তি বিভাগৰ লোক সেই ঠাই ত্যাগ কৰিবলৈ লওঁতেই গেছ এজেঞ্চি কৰ্তৃপক্ষৰ স'তে মুখামুখি হয়। শক্তি বিভাগৰ এনে কাণ্ডক গেছ এজেঞ্চি কৰ্তৃপক্ষই জবাবদিহি কৰাৰ পাছতেই মুহূৰ্ততে ঘটনাস্থলীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি আদাবাৰী পহৰা চকীৰ আৰক্ষীয়ে কৌশলগতভাবে শক্তি বিভাগৰ কৰ্মচাৰীসকলক সেই ঠাইৰ পৰা পলাই পঠিয়াই। আদাবাৰী পহৰা চকীৰ আৰক্ষীৰ এনে কাণ্ডক লৈ অধিক উত্তপ্ত হৈ পৰে পৰিস্থিতি। শক্তি বিভাগ আৰু আদাবাৰী আৰক্ষীৰ এনে কাণ্ডক লৈ নিশা ১০ বজালৈকে ঘটনাস্থলীত উত্তেজনাই বিৰাজ কৰি থাকে। ডলী গেছ এজেঞ্চীৰ অভিযোগ অনুসৰি ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ ওচৰেৰে ৩৩ হাজাৰ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰিব নোৱাৰে যদিও গুৱাহাটীস্থিত শক্তি বিভাগৰ সহকাৰী বিষয়া ৰাহুল দাসে প্ৰশাসনিক ক্ষমতা দেখুৱাই গেছ এজেঞ্চিটোৰ নিচেই ওচৰতে খুঁটাটো স্থাপন কৰে। গেছ এজেঞ্চিটোৰ ওচৰৰে ৩৩ হাজাৰ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰাত ভৱিষ্যতে গেছ এজেঞ্চিটো বিপদৰ মাজত সোমাই যোৱাৰ আশংকা প্ৰকাশ কৰে ডলী এইচ.পি গেছ এজেঞ্চিটোৱে। ইপিনে দীৰ্ঘদিন ধৰি অঞ্চলটোৰ ৰাইজক ৰন্ধন গেছৰ সেৱা আগবঢ়াই অহা ডলী এইচ.পি গেছ এজেঞ্চিটোক শক্তি বিভাগে ভয়ানক বিপদৰ পিনে ঠেলি দিয়া কাৰ্য সহজভাবে লোৱা নাই স্থানীয় ৰাইজে। ৰাইজে এই ক্ষেত্ৰত নলবাৰী জিলা প্ৰশাসনৰ আলোচনাক ভেঙুচালি কৰা শক্তি বিভাগৰ বিষয়াগৰাকীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে।

# বৰপেটাত বিজেপি মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱীৰ সংবাদমেল

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৫ এপ্ৰিল ঃ** ভাৰতীয় জনতা পাৰ্টি মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱীয়ে আজি বৰপেটা বিজেপি কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰে। নাৰী শক্তি বন্দন অধিনিয়ম বিধেয়ক সংসদত গৃহীত কৰাত ব্যৰ্থ বিজেপিয়ে কংগ্ৰেছৰ লগতে বিৰোধী মিত্ৰজোটৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছে। ইয়াৰ সমান্তৰালভাবে বিজেপিৰ মহিলা মৰ্চাই জনমত গঠনৰ কাৰ্যসূচীও হাতত লৈছে। এই কাৰ্যসূচী অনুসৰি অসম প্ৰদেশ মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱীয়ে কংগ্ৰেছ সহ কংগ্ৰেছ মিত্ৰজোঁটে নাৰী শক্তি বন্দন সংশোধনী বিধেয়ক ২০২৬ ৰ বিৰুদ্ধে লোৱা নীতি আৰু স্থিতি সন্দৰ্ভত বিজেপি মিত্ৰ জোঁটৰ মহিলা সকলে মহিলা আক্ৰোশ শীৰ্ষক এক কাৰ্যসূচীৰ অধীনত বৰপেটা জিলা বিজেপিৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাস, বৰপেটা জিলা মহিলা মৰ্চাৰ প্ৰভাৰী আৰতি ডেকা বৈশ্য, জিলা বিজেপিৰ প্ৰভাৰী মনোজ বৰুৱা, আৰু জিলা মহিলা মৰ্চাৰ সভানেত্ৰী গীতুমনি দাস দেউৰীক কাষত লৈ অনুষ্ঠিত কৰা সংবাদমেলখনত নাৰী শক্তি বন্দন অধিনিয়ম বিধেয়ক গৃহীত কৰাত ব্যৰ্থ বিজেপিয়ে ইয়াৰ বাবে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁটক সমালোচনা কৰে। বিধেয়কখন বাতিলক লৈ বিৰোধীয়ে যি ধৰণে অট্টহাস্য কৰিছিল সেয়া ভাৰতে পাকিস্থান জয় কৰাৰ দৰে আছিল বুলি মন্তব্য কৰে মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱীয়ে। এয়া নাৰী জাতিৰ বাবে দুখজনক আখ্যা দি নীলিমা দেৱীয়ে কয় বিৰোধীয়ে নাৰীৰ ৩৩ শতাংশ সংৰক্ষণ কৰাৰ পাছতহে এই আনন্দ উল্লাস প্ৰদৰ্শন কৰিব লাগিছিল যদিও কংগ্ৰেছে সদায় নাৰীক অপমান আৰু নাৰীক বাধা দি সন্তোষ প্ৰকাশ কৰি আহিছে। কংগ্ৰেছৰ পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ বাবেই দেশত নাৰী সংৰক্ষণৰ দৰে বিষয়ত বাধা দি আহিছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ বাবে মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱীয়ে কংগ্ৰেছ সহ কংগ্ৰেছ মিত্ৰজোঁটক গৰিহণা দিয়ে। বিজেপিয়ে পূৰ্বেতে নাৰী সংৰক্ষণ বিধেয়ক বলবৎ নকৰা বুলি কংগ্ৰেছে কৰা সমালোচনাৰ ওলোটা প্ৰত্যুত্তৰ দি সভানেত্ৰী নীলিমা দেৱীয়ে ওলোটাই প্ৰশ্ন কৰি কয় কংগ্ৰেছে ১৯৭২ চনতে কিয় এই কাম নকৰিলে। তেতিয়া কংগ্ৰেছে নাৰী সংৰক্ষণৰ ব্যৱস্থা কৰিলে আজি বিজেপিয়ে কৰিব লগা নহ'লহেতেন। বিজেপিয়ে নাৰীক ৩৩ শতাংশ সংৰক্ষণ দিব আৰু সমষ্টি পুনৰ নিৰ্ধাৰণ কৰিবই বুলি দাবী কৰি সভানেত্ৰী দেৱীয়ে বিজেপি মহিলা মৰ্চাই জিলাই জিলাই আক্ৰোশ সমদল উলিওৱাৰ লগতে বিশিষ্ট মহিলা সকলৰ ঘৰলৈ গৈ জনমত গঠনৰ চেষ্টা চলাব বুলি মন্তব্য কৰে। মঙলদৈ বিধান সভা সমষ্টিত বিজেপিৰ পৰা প্ৰাৰ্থীত্ব আগবঢ়াই নীলিমা দেৱীয়ে জয়ী হোৱাটো নিশ্চিত বুলি কোৱাৰ লগতে ৰাজ্যত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত পৰৱৰ্তী চৰকাৰ গঠন হ'ব বুলিও দাবী কৰে। আজিৰ এই সংবাদমেলত জিলা বিজেপিৰ সাধাৰণ সম্পাদক হেমন্ত কুমাৰ দেউৰীৰ লগতে জিলা মহিলা মৰ্চাৰ মণ্ডল সভানেত্ৰী সকলৰ লগতে জিলা মহিলা মৰ্চাৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# বিশিষ্ট কবি, সাহিত্যিক অমিলতা টায়ে মিলিক ত্ৰি-হৃদয় বঁটা ২০২৬ৰ বাবে বাছনি

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** অসমৰ বিশিষ্ট কবি, সাহিত্যিক, সমাজ কৰ্মী অমিলতা টায়ে মিলিলৈ মাজুলীৰ অগ্ৰণী কলা সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান ত্ৰি-হৃদয় গোষ্ঠীয়ে ত্ৰি-হৃদয় বঁটা ২০২৬ আগবঢ়াইছে। অসমৰ সমাজ, সাহিত্য আৰু সাংস্কৃতিক জগতখনলৈ বিগত সময়ত অমিলতা টায়ে মিলিয়ে আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে বুলি ত্ৰি-হৃদয় গোষ্ঠীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে। ধেমাজি জিলাৰ ডিমৌ চাৰিআলি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা তথা বিশিষ্ট সাহিত্যিক গৰাকীয়ে স্কুলীয়া দিনৰে পৰা সাহিত্য চৰ্চা কৰি আহিছে। এতিয়ালৈকে তেওঁ সেউজীয়াৰ বুকুত তোমাৰ অনুৰাগ, সপোনৰ আছুতীয়া ৰং, দুষ্মন্তৰ আঙুঠিটো নিপিন্ধাকৈ থাকি গ'লকে আদি কৰি কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। ইয়াৰ উপৰি তেওঁ বৰ্তমান লৈকে ৰ'দৰ কাব্যসৌৰভ বঁটা, ৰ'দ ৰ সাহিত্য সৌৰভ বঁটা, অসম কলা কৃষ্টি বঁটা, জনমানস বঁটা, সাৰথিৰ সাহিত্য বঁটা আৰু ৰ'দ ৰ গদ্য সৌৰভ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ১৯৭২ চনৰ ১ জানুৱাৰীত ধেমাজি জিলাৰ চিলাপথাৰত জন্মগ্ৰহণ কৰা বিশিষ্ট কবি, সাহিত্যিক অমিলতা টায়ে মিলিক চলিত বৰ্ষৰ নৱেম্বৰ মাহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি ত্ৰি-হৃদয় গোষ্ঠীৰ মুখ্য সম্পাদক পাপু বৰা, সহযোগী সম্পাদক ৰাজীৱ বৰা আৰু প্ৰবিত্ৰ হাজৰিকাই এক প্ৰেছ বাৰ্তাৰ জৰিয়তে জানিবলৈ দিছে।

# নলবাৰীত বিজেপিৰ "মহিলা আক্ৰোশ" সংবাদমেল অনুষ্ঠিত

**অসম বাৰ্তা, নলবাৰী, ২৫ এপ্ৰিল ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি) নলবাৰী জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত আজি "মহিলা আক্ৰোশ" শীৰ্ষক এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। উক্ত সংবাদমেলত কংগ্ৰেছসহ ইন.ডি এলায়েঞ্চে "নাৰী শক্তি বন্দন সংশোধনী বিধেয়ক—২০২৬"ৰ বিৰুদ্ধে লোৱা নীতি আৰু স্থিতিৰ তীব্ৰ সমালোচনা কৰা হয়। সংবাদমেলখনত ৰাজ্যিক বিজেপি মহিলা মৰ্চাৰ সাধাৰণ সম্পাদিকা পুৰবী ৰয়, নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমনি বৈশ্য আৰু পৌৰপতী জয়শ্ৰী তালুকদাৰে বক্তব্য আগবঢ়ায়। লগতে উপস্থিত থাকে বিজেপি জিলা সাধাৰণ সম্পাদক পুলক শৰ্মা, জিলা সংবাদ বিভাগৰ আহ্বায়ক কুলদ্বীপ কলিতা আৰু আন কেইবাজনো নেতা-নেত্ৰী।




সংবাদমেলত বক্তাসকলে উল্লেখ কৰে যে কংগ্ৰেছ আৰু ইন.ডি এলায়েঞ্চে "নাৰী শক্তি বন্দন সংশোধনী বিধেয়ক—২০২৬"ৰ বিৰুদ্ধে লোৱা স্থিতি অতি গৰিহণাযোগ্য আৰু ই নাৰী শক্তিৰ ওপৰত অপমান স্বৰূপ। তেওঁলোকে কয় যে ভাৰতীয় সংবিধানে সম অধিকাৰ প্ৰদান কৰাৰ পিছতো ৰাজনৈতিক ক্ষেত্ৰত মহিলাসকলে এতিয়াও সম অংশীদাৰিত্ব লাভ কৰিব পৰা নাই, যি এক উদ্বেগজনক বিষয়। তেওঁলোকে লগতে কয় যে এন ডি এ চৰকাৰে মহিলাসকলৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই বিধেয়ক গৃহীত কৰাৰ প্ৰচেষ্টা চলাই আছে। কিন্তু বিৰোধী শক্তিৰ বিৰোধিতাই এই গুৰুত্বপূৰ্ণ পদক্ষেপত বাধা সৃষ্টি কৰিছে বুলি অভিযোগ উত্থাপন কৰে। শেষত সংবাদমেলৰ জৰিয়তে সকলো নাৰীক একত্ৰিত হৈ "নাৰী শক্তি বন্দন সংশোধনী বিধেয়ক—২০২৬" সমৰ্থন কৰাৰ বাবে আহ্বান জনোৱা হয়।

# ৯ মে'ত তিনিচুকীয়া জিলাত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় লোক আদালত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৫ এপ্ৰিল ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ইং ৯ মে' তাৰিখে সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলা ন্যায়িক আদালত প্ৰাঙ্গণৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো পুৱা ১০.০০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰিব। এই আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰযোগ্য বিবাদৰো এজন ন্যায়িক বিষয়া আৰু এজন বা ততোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতিক্ৰমে সৌহাৰ্দ্যপূৰ্ণভাৱে আপোচ মীমাংসা কৰিব। প্ৰাক লোক আদালত ৮ মে' লৈকে ধাৰ্য কৰা হৈছে। উক্ত লোক আদালতত উপস্থাপন হ'বলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জাননী প্ৰেৰণ কৰা কৰাৰ লগতে অধিক তথ্যৰ বাবে তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ত ই-মেইল যোগে (dlsatinsukia@gmail.com) অথবা ফোনযোগে ৬৯০১২-৮১৬৪৭ যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জানিবলৈ দিছে।

# গহপুৰত ১৩ বছৰীয়া কিশোৰীক অন্তঃসত্ত্বা ৩৫ বছৰীয়া লম্পটৰ

**অসম বাৰ্তা, গহপুৰ, ২৫ এপ্ৰিল ঃ** মানৱ সমাজক লজ্জানত কৰা এক জঘন্য ঘটনাই জোকাৰি গৈছে সমগ্ৰ গহপুৰ। এগৰাকী ১৩ বছৰীয়া কিশোৰীক ৩৫ বছৰীয়া এটা লম্পটে চাৰিমাহৰ অন্তঃসত্ত্বা কৰাৰ ঘটনাটোক লৈ স্বাভাৱিকতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সমগ্ৰ গহপুৰত। গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া লৌগুটিৰ দেৱজিৎ মেধি নামৰ যুৱক জনে সংঘটিত কৰে উক্ত নিকৃষ্ট কাণ্ড। ভয় ভাবুকিৰে কিশোৰী গৰাকীৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰাৰ পিছত অন্তঃ সত্ত্বা হ'বলগীয়া হয় কিশোৰীগৰাকী। এই জঘন্য কাণ্ডৰ বিষয়ে পৰিয়ালৰ লোকক নক'বলৈ ভাবুকি দি অহা লম্পট দেৱজিৎ মেধি অৱশেষত আজি গহপুৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হয়। জীয়ৰী সম কিশোৰী গৰাকীক বলাৎকাৰ কৰি অন্তঃসত্ত্বা কৰা দেৱজিৎ মেধিৰ বিৰুদ্ধে কালি কিশোৰগৰাকীৰ পৰিয়ালে গহপুৰ আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত আজি তেওঁ গ্ৰেপ্তাৰ হয়। উল্লেখযোগ্য যে-কিশোৰীগৰাকীৰ অসহ্য পেটৰ বিষ হোৱাৰ ফলত পৰিয়ালৰ লোকে তেওঁক চিকিৎসকৰ জৰিয়তে পেটৰ আলট্ৰা চাউণ্ড কৰোঁতে তেওঁ চাৰিমাহৰ অন্তঃসত্ত্বা হোৱা বুলি নিশ্চিত হয়। পৰৱৰ্তী সময়ত কিশোৰীগৰাকীয়ে পৰিয়ালৰ আগত দেৱজিৎ মেধিয়ে কৰা বলাৎকাৰৰ সমস্ত কাহিনী বৰ্ণনা কৰে। ইয়াৰ পিছতে পৰিয়ালৰ লোকে আইনী ব্যৱস্থা গ্ৰহণ কৰে। ধৃত দেৱজিৎ মেধিৰ বিৰুদ্ধে উপযুক্ত শাস্তিৰ পোষকতা কৰিছে স্থানীয় ৰাইজে।

# অভয়াপুৰী ৰঙাপৰাত ২৪টা গো-ধন উদ্ধাৰ, ৪ জনক আটক

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ এপ্ৰিল ঃ** শাসনাধিষ্ঠিত বিজেপি চৰকাৰে গো-ধনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অহাৰ বিপৰীতে বঙাইগাঁও জিলাত নিৰ্বিবাদে চলি আহিছে চোৰাং গৰুৰ ৰমৰমীয়া বেহা এনে অৱস্থাত সময়ে সময়ে আৰক্ষীয়ে চোৰাং গৰু ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলোৱাৰ পাছতো অব্যাহত আছে চোৰাং গৰু ব্যৱসায়। আজি পুৱা পুনৰ আৰক্ষীয়ে অভয়াপুৰীত অবৈধ গো-ধনৰ বিৰুদ্ধে অভিযান চলাই ২৩ টাকৈ চোৰাং গৰু জব্দ কৰে। জানিব পৰা মতে বঙাইগাঁও আৰু বৰপেটা জিলাৰ সীমান্তবৰ্তী বৰটাৰী গো মাফিয়া মুন্নত আলীৰ ঘৰত অভয়াপুৰী সমজিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত অভয়াপুৰী আৰু মেৰেৰচৰ আৰক্ষীয়ে অভিযান চলাই চোৰাং গৰু কেইটা জব্দ কৰে। সম্প্ৰতি জব্দকৃত গো-ধন অভয়াপুৰী আৰক্ষী থানাত আছে। ৰঙাপৰাত বিভিন্ন অঞ্চলত দিনে দিনে গৰু চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাত ৰাইজ উদ্বিগ্ন হৈ পৰিছে। ৰঙাপৰা থানাৰ অন্তৰ্গত ৰূপাজলি চাহ বাগিছাত এটা গৰু চুৰি কৰি থকা অৱস্থাতে চাৰিজন চোৰক ৰাইজে হাতে লোটে ধৰি পাছত আৰক্ষীক গতাই দিয়ে। আৰক্ষীৰ হাতত চমজাই দিয়া চোৰ কেইজন হ'ল ক্ৰমে ছাহেৰ আলী, জাকিৰ হুছেইন, গাড়ীৰ খনৰ চালক ছিৰাজ হুছেইন আৰু ছাইফুল হক। ঘটনা সন্দৰ্ভত ৰঙাপৰা আৰক্ষীয়ে ২৬/২৬ নম্বৰত এটি গোচৰ ৰুজু কৰি আজি চাৰিওজনকে জেল হাজোতলৈ প্ৰেৰণ কৰে।

# মাজুলী জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ হোটেল, হোম'ষ্টে ৰিজৰ্টৰ মালিকৰে গুৰুত্বপূৰ্ণ বৈঠক

**অসম বাৰ্তা, বনগাঁও, ২৫ এপ্ৰিল ঃ** মাজুলী জিলাত হোটেল, হোমষ্টে আৰু ৰিজৰ্ট সমূহৰ নিয়ন্ত্ৰণ, সুৰক্ষা আৰু পৰ্যবেক্ষণ আদি বিষয় আলোচনাৰ হেতু ২৩ এপ্ৰিল বৃহস্পতিবাৰে দিনৰ ১১-০০ বজাত জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয় গড়মুৰত এখনি গুৰুত্বপুৰ্ন সভা অনুষ্ঠিত হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভাৰতীয় পুলিছ সেৱা বিষয়া আই পিএছ সোণালিন এছৰ সভাপতিত্ব অনুষ্ঠিত সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ আৰক্ষী অধীক্ষক, মাজুলীৰ জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়া, মাজুলী কমলাবাৰী থানা, গড়মুৰ থানা, জেংৰাইমুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সকলৰ উপৰিও জিলা পৰ্যটন বিষয়া, অগ্নি সেৱা বিভাগ, আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়া কৰ্ম্মচাৰী, হোটেল, হোমষ্ট, ৰিৰ্জটৰ মালিক /স্বত্বাধিকাৰ সকল উপস্থিত থাকে। সভাৰ আৰম্ভণিতে উপ আৰক্ষী অধীক্ষক ৰাজীৱ শইকীয়াই সকলোকে আদৰনী জনায় সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। জিলা খনৰ বিভিন্ন স্থানত চলি থকা হোটেল, হোমষ্টে আৰু ৰিজৰ্ট সমূহৰ বৰ্তমান অৱস্থাৰ পৰ্যালোচনা, নিবন্ধ, লাইচেন্স আৰু আন আন আইনগত প্ৰয়োজনীয়তা সম্পৰ্কে পৰীক্ষা আৰু অনুপালন আদি অৱস্থাৰ পৰ্যালোচনা, সুৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থা ৰূপায়ণ যেনে- অতিথিৰ তথ্য সংৰক্ষণ আৰু চি চি টিভি স্থাপন কৰা, আৰক্ষী আৰু জিলা প্ৰশাসনৰে যথাযথ সমন্বয় নিশ্চিত কৰা, অবৈধ কাৰ্যকলাপ প্ৰতিহত কৰা আৰু আইন শৃংখলা ৰক্ষা কৰা, অংশীদাৰ সকলৰ সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহবান সমূহৰ ওপৰত পৰ্যালোচনা কৰা, দায়িত্বশীল আৰু টেকসই পৰ্যটন ব্যৱস্থা প্ৰচাৰ কৰা ইত্যাদি বিষয়ক লৈ আলোচনা ও ব্যৱস্থা গ্ৰহণ কৰা উদ্দেশ্য সভাখনি আহ্বান কৰাৰ হৈছে বুলি সভাক জানিবলৈ। বিষয় বস্তুৰ ওপৰত সংগতি ৰাখি জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়াই জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীৰ মহান পদক্ষেপক আদৰনি জনায় সকলো হোটেল, ৰিৰ্জট, হোমষ্টেৰ মালিক কতৃৰ্পক্ষক ট্ৰেড লাইচেন্স, পঞ্জীয়ন, পৰ্যটক অতিথিৰ তথ্য সংৰক্ষণ বাধ্যতামোলক, অপৰাধমূলক কাৰ্যকলাপ যাতে ৰোধ তথা চিনাক্তকৰণত সহায়ক হোৱাকৈ প্ৰতিখন হোটেল, হোমষ্টে, ৰিৰ্জটত আদিত; চি চি টিভি স্থাপন নিশ্চিত কৰ, আৰক্ষী প্ৰশাসনৰে সু সম্পৰ্ক বজায় ৰখা আদিৰ দিশক বিশেষ গুৰুত্ব প্ৰদান কৰি বক্তব্য প্ৰদান কৰে। জিলা পৰ্যটন বিষয়া, জিলা অগ্নি সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া, আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়া কৰ্মচাৰী, হোটেল, হোমষ্টে, ৰিৰ্জটৰ, মালিক/ স্বত্বাধিকাৰী সকলে জিলা আৰক্ষী প্ৰশাসনৰ পদক্ষেপক আদৰনি জনায় সভাত উল্লেখ কৰা বিষয় সমূহক কাৰ্যকৰি কৰাৰ আশ্বাস প্ৰদান কৰে। থানা সমূহৰ ভাৰপ্ৰাপ্ত বিষয়া সকলক নিজৰ নিজৰ এলেকাত থকা হোটেল, হোমষ্টে, ৰিৰ্জট আদিত উল্লিখিত বিষয় সমূহ যাতে কোনো কালেই ভংগ নহয় তাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে পৰামৰ্শ দিয়ে। জ্যেষ্ঠ আৰক্ষী অধী্ক্ষক গৰাকীৰ এনে প্ৰশংসনীয় পদক্ষেপক সচেতন মহলে আদৰনী জনায়। যাৰ দ্বাৰাই সত্ৰ নগৰী মাজুলীত আইন-শৃংখলা অটুট আৰু অবৈধ কাৰ্যকলাপ ৰোধৰ দিশ যথেষ্ট সহায়ক হ'ব।

# ২৬ এপ্ৰিলৰ পৰা মাজুলী মহাবিদ্যালয়ত দুদিনীয়া সজাগতা অনুষ্ঠান

## অনুষ্ঠিত হ'ব শিক্ষাৰ্থীৰ মাজত প্ৰতিযোগিতা, গণ সজাগতা সভা

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৃষ্ঠপোষকতাত 'জনকল্যাণৰ বাবে বিজ্ঞান' (SSW) আৰু মাজুলী মহাবিদ্যালয়ৰ যৌথ সহযোগত অহা ২৬ আৰু ২৭ এপ্ৰিল তাৰিখে দুদিনীয়াকৈ মাজুলী মহাবিদ্যালয়ত আয়োজন কৰা হৈছে এক বিশেষ সজাগতা অভিযানৰ। 'আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষা' বিষয় সম্পৰ্কীয় হ'বলগীয়া সজাগতা অভিযানত অনুষ্ঠিত হ'ব বহুকেইটা আকৰ্ষণীয় কাৰ্যসূচী। উদ্যোক্তাসকলে জনোৱা অনুসৰি প্ৰথম দিনা অৰ্থাৎ ২৬ এপ্ৰিল দেওবাৰে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ছবি আঁকা, আকস্মিক বক্তৃতা আৰু বিজ্ঞান আৰ্হি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। দ্বিতীয় দিনা অৰ্থাৎ ২৭ এপ্ৰিল তাৰিখে নিৰ্দিষ্ট বিষয়ক এখন মুকলি গণসজাগতা সভা অনুষ্ঠিত হ'ব। সেইদিনা মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই সভাত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, 'জনকল্যাণৰ বাবে বিজ্ঞান'ৰ সভাপতি ড° চন্দ্ৰ বৰুৱাকে মুখ্য কৰি মাজুলীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বীসকল, স্বেচ্ছাসেৱী তথা বেচৰকাৰী সংগঠনৰ সদস্যকে ধৰি প্ৰায় তিনি শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া আলোচনা সত্ৰত সমল ব্যক্তিৰূপে উপস্থিত থাকিব অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিষয়া কাণ্টেশ্বৰ কলিতা, অভিযন্তা অংকুৰণ পাঠক আৰু বিজ্ঞানী ডঃ অনুৰাধা গগৈ। আয়োজক সমিতিৰ হৈ ড° অনুপ কুমাৰ দলে আৰু আচাৰ্য মোহন দাসে সজাগতা অনুষ্ঠানটোত সকলোৰে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ কামনা কৰিছে।

**মাজুলীৰ পৰিৱেশকৰ্মী অতুল হাজৰিকা ব্যৱস্থাপনাত শ্ৰীশ্ৰী হৰিমন্দিৰ সন্মুখত গছপুলি ৰোপণ**

# মাজুলীত ৰাজস্থানৰ পৰিৱেশকৰ্মী তথা সমাজকৰ্মী পাপুৰাম চৌধুৰী

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** ৰাজস্থানৰ নাগৌৰৰ অহিংগাৰ ফাউণ্ডেশ্যনৰ প্ৰতিষ্ঠাতা আৰু এজন সুদক্ষ সহনশীল চাইক্লিষ্ট পাপুৰাম চৌধুৰী বৰ্তমান "শক্তি সংকল্প চফৰ" নামৰ এক অসাধাৰণ ৰাষ্ট্ৰীয় মিচনৰ নেতৃত্ব দি আছে। যি নেকি ২০২৩ চনৰ ২৫এপ্ৰিলত চাইকেলেৰে অভিযান আৰু কৰি ২৬খন ৰাজ্য আৰু ৬খন কেন্দ্ৰীয় শাসিত অঞ্চলত ৪৯০০০, কিলোমিটাৰ পথ অতিক্ৰম কৰি পৰিৱেশ ভাৰসাম্য তথা স্থিৰতাৰ হেতু গছপুলি ৰোপণ, যুৱ সৱলীকৰণ আৰু সামাজিক সজাগতাৰ বাবে নিজকে উৎসৰ্গিত কৰিছে। তেখেতে ইতিমধ্যে ৩২ হাজাৰ ৬০০গছপুলি ২৬খন ৰাজ্য আৰু ৬খন কেন্দ্ৰীয় শাসিত অঞ্চলত ৰোপণ কৰিছে। ১লাখ গছপুলি লক্ষ্য লৈ ৰোপণৰ শেষত পাপুৰাম চৌধুৰীয়ে পৃথিৱীৰ সৰ্বোচ্চ বিন্দু মাউণ্ট এভাৰেষ্ট শীৰ্ষত আৰোহণ কৰি এই প্ৰচেষ্টাৰ শীৰ্ষত উপনীত কৰাৰ লক্ষ্য লৈছে। যিয়ে পৰিৱেশ দায়বদ্ধতা আৰু ৰাষ্ট্ৰীয় বাৰ্তা কঢ়িয়াই নিব। আজি পৰিৱেশ কৰ্মী পাপুৰাম চৌধুৰী মাজুলীত উপস্থিত হয়। আজি মাজুলীৰ কমলাবাৰী মাৰোৱাৰী সম্প্ৰদায়ৰ শ্ৰীশ্ৰী সত্যনাৰায়ণ ঠাকুৰবাৰীত সম্পাদক ৰমেশ কোঠাৰী, উপদেষ্টা মনোহৰ ব্যাস, সদস্য মনোজ শৰ্মা লগত যোগাযোগ কৰি মাজুলীত এটি গছপুলি ৰোপণৰ অভিপ্ৰায় অৱগত কৰে। মাৰোৱাৰী সম্প্ৰদায়ে মাজুলীৰ এগৰাকী প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাৰ লগত আলোচনাৰ শেষত হাজৰিকাৰ সহযোগত আৰু শ্ৰীশ্ৰী সত্যনাৰায়ণ মন্দিৰ আৰু হৰিমন্দিৰ সদস্য সকলৰ উপস্থিতিত মন্দিৰৰ সন্মুখত এটি বকুল গছৰ পুলি ৰোপণ কৰে। সত্ৰিয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ দৰে এখন ভূমি লগতে মন্দিৰৰ সন্মুখত এটি গছপুলি ৰোপণ কৰিবলৈ পাই তেওঁ অত্যন্ত আহ্লাদিত হৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীশ্ৰী সত্যনাৰায়ণ ঠাকুৰবাৰীত সম্পাদক, উপেদেষ্টা সহ কমিটিৰ তৰফৰ পৰা পাপুৰাম চৌধুৰীক এখন ফুলাম গামোচাৰে অভিনন্দন জনায়। উপদেষ্টা মনোহৰ ব্যাস আৰু অতুল হাজৰিকাইও ব্যক্তিগত ভাৱে তেওক ফুলাম গামোচাৰে অভিনন্দন জনায়। শেষত মাৰোৱাৰী সম্প্ৰদায়ৰ তৰফৰ পৰাও পৰিৱেশ কৰ্মী অতুল হাজৰিকাক তেখেতে অনাগত দিনবোৰত পৰিৱেশনৰ হৈ যি সেৱা আগবঢ়াই আহিছে তাৰ কাৰণে হাজৰিকা দেৱকো আন্তৰিক অভিনন্দন জনায়। পৰিৱেশ কৰ্মী পাপুৰাম চৌধুৰী আৰু মাজুলীৰ অতুল হাজৰিকাই কমলাবাৰী সত্যনাৰায়ণ ঠাকুৰবাৰী মন্দিৰ আৰু হৰিমন্দিৰ প্ৰাংগনত গছপুলি ৰোপণ কৰে।

# পুনৰ বহিঃ ৰাজ্যলৈ কৰ্মসূত্ৰে গৈ চলন্ত ট্ৰেইনতে মৃত্যুক আকোঁৱালি ল'লে নাহৰকটীয়াৰ আচাবাম চাহ বাগিচাৰ যুৱকে

**অসম বাৰ্তা, নাহৰকটীয়া, ২৫ এপ্ৰিল ঃ** দৈনিক বৃদ্ধি পাইছে অসমৰ পৰা বহিঃ ৰাজ্যলৈ কৰ্মসূত্ৰে যোৱা ব্যক্তিৰ মৃত্যুৰ হাৰ। যোৱা ১৭/৪/২৬ তাৰিখে কৰ্মৰ সন্ধানত চেন্নাইলৈ বুলি ৰাওনা হৈছিল নাহৰকটীয়া আচাবাম চাহ বাগিচাৰ তিনিজন ব্যক্তি। তিনিওজনৰ ভিতৰত জীতেন মূঢ়া নামৰ ব্যক্তিজন হঠাৎ চলন্ত ট্ৰেইনৰ ভিতৰতে অসুস্থ হৈ পৰে। লগৰ দুজন ক্ৰমে মহেন্দ্ৰ টান্দীয়া আৰু সঞ্জীত গড়ে ৰে'ল কৰ্তৃপক্ষক যোগাযোগ কৰে যদিও দুৰ্ভাগ্যজনক ভাৱে ১৯/৪/২৬ তাৰিখে মৃত্যু হয় জীতেন মূঢ়া। খবৰটো বিয়পি পৰাৰ লগে-লগে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত ঘৃণাই পঞ্চায়তৰ সভাপতি বিশাল মাহালী তৎপৰতাত আজি তামিলনাডুৰ প্ৰেমবৰ ৰে'লৰে ষ্টেচন কৰ্তৃপক্ষ সহযোগত, শ্ৰদ্ধাঞ্জলি প'ৰ্টেলৰ জৰিয়তে স্বগৃহলৈ আনে শ্ৰমিক জীতেন মূঢ়াৰ মৃতদেহ। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল জীতেন মূঢ়া নামৰ ৩৫ বছৰীয়া ব্যক্তিজন। জীতেন মূঢ়াৰ মৃত্যুৰে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলোৱাৰ লগতে শোকত ভাগি পৰিছে তিনি সন্তান আৰু পত্নী। তদুপৰি তেখেতৰ লগতে যোৱা মহেন্দ্ৰ টান্দীয়া নামৰ ৩৭ বছৰীয়া ব্যক্তিজন বৰ্তমানো সন্ধানহীন হৈ আছে বুলি অৱগত কৰে পৰিয়ালৰ লোকে।

## চোৰে লুটিলে নগদ ধনসহ কেইবালাখ টকাৰ সম্পত্তি

# চামগুৰিৰ খাটোৱালত চুৰিকাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ এপ্ৰিল ঃ** নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত দিনকদিনে বৃদ্ধি পাইছে চুৰি কাণ্ডৰ ঘটনা। চোৰৰ উপদ্ৰৱত গাঁও সমূহৰ ৰাইজে ঘৰ এৰিব নোৱাৰা অৱস্থা হৈছে বুলি অভিযোগ উঠিছে। যোৱা নিশা খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত খাটোৱাল গাঁৱৰ এজন লোকৰ ঘৰত এটা চোৰৰ দলে প্ৰৱেশ কৰি চুৰিকাণ্ড সংঘটিত কৰি সোণ আৰু ৰূপৰ আ-অলংকাৰৰ লগতে নগদ ধন লুটি নিয়া অভিযোগ উঠিছে। জানিব পৰা মতে, খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত খাটোৱাল গাঁৱৰ ডিম্বেশ্বৰ ডেকা নামৰ লোকজনৰ ঘৰত কোনো নথকাৰ সুবিধা গ্ৰহণ কৰি যোৱা নিশা এটা চোৰৰ দলে প্ৰৱেশ কৰে। পৰৱৰ্তী সময়ত চোৰৰ দলটোৱে ঘৰৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি আলমাৰি ভাঙি কেইবালাখ টকাৰ সোণ আৰু ৰূপৰ আ-অলংকাৰৰ লগতে নগদ ধন লৈ উধাও হয় বুলি অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ উক্ত চুৰিকাণ্ডৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

## সম্পাদকীয়

# ঠিকা শিক্ষক প্ৰত্যাহাৰ ঃ শিক্ষা বিভাগৰ অবিবেচক সিদ্ধান্ত, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত

অসমৰ উচ্চ শিক্ষা বিভাগে ৰাজ্যৰ চৰকাৰী মহাবিদ্যালয়সমূহত কৰ্মৰত ঠিকা ভিত্তিক (Contractual) শিক্ষক-কৰ্মচাৰীসকলক প্ৰত্যাহাৰ কৰিবলৈ দিয়া নিৰ্দেশে এক বৃহৎ চাকৰি সংকটৰ সূচনা কৰিছে। এই সিদ্ধান্তৰ ফলত শ শ শিক্ষক-কৰ্মচাৰীয়ে নিজৰ কৰ্মস্থলী হেৰুওৱাৰ আশংকাই নহয়, সমগ্ৰ ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থাই যেন এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ওলাইছে। শিক্ষা বিভাগৰ এই হঠকাৰী আৰু অমূলক সিদ্ধান্তই ছাত্ৰ-ছাত্ৰীৰ জীৱন লৈ এক প্ৰকাৰ হেতালি খেলিছে বুলি ক'লে অত্যুক্তি নহয়।

প্ৰথমেই প্ৰশ্ন উঠে— পৰ্যাপ্ত স্থায়ী শিক্ষকৰ অভাৱ কোনে পূৰাব? ৰাজ্যৰ প্ৰায়বোৰ চৰকাৰী মহাবিদ্যালয়তে স্থায়ী শিক্ষকৰ সংখ্যা নিতান্তই নগণ্য। পাঠদানৰ মূল ভাৰ বহন কৰি আছে ঠিকা ভিত্তিক আৰু অতিথি শিক্ষকসকলেই। তেওঁলোকৰ প্ৰত্যাহাৰে মহাবিদ্যালয়সমূহত শিক্ষাদান প্ৰায় অসম্ভৱ কৰি তুলিব। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনা স্থবিৰ হৈ পৰিব। ইতিমধ্যে যোৱা বছৰ ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিক সমূহত কৰ্মৰত ৪৫১ গৰাকী ঠিকা ভিত্তিক আৰু অতিথি শিক্ষকক চাকৰিৰ পৰা চাটাই কৰা হৈছিল। সেই দৃষ্টান্তই জাগাই থকা সতৰ্কবাণীক আজি উচ্চ শিক্ষা বিভাগে অৱহেলা কৰিলে। আনফালে, অসম কলেজ শিক্ষক সন্থাই এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা জনাইছে। সন্থাৰ মতে, ঠিকা শিক্ষকসকল দীৰ্ঘদিন ধৰি নিয়মীয়া পাঠদানৰ লগত জড়িত আৰু তেওঁলোকৰ অনেক অভিজ্ঞতা আছে। অকস্মাৎ এই প্ৰত্যাহাৰে শিক্ষা ব্যৱস্থাত শূন্যতা সৃষ্টি কৰিব। তদুপৰি, বহু শিক্ষকে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে এই চাকৰিৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোক হঠাৎ বেকাৰ হৈ পৰিব।

সাধাৰণ মানুহৰ মনতো এই সিদ্ধান্তক লৈ সন্দেহৰ উন্মেষ ঘটিছে। প্ৰশ্ন উঠিছে— চৰকাৰে যদি সঁচাকৈয়ে শিক্ষাৰ মান উন্নত কৰিব বিচাৰে, তেন্তে স্থায়ী শিক্ষক নিযুক্তি দিয়ক। কিন্তু স্থায়ী নিযুক্তি নিদিয়াকৈ ঠিকা শিক্ষকক প্ৰত্যাহাৰ কৰাটো যুক্তিসংগত নহয়। লগতে, এই সিদ্ধান্তৰ পিছত মহাবিদ্যালয়বোৰ কি ভাৱে চলিব? ছাত্ৰ-ছাত্ৰীসকলে কেনে পৰিৱেশত শিক্ষাগ্ৰহণ কৰিব? এই প্ৰশ্নবোৰৰ কোনো জবাব শিক্ষা বিভাগৰ হতুৱাই নাই। বৰঞ্চ, এনে কৰ্মকাণ্ডে শিক্ষা বিভাগৰ নিষ্ঠা আৰু দূৰদৰ্শিতাৰ ওপৰতে সন্দেহৰ ছাঁ পেলাইছে।

ইয়াত আটাইতকৈ দুখজনক বিষয়টো হৈছে, যে এই সিদ্ধান্তৰ জোখ-মাখ নাই। এনেকৈ অকস্মাৎ নিৰ্দেশ জাৰি কৰি শিক্ষকসকলক পথৰ মুখামুখি কৰাটো অতি নিষ্ঠুৰ। চৰকাৰৰ যদি প্ৰকৃতাৰ্থত স্থায়ী শিক্ষক নিযুক্তি দিয়াৰ ক্ষমতা আছে, তেন্তে তেনে কৰক। কিন্তু যথেষ্ট সময় লৈ, শিক্ষানুষ্ঠানবোৰক প্ৰস্তুত কৰি, ঠিকা শিক্ষকসকলক অন্ততঃ কিছু সময়ৰ পূৰ্বসূচী দি অপসাৰণ কৰক। কিন্তু বৰ্তমানৰ সিদ্ধান্তটো অতি স্পষ্টভাৱে অবিবেচক আৰু অকাল্পনিক।

শেষত ক'ব লাগিব, যে শিক্ষা ব্যৱস্থা এটা দেশ বা ৰাজ্যৰ মেৰুদণ্ড। ইয়াত চাকৰি-বাকৰিৰ খেল নহয়, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জড়িত হৈ থাকে। উচ্চ শিক্ষা বিভাগে পুনৰবাৰ এই সিদ্ধান্ত পুনৰীক্ষণ কৰি শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি যুক্তিসংগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰখা যায়। অন্যথা, এই সিদ্ধান্ত অসমৰ উচ্চ শিক্ষাৰ বাবে এক কৃষ্ণ অধ্যায় হিচাপে চিহ্নিত হৈ থাকিব।



ব'হাগ বিহু অসমীয়াৰ সাত বিহু বুলি কোৱা হয় যদিও মিচিংসকলে বিশেষকৈ গৰু বিহুৰ দিনা অতি উলহ-মালহেৰে পালন কৰা দেখা যায় আৰু মানুহ বিহুৰ দিনাখনত জীঁ-জোঁৱাইসকলে মাতৃ গৃহলৈ আহি পূৰ্বপুৰুষ ককা-আইতা, পিতৃ-মাতৃক সেৱা জনোৱা দেখা যায়। মিচিংসকলে সাত বিহু মনা নাযায়। পূৰ্বতে ৰাজহুৱাকৈ ঘৰে ঘৰে গৈ হুঁচৰি গোৱা কাৰ্য সম্পন্ন কৰিছিল যদিও আজিকালি এই কাৰ্যও লাহে লাহে নোহোৱা হৈ পৰিছে যদিও ৰীতি-নীতি মতে যিদৰে ব'হাগীক ধৰাৰ বুকুলৈ মাতি আদৰি অনা কাৰ্য সমাপন কৰিছিল ঠিক সেইদৰেই ব'হাগ বিহুক উৰুৱাই দিয়া অৰ্থাৎ মৰতলৈ পঠাই দিয়া কাৰ্যও সমাপনৰ নিয়ম মিচিং সমাজত প্ৰচলিত। ইয়াক বিহু উৰুৱা বুলি কোৱা হয়। এই কাৰ্যত পাঁৰৰ সিমূৰত এডাল গছ কাটি গুঁজি দিয়া হয়। আৰু সকলো ৰাইজ বিশেষকৈ ডেকা-গাভৰুহঁতে বিভিন্ন ধৰণৰ ফুল সংগ্ৰহ কৰি মালা গঁথা হয় আৰু এই গছজোপাত ওলমাই দি ৰঙালী আইক বিদায় দিয়া হয়।

# তিনি বিহু পালনত মিচিং জনগোষ্ঠী

**হৰেন কপ্তাক**

অসমত বসবাস কৰা দ্বিতীয় বৃহৎ জনজাতি জনগোষ্ঠী মিচিংসকলৰ সুকীয়া কৃষিভিত্তিক স্বকীয় উৎসৱ হ'ল আলি-আঃয়ে লৃগাং। ইয়াৰ সমান্তৰালভাৱে অসমীয়াৰ তিনি বিহুকো পালন কৰি আহিছে। তাৰ ভিতৰত এক অন্যতম হ'ল ব'হাগ বিহু। মিচিং লোকসকলে ব'হাগ বিহুৰ বাবে কিদৰে প্ৰস্তুতি চলায় তাৰ এটি সংক্ষিপ্ত বিৱৰণ দাঙি ধৰা হ'ল।

**বিহু আদৰণি পৰ্ব ঃ** উত্তৰ অসমত বসবাস কৰা বিশেষকৈ দক্ষিণ পাৰৰ দলপানি আৰু দিচাংমুখৰপৰা উত্তৰলৈ প্ৰব্ৰজিত মিচিং লোকসকলে ব'হাগ বিহুৰ প্ৰায় এসপ্তাহ বা দহ দিন থাকোঁতেই সুবিধা অনুসৰি ব'হাগ বিহু আদৰি অনা কাৰ্য গাঁৱে গাঁৱে অনুষ্ঠিত কৰা হয়। ইয়াক বিহুনমোৱা পৰ্ব বুলি কোৱা হয়। এই কাৰ্যত হুঁচৰি গোৱা এগৰাকী নামতিক ৰাজহুৱাকৈ নিয়োগ কৰা হয়। বিহুনমোৱা পৰ্বত গাঁৱৰ যুৱতী বা নাচনীসকলে বগা সাজ পৰিধান কৰি পৱিত্ৰ মনেৰে অংশগ্ৰহণ কৰাৰ নিয়ম। যাতে ৰঙালী আই ধৰাৰ বুকুলৈ সুখ, সমৃদ্ধি কঢ়িয়াই আনে তাৰে লোকবিশ্বাস ৰাখি ৰাতি হুঁচৰি গাই বিহু নমোৱা কাৰ্য অনুষ্ঠিত কৰা হয়।

**হুঁচৰি গোৱা কাৰ্য ঃ** প্ৰথমতে নামতীগৰাকীৰ বাবে এখন ক'লা ৰঙৰ ছাতিৰ প্ৰয়োজন হয়। ছাতিখন মেলি নামতিগৰাকীয়ে হুঁচৰি গায়। কিন্তু হুঁচৰি গোৱা প্ৰথাও মন কৰিবলগীয়া। যিহেতু ৰঙালী আইক মৰতৰপৰা ধৰালৈ মাতি অনা হয়, সেয়েহে পোন প্ৰথমেই এইদৰে হুঁচৰি আৰম্ভ কৰা হয়-কেৰেলা অ'/বেঙেনা অ'/বিহুৰে বতৰে আইনা অ'...। ইয়াৰ পিছতহে যিখিনি অসমীয়াত হুঁচৰি গীত আছে ক্ৰমান্বয়ে গাই যাব পাৰে। হুঁচৰি নৃত্য কৰাৰ ভংগিমাও সম্পূৰ্ণ পৃথক। যুৱক-যুৱতীসকলে ইটোৱে সিটোক হাতে হাত ধৰি "আছতি ঐ গাং গাং ঐ মাজন ঘৰতে গাং...। এইদৰে গোৱা হয়।

**গৰুৰ নতুন পঘাৰ প্ৰস্তুত প্ৰণালী ঃ** গৰখীয়াসকলৰ মন এপযেক মানৰ আগৰপৰাই ব'হাগলৈ বুলি অধিক উৎসুকতা হৈ থাকে। গৰু বিহুৰ দিনা গৰুৰ ডিঙিত এডাল নতুন পঘাৰ মালা পিন্ধোৱাৰ বাবে দল বান্ধি হাবি বা পাহাৰৰপৰা তৰা গছৰ চাল নিবলৈ যোৱা পৰ্ব সৰ্বজন বিদিত। যাক বুমচেৰ চেৰনাম বুলি কোৱা হয়। তাবুম্দআতচেৰঞ্চবুমচেৰ, অৰ্থাৎ তৰা গছৰ বাকলি বকলিয়াই অনা কাৰ্য। ইয়াক প্ৰথমতে সৰু সৰু কৰি মিহিকৈ কটা হয় আৰু দুই এক দিন ৰ'দত শুকুৱাই তৰাৰ পঘা প্ৰস্তুত কৰা হয়। গৰু বিহুৰ দিনাখন এই তৰা পঘা বা বুমচেৰ গৰুৰ ডিঙিত পিন্ধাব নাপালে গৃহস্থই নিজকে নিজেই দুখি দুখি অনুভৱ কৰে। ঘৰত যিমানটা গৰু থাকে গোটেইবোৰৰ বাবে একোডালকৈ তৰা পঘা প্ৰস্তুত কৰা হয়।

**গৰু বিহুৰ দিনা ঃ** ৰাতিপুৱাতেই উঠি গৰুক গা ধুওৱাৰ নিয়ম মিচিংসকলৰ মাজতো প্ৰচলিত। ইয়াৰ পিছত সমূহীয়াভাৱে নদীৰ পাৰত বা মুকলি পথাৰত প্ৰস্তুত কৰি থোৱা চাক আদিৰে সকলোৱে একেলগে সেৱা জনাই গৰুৰ গাত দলিওৱা হয়। লাও খা, বেঙেনা খা, দিনে দিনে বাঢ়ি যা এইদৰে নকৈ অন্য ধৰণে কৈ গৰুৰ গাত দলিয়ায়। এই শ্লোকবিধক এইদৰে কোৱা হয়-লাওৰ দৰে শকত হোৱা, বেঙেনা, কেৰেলা টেকেৰাৰ দৰে শকত হোৱা বুলি গাই গাই গৰুৰ গাত দলিয়ায়। আবেলি পৰতহে গৰুক ডিঙিত তৰাৰ পঘা পিন্ধোৱা নিয়ম প্ৰচলিত। আবেলি সময়ৰপৰা গাঁৱৰ ৰাইজেও ৰাজহুৱা সভাৰ যোগেদি হুঁচৰি গোৱাৰ সিদ্ধান্ত লয়। ইয়াক দঃলুং মৰজাদ বুলি কোৱা হয়। এই মৰজাদত ঘৰে ঘৰে হুঁচৰি গোৱাৰ বাবদ কিমান টকাকৈ লোৱা হ'ব তাৰ দাম দৰ আদিও নিৰ্ধাৰণ কৰা হয়।

**নামঘৰত সেৱা ঃ** অনামিচিং লোকসকলে নামঘৰত মাহ প্ৰসাদ আদিৰে সকাম নিকাম পৰ্ব সম্পন্ন কৰা হয় যদিও মিচিংসকলে বিহুৰ দিনা ঘৰে ঘৰে যি পাৰে পানীয় খাদ্য আপং, পিঠা সান্দহ আদি লগত লৈ গৈ বছৰেকীয়া বিহু সকামত ভাগ লয়। ইয়াৰ পিছত দহ পোন্ধৰ দিনৰ মূৰত পাল নাম সেৱা অনুষ্ঠিত কৰা হয়।

**পিঠা পনা প্ৰস্তুত প্ৰণালী ঃ** বিহুৰ সময়ত মিচিংসকলেও পিঠা পনা সান্দহ আদি প্ৰস্তুত কৰা দেখা যায় যদিও অলেখ ধৰণৰ পিঠা প্ৰস্তুত কৰা দেখা নাযায়। সান্দহ খুন্দি আৰু এবিধহে পিঠা বনোৱা দেখা যায়। সান্দহ গুড়িক মিচিঙত আম্বুগ্ বুলি কোৱা হয়। পুৱাতেই ঘৰৰ গৃহস্থই গা-পা ধুই পূৰ্বপুৰুষক সাক্ষী কৰি আলহী অতিথিক আপ্যায়নৰ বাবে বিহু খাদ্য প্ৰস্তুত কৰে আৰু ইঘৰ সিঘৰ স্ফুৰ্তিৰে ৰং ৰইচৰে আপ্যায়নৰ পৰ্ব চলে।

**ব'হাগ বিহুৰ সামৰণি ঃ** ব'হাগ বিহু অসমীয়াৰ সাত বিহু বুলি কোৱা হয় যদিও মিচিংসকলে বিশেষকৈ গৰু বিহুৰ দিনা অতি উলহ-মালহেৰে পালন কৰা দেখা যায় আৰু মানুহ বিহুৰ দিনাখনত জীঁ-জোঁৱাইসকলে মাতৃ গৃহলৈ আহি পূৰ্বপুৰুষ ককা-আইতা, পিতৃ-মাতৃক সেৱা জনোৱা দেখা যায়। মিচিংসকলে সাত বিহু মনা নাযায়। পূৰ্বতে ৰাজহুৱাকৈ ঘৰে ঘৰে গৈ হুঁচৰি গোৱা কাৰ্য সম্পন্ন কৰিছিল যদিও আজিকালি এই কাৰ্যও লাহে লাহে নোহোৱা হৈ পৰিছে যদিও ৰীতি-নীতি মতে যিদৰে ব'হাগীক ধৰাৰ বুকুলৈ মাতি আদৰি অনা কাৰ্য সমাপন কৰিছিল ঠিক সেইদৰেই ব'হাগ বিহুক উৰুৱাই দিয়া অৰ্থাৎ মৰতলৈ পঠাই দিয়া কাৰ্যও সমাপনৰ নিয়ম মিচিং সমাজত প্ৰচলিত। ইয়াক বিহু উৰুৱা বুলি কোৱা হয়। এই কাৰ্যত পাঁৰৰ সিমূৰত এডাল গছ কাটি গুঁজি দিয়া হয়। আৰু সকলো ৰাইজ বিশেষকৈ ডেকা-গাভৰুহঁতে বিভিন্ন ধৰণৰ ফুল সংগ্ৰহ কৰি মালা গঁথা হয় আৰু এই গছজোপাত ওলমাই দি ৰঙালী আইক বিদায় দিয়া হয়। এনে নকৰিলে যেন বছৰটো টোপনিয়ে লগ নেৰা হয় আৰু ভিন্ন ৰোগে পীড়া কৰিব পাৰে বুলি বিশ্বাস কৰা হয়। সেয়েহে এই বিহু উৰুৱা কাৰ্যত অংশগ্ৰহণৰ নিয়ম সৰ্বজনবিদিত।

**বিহু উৰুৱা কাৰ্যৰ নিয়ম প্ৰণালী ঃ** গাঁৱৰ সিটো মূৰত মুকলি ঠাইত এজোপা গছৰ ডাল কাটি ৰুই দিয়া হয়। গাঁৱৰ সকলো যুৱক-যুৱতী আহি ফুলৰ মালা গঁথা হয়। আৰু পাঁচবাৰ চক্ৰ সদৃশ ৰূপত গোলাকৃতিৰে বিহু হুঁচৰি জোৰে। নামতিগৰাকীয়ে বিহু আদৰণিৰ সময়ত যিদৰে মাতি আনি হুঁচৰি গাইছিল ঠিক সেইদৰে বিদায়ী নিশাত ব'হাগীক বিদায় দিয়াৰ শ্লোক ফাঁকিৰে এইদৰে হুঁচৰি গীত জোৰে-কেৰেলা অ'/বেঙেনা অ'/বিহুৰে বতৰে যাইনা অ'। যাইনা মানে যোৱাগৈ বুলি পঠিয়াই দিয়া কাৰ্য। সেইদৰেই মিচিং জনগোষ্ঠীয় লোকসকলে অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুটিক পালন কৰা দেখা যায় যদিও ঠাই বিশেষে কিছু সুকীয়া হ'বও পাৰে।

**মাঘ বিহু পালনত মিচিং জনগোষ্ঠী ঃ**

অসমত বসবাস কৰা সকলো জনগোষ্ঠীয় লোকে যিদৰে ভোগৰ উৎসৱ ভোগালী বা মাঘ বিহু পালন কৰা হয় ইয়াৰ সমান্তৰালকৈ মিচিংসকলেও ভোগালী বিহু পালন কৰা দেখা যায়। উৰুকা দিনা সমূহীয়াকৈ প্ৰকাণ্ড ওখ এজোৰ মেজি সজা হয়। অন্য জনগোষ্ঠীয় লোকে প্ৰতি ঘৰে সৰুকৈ হলেও নিজাকৈ ভেলা ঘৰ সাজি মেজি সজোৱা দেখা যায়। কিন্তু মিচিং জনগোষ্ঠীয় লোকসকলে গাঁৱৰ সিটো মূৰৰ নদী পাৰত গাঁৱৰ সকলো ৰাইজ মিলিত হৈ মাত্ৰ এযোৰহে মেজি সজোৱাৰ নিয়ম প্ৰচলিত। সামৰ্থ্য আছে বুলি ঘৰে ঘৰে ভেলা ঘৰ বা মেজি নিৰ্মাণ কৰা নহয়। দিচাংপৰীয়া লোকসকলে ভোগালীৰ উৰুকা দিনা গাঁৱৰ যুৱক-যুৱতীসকলক লৈ বগা সাজ পৰিধান কৰি মেজিৰ তলত পাঁচবাৰ বৃত্তাকাৰে ঘূৰি ঢোলে-ডগৰে নৃত্য গীত কৰি ভোগালীক সেৱা জনায়। বিহুৰ দিনা মেজি জ্বলোৱাৰ আগতেই পুনৰ কাহিলি পুৱাতেই উঠি অনুৰূপ ধৰণেই মেজি তলত পাঁচ বাৰ বৃত্তাকাৰে ঘূৰি নৃত্য কৰি সেৱা জনোৱাৰ পাছতহে মেজি জ্বলোৱা পৰ্ব প্ৰচলিত। ঠাই বিশেষে এই নৃত্যৰ প্ৰচলন নাই। নতুনকৈ বিবাহ সূত্ৰে বাহিৰলৈ বিয়া হোৱা গাঁৱৰ জী-জোঁৱাইসকলে আহি পুৱা মেজি বা ৰাইজক সেৱা কৰাৰ নিয়ম প্ৰচলিত। মেজি জ্বলোৱাৰ আগত এক বিৰল দৃশ্য দেখিবলৈ পোৱা যায়। মেজি নিৰ্মাণ কৰোঁতে পূবা পশ্চিমাকৈ এজোৰ মেজি সজোৱা হয়। ইয়াক পুৰুষ আৰু স্ত্ৰী হিচাপে ৰাখি পশ্চিম দিশত থকা মেজিত খেৰ গুঁজি দিয়া হয়। মেজি জুই দিওঁতে কেৱল বিবাহ পাশত নুসোমুৱা এগৰাকী ডেকা ল'ৰাক মেজি জ্বলোৱা পৰ্ব শুভাৰম্ভ কৰিবলৈ দিয়া হয়। জ্বলোৱাৰ ঠিক আগমুহূৰ্তত কণ কণ শিশুসকলে স্ত্ৰী হিচাপে ৰখা পশ্চিম দিশৰ মেজিৰপৰা গুঁজি দিয়া ধানৰ খেৰবোৰ টানি টানি সযতনে ৰাখি ঘৰলৈ আনে। লোকবিশ্বাস অনুসৰি এই মেজিৰ খেৰ ফল ধৰা গছবোৰত যেনে- আম, জামু, কঁঠাল, লিচু, নাৰিকল ইত্যাদি ধৰণৰ গছবোৰত মেৰিয়াই বান্ধি দিব লাগে। এনে নকৰিলে যেন বছৰটোত গছে ফল নধৰে বুলি এক লোকবিশ্বাস মিচিং সমাজত প্ৰচলিত। ব'হাগ বিহুৰ দিনা যিদৰে গৃহস্থৰ ৰীতি নীতি থাকে ঠিক সেইদৰেই মাঘ বিহুৰ দিনাও ৰীতি নীতিৰে মিচিংসকলে মাঘ বিহু পালন কৰা হয়।

**কাতি বিহু পালনত মিচিং জনগোষ্ঠী ঃ** অসমীয়াৰ তিনি বিহুৰ ভিতৰত আটাইতকৈ কঙালী বিহু বুলি ধৰা কাতি বিহুটিকো মিচিং জনগোষ্ঠীয় লোকসকলে পালন কৰা দেখা যায়। কাতি বিহুৰ দিনা অন্য জনগোষ্ঠীৰ লোকসকলে যিদৰে তুলসী গছ ৰুই তুলসীৰ তলত চাকি বন্তি জ্বলোৱা হয় ঠিক সেইদৰে মিচিংসকলে তুলসী গছ ৰোপণ কৰা নিয়ম দেখা পোৱা নাযায়। সম্প্ৰতি কোনো কোনো লোকে তুলসী তলত চাকি বন্তি জ্বলাই কাতি বিহু পালন কৰা কাৰ্যও দেখিবলৈ পোৱা যায়। মিচিংসকলে কাতি বিহুটিক কোনো কোনো ঠাইত জালুক মুতকাদ্ বুলিও কোৱা হয়। এই বিহুৰ দিনা আবেলি পৰত ঘৰৰ গৃহস্থই বগা সাজ পৰিধান কৰি হাতত কেইটামান জালুক লগত লৈ ধাননী পথাৰলৈ চাকি শলিতা তেল লৈ যোৱা দেখিবলৈ পোৱা যায়। ৰীতি মতে শালি ধানৰ পথাৰত চাকি জ্বলাই বছৰটোৰ ভাত মুঠি পাবলৈ শস্য ভাল হওক কোনো পোক পতংগই শস্য নষ্ট কৰিব নোৱাৰে তাৰ বাবে লক্ষ্মীক সাক্ষী হিচাপে লৈ চাকি বন্তি জ্বলায় আৰু লগত লৈ অনা জালুকৰ গুটিক শালি ধানৰ পাতৰ ফাঁকে ফাঁকে গুঁজি দিয়া হয়। লোকবিশ্বাস মতে জালুকৰ গুটি যিদৰে মসৃণ গোট মাৰি গছত ডাল ভৰি থাকে ঠিক সেইদৰেই সোণ গুটি ধাননিও ডাল ভৰি পতান নহৈ গুটি হ'বলৈ মনোকামনা কৰি আৰু কোনো শস্য নষ্ট কৰিবপৰা পোক পৰুৱা ধবংস কৰিব নোৱাৰে তাৰ বাবে নৈবেদ্য আগবঢ়ায়। কাতি বিহুৰ দিনা ধান পাতত জালুকৰ গুটি গুঁজি দিয়া হেতুকে কাতি বিহুক কোনো কোনো অঞ্চলত 'জালুক মুতকাদ্' বুলিও কোৱা হয়। ইয়াৰ পাছত পথাৰৰপৰা উভতি আহি লগ সমনীয়াৰ সৈতে ঘৰত যতনাই ৰখা পানীয় খাদ্যৰে সামৰ্থ্য অনুসৰি আপং এবাতিৰে সমনীয়াক আপ্যায়িত কৰা হয়। অন্য বিহুৰ দৰে কিন্তু কাতি বিহুত অধিক জাক-জমকতা, খাদ্যৰ প্ৰয়োভৰ দেখা পোৱা নাযায়। সেইদৰেই মিচিংসকলে অসমীয়াৰ তিনি বিহু পালন কৰা দেখা পোৱা যায়। কিন্তু ঠাই বিশেষে মিচিংসকলৰ মাজতো কিছু বিহু পালনৰ নিয়ম সুকীয়া সুকীয়া হ'বও পাৰে।

# সমষ্টি পুনঃনিৰ্ধাৰণৰ অনিশ্চয়তাৰ মাজত মহিলা সংৰক্ষণৰ ভৱিষ্যত

**চন্দন কুমাৰ নাথ**

গণতন্ত্ৰৰ মূল আধাৰ হৈছে সমতা আৰু প্ৰতিনিধিত্ব। এখন সুস্থ আৰু সবল গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সমান ৰাজনৈতিক অংশগ্ৰহণ অপৰিহাৰ্য। কিন্তু পৰিতাপৰ বিষয় যে ভাৰতবৰ্ষৰ দৰে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ এখনত আজিও ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ অংশগ্ৰহণ আশানুৰূপ নহয়। এই বৈষম্য দূৰ কৰাৰ উদ্দেশ্যে ভাৰতীয় সংসদে শেহতীয়াকৈ 'নাৰী শক্তি বন্দন অধিনিয়ম' অৰ্থাৎ মহিলা সংৰক্ষণ বিধেয়কখন গৃহীত হোৱাটো নিশ্চিতভাৱে এক ঐতিহাসিক আৰু যুগান্তকাৰী পদক্ষেপ। লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা এই বিধেয়কখনে দেশৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি কৰাৰ সম্ভাৱনা কঢ়িয়াই আনিছে। পিছে, এই বিধেয়কখন আইনত পৰিণত হোৱাৰ পাছতো এক গভীৰ বিতৰ্কৰ সূত্ৰপাত হৈছে, যাৰ মূল কাৰণ হৈছে এই আইনখন কাৰ্যকৰী কৰাৰ লগত সাঙুৰি দিয়া দুটা জটিল চৰ্ত-লোকপিয়ল আৰু সমষ্টি পুনৰ্নিৰ্ধাৰণ।

মহিলা সংৰক্ষণ বিধেয়কখন গৃহীত হোৱাৰ লগে লগে সমগ্ৰ দেশতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছিল যদিও, ৰাজনৈতিক বিশ্লেষক আৰু সচেতন মহলৰ মাজত ইয়াৰ কাৰ্যকৰীকৰণৰ সময়সীমাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আইনখনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে এই সংৰক্ষণ ব্যৱস্থা কেৱল পৰৱৰ্তী লোকপিয়ল সম্পূৰ্ণ হোৱাৰ পিছত আৰু তাৰ আধাৰত সমগ্ৰ দেশত সমষ্টি পুনৰ্নিৰ্ধাৰণৰ কাম সম্পন্ন হোৱাৰ পাছতহে প্ৰযোজ্য হ'ব। ক'ভিড মহামাৰীৰ বাবে ২০২১ চনৰ লোকপিয়ল আজি পৰ্যন্ত সম্পন্ন হোৱা নাই আৰু ই কেতিয়া সম্পূৰ্ণ হ'ব তাৰ কোনো নিৰ্দিষ্ট চৰকাৰী সময়সূচী এতিয়াও প্ৰকাশ পোৱা নাই। এনে অৱস্থাত পৰৱৰ্তী লোকপিয়ল আৰু তাৰ পিছত সমগ্ৰ দেশত সমষ্টি পুনৰ্নিৰ্ধাৰণৰ দৰে এক দীঘলীয়া তথা জটিল প্ৰক্ৰিয়া সম্পন্ন কৰি মহিলা সংৰক্ষণ কাৰ্যকৰী কৰোঁতে ২০২৯ বা ২০৩৪ চনৰ সাধাৰণ নিৰ্বাচনলৈকে অপেক্ষা কৰিবলগীয়া হ'ব পাৰে। সেয়েহে বিৰোধী ৰাজনৈতিক দলসমূহ আৰু নাৰী অধিকাৰ কৰ্মীসকলে ইয়াক 'বিলম্বিত কৰাৰ কৌশল' বা নিৰ্বাচনী চমক বুলি অভিহিত কৰিছে।

সমষ্টি পুনৰ্নিৰ্ধাৰণ প্ৰক্ৰিয়াটো নিজেই ভাৰতীয় ৰাজনীতিৰ এক অন্যতম স্পৰ্শকাতৰ আৰু বিতৰ্কিত বিষয়। সমষ্টি পুনৰ্নিৰ্ধাৰণ মানে হৈছে জনসংখ্যাৰ পৰিৱৰ্তনৰ সৈতে সামঞ্জস্য ৰাখি লোকসভা আৰু বিধানসভাৰ সমষ্টিসমূহৰ ভৌগোলিক সীমা পুনৰ নিৰ্ধাৰণ কৰা। সাধাৰণতে প্ৰতিটো লোকপিয়লৰ পিছত এই কাম কৰা উচিত যদিও, জনসংখ্যা নিয়ন্ত্ৰণৰ নীতিৰ সৈতে ইয়াৰ সংঘাত হোৱাৰ বাবে ১৯৭৬ চনৰ পৰাই লোকসভাৰ আসনৰ সংখ্যা বৃদ্ধি কৰা হোৱা নাই আৰু ইয়াক ২০২৬ চনলৈকে স্থগিত ৰখা হৈছে। বৰ্তমানৰ বিতৰ্কৰ মূল কাৰণটো হৈছে উত্তৰ আৰু দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ মাজত থকা জনসংখ্যা বৃদ্ধিৰ হাৰৰ পাৰ্থক্য। যোৱা কেইবা দশক ধৰি কেৰালা, তামিলনাডু, অন্ধ্ৰপ্ৰদেশৰ দৰে দক্ষিণৰ ৰাজ্যসমূহে সফলতাৰে জনসংখ্যা নিয়ন্ত্ৰণ কৰিছে, আনহাতে উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থানৰ দৰে উত্তৰ ভাৰতৰ ৰাজ্যসমূহত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। যদি নতুন লোকপিয়লৰ ভিত্তিত সমষ্টি পুনৰ্নিৰ্ধাৰণ কৰা হয়, তেন্তে উত্তৰ ভাৰতৰ ৰাজ্যসমূহৰ লোকসভাৰ আসনৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাব আৰু জনসংখ্যা নিয়ন্ত্ৰণ কৰা দক্ষিণৰ ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব হ্ৰাস পাব। ইয়াৰ ফলত দক্ষিণৰ ৰাজ্যসমূহে অনুভৱ কৰিছে যে তেওঁলোকক চৰকাৰী নীতি সফলতাৰে ৰূপায়ণ কৰাৰ বাবে পুৰস্কৃত কৰাৰ পৰিৱৰ্তে ৰাজনৈতিকভাৱে দুৰ্বল কৰি শাস্তি প্ৰদান কৰা হ'ব।

এনে এক স্পৰ্শকাতৰ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিতৰ্কিত বিষয়ৰ সৈতে মহিলাৰ অধিকাৰৰ দৰে এক মৌলিক বিষয় সাঙুৰি দিয়াটোৱেই শেহতীয়া বিতৰ্কৰ কেন্দ্ৰবিন্দু। বিশ্লেষকসকলৰ মতে, মহিলা সংৰক্ষণক সমষ্টি পুনৰ্নিৰ্ধাৰণৰ সৈতে সাঙুৰি দিয়াৰ কোনো সাংবিধানিক বা প্ৰশাসনিক বাধ্যবাধকতা নাছিল। বৰ্তমান থকা ৫৪৩খন লোকসভা আসনৰ ভিতৰতেই ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰিব পৰা গ'লহেঁতেন। ইয়াৰ বাবে সমষ্টিৰ সীমা সলনি কৰাৰ কোনো প্ৰয়োজন নাছিল। কিন্তু চৰকাৰে দাবী কৰিছে যে এক স্বচ্ছ আৰু নিৰপেক্ষ প্ৰক্ৰিয়াৰে কোনবোৰ সমষ্টি মহিলাৰ বাবে সংৰক্ষিত হ'ব সেয়া নিৰ্ধাৰণ কৰিবলৈ সমষ্টি পুনৰ্নিৰ্ধাৰণ আয়োগৰ প্ৰয়োজন। আনহাতে বিৰোধীৰ যুক্তি হৈছে যে যদি পঞ্চায়ত আৰু পৌৰ নিগমসমূহত কোনো জটিলতা নোহোৱাকৈ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰিব পৰা গৈছে, তেন্তে সংসদ আৰু বিধানসভাত কিয় নোৱাৰি? এই প্ৰশ্নই এতিয়া উচ্চতম ন্যায়ালয়ৰ মজিয়াও পাইছেগৈ, য'ত শেহতীয়াকৈ কেইবাখনো আবেদন দাখিল কৰি ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনৰ পৰাই এই আইন কাৰ্যকৰী কৰাৰ দাবী জনোৱা হৈছিল। ন্যায়ালয়ে তাৎক্ষণিকভাৱে হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিলেও, এই বিতৰ্কই চৰকাৰৰ সদিচ্ছাক লৈ ৰাইজৰ মনত প্ৰশ্নবোধক চিহ্ন আঁকি দিছে।

সমষ্টি পুনৰ্নিৰ্ধাৰণৰ জটিলতা আৰু ইয়াৰ ৰাজনৈতিক প্ৰভাৱ বুজিবলৈ শেহতীয়াকৈ অসমত সম্পন্ন হোৱা সমষ্টি পুনৰ্নিৰ্ধাৰণ প্ৰক্ৰিয়াটোলৈ লক্ষ্য কৰিব পাৰি। ২০২৩ চনত ভাৰতৰ নিৰ্বাচন আয়োগে ২০০১ চনৰ লোকপিয়লৰ তথ্যৰ আধাৰত অসমৰ বিধানসভা আৰু লোকসভা সমষ্টিসমূহৰ সীমা পুনৰ্নিৰ্ধাৰণৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছিল। আসনৰ সংখ্যা বৃদ্ধি নকৰাকৈ কেৱল ভৌগোলিক সীমা সলনি কৰা এই প্ৰক্ৰিয়াটোক লৈ সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া আৰু প্ৰতিবাদৰ সৃষ্টি হৈছিল। বহুকেইজন বৰ্ষীয়ান ৰাজনীতিবিদৰ পুৰণি সমষ্টি বিলুপ্ত হৈছিল, আনহাতে নতুন সমষ্টিৰ গঠনক লৈয়ো জনজাতীয় আৰু সংখ্যালঘু সম্প্ৰদায়ৰ মাজত অসন্তুষ্টি দেখা গৈছিল। অসমৰ এই সৰু উদাহৰণটোৱেই প্ৰমাণ কৰে যে সমগ্ৰ দেশত নতুন জনসংখ্যাৰ ভিত্তিত সমষ্টি পুনৰ্নিৰ্ধাৰণ কৰিবলৈ গ'লে কিমান বৃহৎ পৰিসৰৰ ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ সৃষ্টি হ'ব পাৰে। এনে এক ভৱিষ্যতৰ অনিশ্চিত আৰু জটিল প্ৰক্ৰিয়াৰ বলি হৈ দেশৰ অৰ্ধেক জনসংখ্যাৰ ৰাজনৈতিক সৱলীকৰণৰ বাট ভেটি ধৰাটো কোনো পধ্যে যুক্তিসংগত হ'ব নোৱাৰে। ৰাজনৈতিক ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰাটো কেৱল এক আইনগত প্ৰক্ৰিয়া নহয়, ই এক গভীৰ সামাজিক প্ৰয়োজনীয়তা। যিখন দেশত মহিলাসকলে মহাকাশ গৱেষণাৰ পৰা আৰম্ভ কৰি ক্ৰীড়া, বিজ্ঞান, প্ৰযুক্তি আদি সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা দেখুৱাইছে, সেইখন দেশৰ নীতিনিৰ্ধাৰণ প্ৰক্ৰিয়াত তেওঁলোকৰ পৰ্যাপ্ত প্ৰতিনিধিত্ব নথকাটো গণতন্ত্ৰৰ বাবে এক দুৰ্বলতা। নাৰী শক্তি বন্দন অধিনিয়ম নিশ্চিতভাৱে এক প্ৰশংসনীয় পদক্ষেপ, কিন্তু ইয়াৰ কাৰ্যকৰীকৰণক লোকপিয়ল আৰু সমষ্টি পুনৰ্নিৰ্ধাৰণৰ দৰে বিতৰ্কিত বিষয়ৰ সৈতে বান্ধি ৰাখি প্ৰকৃত ফলাফল লাভ কৰিব নোৱাৰি। দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ শংকা দূৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এক বিস্তৃত ৰাজনৈতিক ঐক্যমত গঢ়ি তোলাটো প্ৰয়োজন। লগতে, সমষ্টি পুনৰ্নিৰ্ধাৰণৰ দৰে প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ অপেক্ষা নকৰি এক অন্তৰ্বৰ্তীকালীন ব্যৱস্থাৰ জৰিয়তে হ'লেও মহিলা সংৰক্ষণ তৎকালীনভাৱে কাৰ্যকৰী কৰাৰ দিশত চিন্তা-চৰ্চা কৰা উচিত। অন্যথা, সংৰক্ষণৰ এই প্ৰতিশ্ৰুতি কেৱল নিৰ্বাচনী ইস্তাহাৰ আৰু ৰাজনৈতিক ভাষণতেই সীমাবদ্ধ হৈ ৰোৱাৰ আশংকা প্ৰবল। এখন প্ৰকৃত প্ৰগতিশীল ৰাষ্ট্ৰ গঢ়িবলৈ হ'লে আইনী মেৰপেঁচৰ পৰা মুক্ত কৰি মহিলাসকলক তেওঁলোকৰ প্ৰাপ্য ৰাজনৈতিক অধিকাৰ শীঘ্ৰে প্ৰদান কৰাটোৱেই সময়ৰ আহ্বান।

# নাৰী শক্তিৰ উজ্জ্বল প্ৰতীক সতী সাধনী

**বেণুৰাম ৰাভা**

সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ জাতিৰ বাবে আত্মবলিদান দিয়া বীৰাংগনা সতী সাধনী আছিল অসমৰ নাৰী শক্তিৰ এক উজ্জ্বলতম নক্ষত্ৰ। প্ৰতি বছৰে ২১ এপ্ৰিল তাৰিখটো সমগ্ৰ অসমতে সতী সাধনী দিৱস হিচাপে পালন কৰি তেখেতৰ মহান বীৰত্বক স্মৰণ কৰা হয়। সতী সাধনী আছিল চুতীয়া সকলোৰ অষ্টম ৰজা ধীৰ নাৰায়ণ বা ধৰ্ম ধবজ পালৰ কন্যা। ৰজা ধৰ্মধবজ পালৰ বহুদিনলৈকে কোনো সন্তান সন্তি নাছিল। সন্তানৰ আশাত ৰজা ধৰ্মধ্বজ পালে বহুতো পূজা-পাতল কৰি কৰি আধা বুঢ়া বয়সত তেওঁৰ এজনী কন্যা সন্তানৰ জন্ম হয়। ৰজা ধৰ্মধ্বজ পালে বহু আৰাধনাৰ পিছত লাভ কৰা কণ্যা সন্তান জনীৰ নাম ৰাখিছিল সাধনী। সাধনী আছিল সুশিকিতা, পৰমা সুন্দুৰী গৰাকী সাধনীই এজন সাধাৰণ চুতীয়া ডেকা ল'ৰাৰ লগত বিবাহপাশত আৱদ্ধ হয়। ৰজা ধৰ্মধ্বজ যিহেতুকে অপুত্ৰক আছিল সেয়েহে তেওঁৰ জোঁৱাইক নিতাইকে ৰাজ্যৰ শাসন ভাৰ দায়িত্ব দিছিল। ৰজা ধৰ্মধ্বজৰ জোঁৱাইক নিতাইয়ে শাসন ভাৰ গ্ৰহণ কৰাৰ লগে লগে নিত্যপাল উপাধি গ্ৰহণ কৰে। ৰাজ্যৰ শাসন ভাৰ চলাই থাকোঁতে নিত্যপালৰ জীৱনলৈ বহুতো দুখ দুৰ্যোগৰ আহে আৰু পাছলৈ তেওঁ অনীতিপৰায়ণ হৈ বিশৃংখলাই দেখা দিয়ে। চুতীয়া ৰজাৰ এই দুৰ্বলতাৰ সুযোগ লৈ আহোম ৰজাই চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ উদ্বেগ হয় আৰু ১৫২৬ চনত আহোম ৰজাৰ আক্ৰমণত চুতীয়া ৰজা নিত্যপালৰ মৃত্যু হয়।

ৰজা নিত্যপালৰ মৃত্যুৰ পিছত চুতীয়া ৰাজ্যৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছিল। নিত্যপালৰ পত্নী সাধনীয়ে চুতীয়া ৰাজ্যৰ শাসন ভাৰ চলাই নিবলৈ লওতে আহোমে সাধনীক আত্ম সমৰ্পন কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু সাধনীয়ে আহোম ৰজাৰ সেই নিৰ্দেশ অৱজ্ঞা কৰাৰ বাবে সাধনীক জোৰ জুলুম কৰি বলেৰে তেওঁক বন্দী কৰিবলৈ উদ্যত হয়। আহোমসকলৰ জ্বালা যন্ত্ৰণা সহিব নোৱাৰি সাধনীয়ে চন্দনগিৰি পৰ্বতৰ পৰা জঁপিয়াই আত্মহত্যা কৰে। ইয়াৰ পিছতে আহোমে চুতীয়া সকলোৰ ৰাজধানী শদিয়া অধিকাৰ কৰি ৩০টা হাতী, ৬০টা ঘোঁৰা, ৬৯টা হিলৈ বাৰুদ, বুৰ্চা, দণ্ডছত্ৰ, কোকোৰা দোলা, তৰোৱাল, পিকদান, সোণৰ ভোগজোৰা, বেলা, মাইহাং, গৰু ম'হ, সোণৰ মেকুৰী, সোণৰ খাট আৰু সোণৰ তিনিচুকীয়া সিংহাসন আদি বহুতো মূল্যবান বস্তু লৈ যায়। সাধনীৰ এই আত্মবলিদান, ত্যাগ আৰু বীৰত্বৰ বাবে সমগ্ৰ দেশ তথা জাতিৰ এক উজ্জ্বল নক্ষত্ৰৰ প্ৰতীক হিচাপে জিলিকি ৰয়। এই মহান বীৰাংগনাৰ সতী গৰাকীৰ ৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি প্ৰতি বছৰে বহাগৰ পূৰ্ণিমা তিথিত তথা এপ্ৰিল মাহৰ ২১ তাৰিখে সতী সাধনী দিৱস হিচাপে পালন কৰা হয়।

সাধনীক বিয়া কৰোৱা পিছত ধৰ্মধ্বজ পালৰ এটি পুত্ৰ সন্তানৰ জন্ম হয় আৰু পুত্ৰ সন্তানৰ জনৰ নাম ৰাখিছিল সাধক নাৰায়ণ। সাধকৰ জন্মৰ আগতেই ৰজা ধৰ্মধ্বজ পালে জোৱায়েক নীতিপালক ৰাজপাট এৰি দিয়া বাবে ধৰ্মধ্বজ পালৰ পুত্ৰ সাধকে ৰজা হ'ব নোৱাৰিলে। নিত্যপালৰ মৃত্যুৰ পাছত আহোমসকলে সাধক নাৰায়ণক মধ্য অসমৰ এজন শৰণীয়া শাসনকৰ্তা হিচাপে ৰাখে। এনেদৰে বিভিন্ন ঘাট প্ৰতিঘাটৰ মাজেৰে আহি নিত্যপালৰ মৃত্যুৰ পিছত চুতীয়া ৰাজ্যৰ অৱসান ঘটে।

এশ শতাংশ ফলাফল প্ৰদৰ্শন কৰা তিনিখন বিদ্যালয়ৰ প্ৰধান সকলকো সম্বৰ্দ্ধনা

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান অধিকাৰ কৰা আকাংক্ষা ভুএঞাক জিলা প্ৰশাসনৰ সম্বৰ্ধনা

**অসম বাৰ্তা, বিহালী, ২৫ এপ্ৰিল ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান অধিকাৰ কৰি সমগ্ৰ বিশ্বনাথ জিলাবাসীক গৌৰৱান্বিত কৰা গহপুৰ সম-জিলাৰ অন্তৰ্গত হাৱাজানৰ অম্বিকাগিৰী ৰায় চৌধুৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰী আকাংক্ষা ভুএঞাক আজি বিশ্বনাথ জিলা প্ৰশাসনে আন্তৰিক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াৰ সভাপতিত্বত আজি জিলা আয়ুক্তৰ সন্মিলন কক্ষত অনুষ্ঠিত হোৱা বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানত মেধাৱী ছাত্ৰী আকাংক্ষাক গামোচা, শৰাই আদিৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে মেধাৱী ছাত্ৰী আকাংক্ষাৰ উজ্জ্বল ভবিষ্যত কামনা কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) কবিতা কাকতি কোঁৱৰ, বিশ্বনাথ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অৰুণজ্যোতি দত্ত, উপ পৰিদৰ্শক ধীৰাজ টাইড, বিদ্যালয়সমূহৰ প্ৰধান, শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ ফলাফল প্ৰদৰ্শন কৰা জিলাখনৰ তিনিখন বিদ্যালয় ক্ৰমে চাৰিআলি আদৰ্শ বিদ্যাপীঠ, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, বাঘমৰা আৰু আদৰ্শ বিদ্যালয়, সাকোমঠাৰ বিদ্যালয় প্ৰধান সকলকো শৰাই আৰু গামোচাৰে জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। জিলা প্ৰশাসনৰ সম্বৰ্ধনা গ্ৰহণ কৰি মেধাৱী ছাত্ৰী আকাংক্ষা ভুএঞাই তেওঁৰ এই সফলতাৰ আঁৰত থকা শিক্ষাগুৰু, পিতৃ মাতৃ আৰু শুভাকাংক্ষী সকলৰ অনুপ্ৰেৰণাৰ কথা কৃতজ্ঞতাৰে উল্লেখ কৰে। উল্লেখযোগ্য যে এই সম্বৰ্দ্ধনা অনুষ্ঠানৰ পাছতে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষাঠী শতাংশৰ তলত ফলাফল প্ৰদৰ্শন কৰা জিলাখনৰ মুঠ ৪৭খন বিদ্যালয়ৰ বিদ্যালয় প্ৰধান সকলৰ মাজত এখন পৰ্যালোচনা বৈঠকো অনুষ্ঠিত কৰা হয়।

'আদৰ্শ বিদ্যালয়ৰ দশম শ্ৰেণী উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰী; বিদ্যালয় দুখনত উচ্চতৰ মাধ্যমিক শ্ৰেণী আৰম্ভ কৰাৰ আহ্বান চৰকাৰলৈ

# ৰূপহীহাট আৰু চামগুৰিৰ চৰকাৰী চিবিএছই বিদ্যালয়ৰ অভাৱত নামভৰ্তিৰ ক্ষেত্ৰত অসুবিধা

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ এপ্ৰিল ঃ** সদ্য ঘোষিত চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত পোন প্ৰথমবাৰৰ বাবে ৰূপহীহাটৰ 'আদৰ্শ বিদ্যালয় জুৰীয়া' আৰু চামগুৰিৰ কাছখাই টিস্থিত লাওখোৱা আদৰ্শ বিদ্যালয়ৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হবলৈ সক্ষম হৈছে বহু কেইগৰাকীকৈ ছাত্ৰ-ছাত্ৰী। জুৰীয়া আদৰ্শ বিদ্যালয়ৰ পৰা ২৭ গৰাকী আৰু লাওখোৱা আদৰ্শ বিদ্যালয়ৰ পৰা ১৭ গৰাকীকৈ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। ৰূপহীহাটৰ জুৰীয়াত ২০১৮ চনতেই আৰম্ভ হোৱা 'আদৰ্শ বিদ্যালয় জুৰীয়া'ৰ দশম শ্ৰেণীৰ প্ৰথমটো গোটে পোনপ্ৰথমবাৰৰ বাবে এইবেলি পৰীক্ষাত অৱতীৰ্ণ হৈছিল। উল্লেখযোগ্য যে, তৰুণ গগৈৰ আমোলত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিতে চিবিএছই পাঠ্যক্ৰমৰ অন্তৰ্গত একোখন আদৰ্শ বিদ্যালয় স্থাপন কৰা হৈছিল আৰু সেই অনুসৰি জুৰীয়াৰ তেলীয়া বেৰেজীয়া গাঁৱত 'আদৰ্শ বিদ্যালয় জুৰীয়া'ৰ প্ৰতিষ্ঠা হৈছিল। যাৰ ফলত বৃহত্তৰ জুৰীয়া অঞ্চলৰে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চিবিএছই পাঠ্যক্ৰমৰ অধীনত শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছিল। এইবেলি দশম শ্ৰেণীৰ পৰীক্ষাত ফাৰজানা তাচনিম নামৰ এগৰাকী ছাত্ৰীয়ে ৯৫.৬ক্ষ নম্বৰ লাভ কৰি বিদ্যালয় খনিৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু পৰিতাপৰ কথা যে, আজি পৰ্যন্ত বিদ্যালয়খনিত উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী আৰম্ভ নোহোৱাত বিবুধিত পৰিছে এইসকল দশম শ্ৰেণী উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক সকল। আৰ্থিক ভাৱে দুৰ্বল পৰিয়ালৰ এই ছাত্ৰ ছাত্ৰী সকলে এতিয়া অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ বিদ্যালয় সমূহতো নামভৰ্তি কৰিব নোৱাৰে বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নামভৰ্তি কৰিবলৈকো ধনৰ অভাৱ। আদৰ্শ বিদ্যালয় জুৰীয়াৰ কৰ্তৃপক্ষই উচ্চত্বৰ মাধ্যমিক শ্ৰেণী সংযোজন কৰাৰ বাবে বাৰম্বাৰ চৰকাৰক আবেদন জনাইছে যদিও এতিয়ালৈ কোনো সেউজ সংকেত লাভ কৰা নাই চৰকাৰৰ পৰা। চামগুৰিৰ কাছখাইটিস্থিত লাওখোৱা আদৰ্শ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ-ছাত্ৰী সকলৰো একেই অৱস্থা। আজি জুৰীয়া আদৰ্শ বিদ্যালয়ত দশম শ্ৰেণী উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰী সকলৰ এক সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰূপহীহাটৰ বিধায়ক নুৰুল হুদা। বিধায়ক জনে অতি শীঘ্ৰেই শিক্ষা বিভাগৰ লগত আলোচনা কৰি উচ্চতৰ মাধ্যমিকৰ শাখা খুলাৰ এটা সু ব্যৱস্থা কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে যদিও আশ্বস্ত হ'ব পৰা নাই ছাত্ৰ-ছাত্ৰী কিম্বা অভিভাৱক সকল।

# আউনীআটী বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উদযাপন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** আউনীআটী বিশ্ববিদ্যালয়ত আজি ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উদযাপন কৰা হয়। বিশ্ববিদ্যালয়ৰ গ্ৰাম্য উন্নয়ন বিভাগৰ উদ্যোগত, বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানৰ প্ৰথমে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাই মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে জাতিৰ পিতা গৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গ্ৰাম্য উন্নয়ন বিভাগৰ সহকাৰী অধ্যাপিকা মৌচুমী খনিকৰৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশজ্যোতি বৰঠাকুৰে। ইফালে অনুষ্ঠানটোৰ মূল বিষয় "দীৰ্ঘম্যাদী গ্ৰাম্য উন্নয়নৰ বাবে তৃণমূল গণতন্ত্ৰৰ শক্তিশালীকৰণ" বিষয়ত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাই বিষয়টোৰ সৈতে সংগতি ৰাখি বৰ্তমান আৰু ভৱিষ্যতৰ গ্ৰাম্য উন্নয়ন আৰু প্ৰশাসনিক দিশসমূহৰ ওপৰত বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানত মহাত্মা গান্ধীৰ আদৰ্শৰ আধাৰত মহিলা সৱলীকৰণৰ ভূমিকা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা কুঁকি বৰাই। অনুষ্ঠানৰ শেষৰফালে লোকবিদ্যা অধ্যয়ন বিভাগৰ শিক্ষাৰ্থী ববী দত্তই কবিতা আবৃত্তি কৰে। সভাত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# ফুলপানীছিগা অৰুণোদয় সাংস্কৃতিক গোষ্ঠীৰ সাফল্য

**অসম বাৰ্তা, জাঁজী, ২৫ এপ্ৰিল ঃ** কাকজানৰ বৰ্নিল নাট্যগোষ্ঠী উদ্যোগত অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিক শিশু ভাওনা প্ৰতিযোগিতাত 'পাৰ্থ পৰাজয়' নাট প্ৰদৰ্শন কৰি ফুলপানিছিগা অৰুণোদয় সাংস্কৃতিক গোষ্ঠীয়ে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে ব্যক্তিগত শিতানত শ্ৰেষ্ঠ ভগৱান চৰিত্ৰত অভিজ্ঞানম শৰ্মা, শ্ৰেষ্ঠ অভিনেতা জ্যোতিস্ময় দত্ত, শ্ৰেষ্ঠ ৰূপসজ্জা-টীয়কৰ নূপুৰ পোছাক ভাণ্ডাৰৰ লগতে অনিৰ্বাণ দত্ত, পঞ্চানন চুতীয়া, আৰু প্ৰিয়া চুতীয়াই বিচাৰকৰ বিশেষ(বৰ্ণিল সম্ভাৱনা) বঁটা লাভ কৰে। উল্লেখ্য যে অৰুণোদয় সাংস্কৃতিক গোষ্ঠীয়ে অসমৰ বিভিন্ন প্ৰান্তত ভাওনা প্ৰদৰ্শন কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দলটিৰ এনে সফলতাত জাঁজী বাসী ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# মাকুম চহৰৰ মাজমজিয়াত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ২৫ এপ্ৰিল ঃ** আজি ৰাতিপুৱা প্ৰায় ৯ঃ৩০ মান বজাত মাকুম চহৰৰ মাজমজিয়াত এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এখন অইল ইণ্ডিয়া লিমিটেডৰ ক্ৰেন বাহনে মহতিয়াই নিয়ে এখন যাত্ৰীবাহী অটো ৰিস্কাক। তিনিচুকীয়া দিশৰ পৰা আহি থকা এ এচ ২৩ ডিচি-৩৫৯০ নম্বৰৰ এখন অটো ৰিস্কা লগতে একেটা দিশৰ পৰা আহি থকা এ এচ ০৬ এচি ৯১১৮ নম্বৰৰ অইল ইণ্ডিয়া লিমিটেডৰ ক্ৰেন বাহন খনে পাছফালৰ পৰা খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। অটো ৰিস্কা খনৰ চালক সহ এজন যাত্ৰী গুৰুতৰ ভাৱে আহত হোৱাত দুয়োজনকে ততাতৈয়াকৈ ১০৮ এম্বুলেন্সৰ সহায়ত স্থানীয় অটো ৰিস্কা সকলে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। তথ্য প্ৰাপ্ত অনুসৰি অটো ৰিস্কা চালকজন মাকুম বেতজান চাহ বাগিছাৰ অমৃত তাঁতী ইপিনে যাত্ৰী জনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। দুৰ্ঘটনা স্থলীত মাকুম আৰক্ষী উপস্থিত হৈ সম্পূৰ্ণৰূপে দুৰ্ঘটনাগ্ৰস্ত হোৱা অটো ৰিস্কাখনৰ লগতে ক্ৰেন বাহনখন থানালৈ লৈ যায়। উক্ত ঘটনাক কেন্দ্ৰকৰি এক হুলস্থূলীয়া পৰিৱেশ সৃষ্টি হয়, কাৰণ বিগত বৰ্ষৰ পৰা গধূৰ যান-বাহন সমূহ মাকুম চহৰত চলাচল কৰা ক্ষেত্ৰত মাকুম পৌৰসভাৰ লগতে মাকুম আৰক্ষীয়ে নিৰ্দেশনা জাৰি কৰি এক নিৰ্দিষ্ট সময়সীমা বান্ধি দিছিল যদিও সেই নিৰ্দেশনা আওকাণ কৰি আৰক্ষীৰ সন্মুখে দি অইল ইণ্ডিয়া লিমিটেডৰ গধূৰ গধূৰ বাহন, ডাম্পাৰ,ট্ৰাক ইত্যাদি সমূহ চলাচল কৰাৰ প্ৰায় পৰিলক্ষিত হৈছিল, আজি সংঘটিত হোৱা এই দুৰ্ঘটনা তাৰে এটা কাৰণ বুলি ক'ব পাৰি।

# বটদ্ৰৱাৰ বৰভেটিৰ মহিলা নিৰুদ্দেশ

**অসম বাৰ্তা, বটদ্ৰৱা, ২৫ এপ্ৰিল ঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ বৰভেটিৰ এগৰাকী বৃদ্ধা মহিলা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত হাহাকাৰৰ সৃষ্টি হয়। জানিব পৰা মতে, বৰভেটিৰ নিবাসী প্ৰয়াত শিক্ষক জৈন উদ্দিন আহমেদ ওৰফে জয়নাল মাষ্টাৰৰ পত্নী হালিমন নেছা (৭৬) য়ে যোৱা ২৪ এপ্ৰিলত নিজ কন্যাৰ গৃহ ভেৰভেৰীৰ পৰা আহোঁতে ১-৩০ বজাত আমলখি ভেটিভাৰিৰ পৰা নিৰুদ্দেশ হয়। পৰিয়ালৰ লোকে আত্মীয়-স্বজনৰ গৃহৰ লগতে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও নেছাৰ সন্ধান উলিয়াব পৰা নাই। হালিমন নেছা হেৰাই যোৱা বুলি তেওঁৰ পুত্ৰ বাহাৰ উদ্দিন আনচাৰীয়ে বটদ্ৰৱা আৰক্ষী থানাত জাননীও দিয়ে। যদি কোনো সদাহয় ব্যক্তিয়ে নেছাৰ সন্ধান পায় তেন্তে বটদ্ৰৱা আৰক্ষী থানা নাই বা ৭০০২৩৮৮৬৪৭ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনায়।

# ৰূপহীহাটত ধুমুহা-শিলাবৃষ্টিৰ বিধ্বংসী ৰূপ; বিস্তৰ ক্ষতি

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ এপ্ৰিল ঃ** ৰূপহীহাটৰ ভিন্ন প্ৰান্তত যোৱানিশা অহা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিয়ে এক ভয়াৱহ পৰিবেশৰ সৃষ্টি কৰে। নিশাৰ ভাগত হঠাতে অহা ধুমুহাৰ ফলত ৰূপহীহাটৰ ৪ নং বগামুখ, শান্তি বজাৰ, ভুৰবন্ধা আদি অঞ্চলত ব্যাপক ক্ষতি সাধন কৰে। প্ৰচণ্ড ধুমুহাৰ ফলত ৪ নং বগামুখৰ হেদায়ত উল্লাহৰ পকী ঘৰৰ টিনপাত উৰুৱাই নিয়ে যদিও কথমপি প্ৰাণ ৰক্ষা পৰে পৰিয়ালটিৰ। ধুমুহাৰ লগত অহা শিলাবৃষ্টিৰ ফলত বৃহত্তৰ নৈ পৰীয়া অঞ্চলৰ খেতি পথাৰৰ বিস্তৰ ক্ষতি হয়। ধুমুহাৰ তাণ্ডৱত গছ-গছনি উভালি পৰাত বিদ্যুৎ সেৱা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিছে।

দেৰগাঁও সাহায্যপ্ৰাপ্ত চিকিৎসালত বিশ্ব মেলেৰিয়া দিৱসৰ কাৰ্যসূচী

# দেৰগাঁৱত বিশ্ব মেলেৰিয়া দিৱস পালন

**অসম বাৰ্তা, দেৰগাঁও, ২৫ এপ্ৰিল ঃ** প্ৰতিবছৰে ২৫ এপ্ৰিল তাৰিখে সমগ্ৰ বিশ্বত মেলেৰিয়া দিৱস হিচাপে পালন কৰা হয়। আজি ৰাজ্যৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰৰ লগতে গোলাঘাট জিলাৰ স্বাস্থ্য সেৱা বিভাগৰ অন্তৰ্গত মিছামৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত থকা দেৰগাঁও সাহায্যপ্ৰাপ্ত চিকিৎসালত মিছামৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়াৰ নেতৃত্বত জেলেহুৱা গাঁৱৰ গাঁও প্ৰধান সূৰ্য্য মোহন হাজৰিকাৰ সভাপতিত্বত এখন সজাগতা মূলক সভা অনুষ্ঠিত কৰি বিশ্ব মেলেৰিয়া দিৱস উদ্‌যাপন কৰা হয়। স্বাস্থ্য কৰ্মী মালা তামোলীয়ে আঁতধৰা সভাত উপস্থিত থাকে মহকুমা চিকিৎসক ডাঃ অৰুনিমা কাকতি, অংগনবাড়ী কেন্দ্ৰৰ মুখ্য সেৱিকা মনালিছা গোৱালা,জন স্বাস্থ্য কাৰিকৰী বিভাগৰ জয় গোবিন্দ শৰ্মা, স্বাস্থ্য কৰ্মী কৰুণাকান্ত ৰাজবংশী, গোপেশ্বৰ হালৈ, গিৰিশ গোস্বামীৰ লগতে মিছামৰাৰ খণ্ড আঁচনি প্ৰবন্ধক জ্যোতিময় বৰুৱা, গড়মৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহ শিক্ষক বাবুল পাচনীৰ লগতে কেইবাখনো গাঁৱৰ গাঁওপ্ৰধান আৰু মিছামৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ ক্ষেত্ৰ কৰ্মী আৰু বহুমুখি স্বাস্থ্য কৰ্মী, এ.এন.এম, জি.এন.এম, আশা মুখ্য সেৱিকা, আশা কৰ্মী আৰু বিভিন্ন স্তৰৰ ৰাইজ। সভাৰ অন্তত সকলোৰে সহযোগত দেৰগাঁও সাহায্যপ্ৰাপ্ত চিকিৎসালয়ৰ পৰা এটি সজাগতা মূলক পদযাত্ৰা উলিওৱা হয়।




# মাজুলীত অবৈধ সুৰা সৰবৰাহত জড়িত ব্যক্তিক চাৰি বছৰ কাৰাদণ্ড

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** মাজুলী জিলাত অবৈধ সুৰা সৰবৰাহৰ সৈতে জড়িত এক গুৰুত্বপূৰ্ণ গোচৰত আজি মুখ্য ন্যায়িক দণ্ডাধীশ ড° সিদ্ধাৰ্থ শংকৰ শৰ্মাৰ আদালতে চূড়ান্ত ৰায়দান প্ৰদান কৰে। PRC নং ৮৪/২০২৪ আৰু গড়মূৰ আৰক্ষী থানাৰ গোচৰ নং ৪৩/২০২৪ সন্দৰ্ভত দিয়া এই ৰায়ত টেঙাগুৰি গাঁৱৰ নীলম জ্যোতি মিলিক দোষী সাব্যস্ত কৰা হয়। অভিযোগ অনুসৰি, অভিযুক্তজনে অবৈধভাৱে অৰুণাচলৰ সুৰা মাজুলীলৈ সৰবৰাহ কৰি বেহা চলাই আছিল। ২০২৪ চনত গড়মূৰ আৰক্ষীয়ে অভিযান চলাই অভিযুক্তজনক গ্ৰেপ্তাৰ কৰি গোচৰ ৰুজু কৰাৰ লগতে তদন্ত সম্পূৰ্ণ কৰি আদালতত হাজিৰ কৰায়। পৰৱৰ্তীকালত শুনানি প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত আদালতে আজি এই চূড়ান্ত ৰায়দান প্ৰদান কৰে। আদালতে দিয়া ৰায় অনুসৰি, অসম আবকাৰী আইন অধীনত ধাৰা ৫৩(১)(a) অনুসাৰে নীলম জ্যোতি মিলিক ২ বছৰ কাৰাদণ্ড আৰু ১০ হাজাৰ টকাৰ জৰিমনা আৰোপ কৰা হয়। লগতে ধাৰা ৫৪ অনুসাৰে পুনৰ ২ বছৰ কাৰাদণ্ড আৰু ৫০ হাজাৰ টকাৰ জৰিমনাও নিৰ্ধাৰণ কৰা হয়। আদালতে আৰু উল্লেখ কৰে যে, জৰিমনা অনাদায় কৰিলে অভিযুক্তজনে অতিৰিক্তভাৱে এক মাহৰ কাৰাদণ্ড ভোগ কৰিব লাগিব। এই গোচৰত চৰকাৰী পক্ষৰ হৈ অধিবক্তা বিজয় বুঢ়াগোহাঁই, পুনম খাউণ্ড আৰু শৰৎ বৰাই আদালতত যুক্তি প্ৰদৰ্শন কৰে। এই ৰায়দানে স্থানীয়ভাৱে অবৈধ সুৰা বেহাত জড়িত সকলৰ বিৰুদ্ধে এক কঠোৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

ড্ৰাগছ, নকল টকা আৰু ২০ লাখ নগদ ধনসহ কুখ্যাত মাফিয়া আটক

# বৰপেটা ৰোডত আৰক্ষীৰ বৃহৎ অভিযান

**অসম বাৰ্তা, বৰপেটা ৰোড, ২৫ এপ্ৰিল ঃ** বৰপেটা জিলা আৰক্ষীৰ এক বৃহৎ সফলতা। বৰপেটা ৰোডত ড্ৰাগছ আৰু নকল টকাৰ বিৰুদ্ধে চলোৱা এক অভিযানত আজি বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰীৰ লগতে নগদ ধন জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষী। এই অভিযানত আটক কৰা হৈছে ৰমেশ চন্দ্ৰ বিশ্বাস নামৰ এজন কুখ্যাত ড্ৰাগছ মাফিয়াক। প্ৰাপ্ত খবৰ অনুসৰি, বৰপেটা ৰোডৰ ১০ নং ৱাৰ্ডৰ মানসপুৰৰ সনাতন সৰকাৰৰ অট্টালিকা এটাত ভাড়াতীয়া হিচাপে থাকি গৰৈমাৰীৰ ৰমেশ চন্দ্ৰ বিশ্বাসে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ক'লা ব্যৱসায় চলাই আহিছিল। এক গোপন সূত্ৰৰ পম খেদি বৰপেটা জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত আৰু বৰপেটা ৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ সহযোগত এক অভিযান চলোৱা হয়। এই অভিযানত আৰক্ষীয়ে ড্ৰাগছ মাফিয়া জনৰ ভাড়াঘৰৰ পৰা ৯,৮০০ ৰো অধিক ইয়াবা টেবলেট জব্দ কৰে, যাৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য প্ৰায় ৪৯ লাখ টকা বুলি ধাৰণা কৰা হৈছে। ইয়াৰ উপৰিও ৯ গ্ৰাম হিৰোইন, ১.৫ লাখ টকাৰ নকল নোট আৰু নগদ ২০ লাখ টকা উদ্ধাৰ কৰা হয়। অভিযানৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক পুস্কিন জৈন। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষী অধীক্ষকগৰাকীয়ে কয় যে, "এইয়া বৰপেটা আৰক্ষীৰ বাবে এক বৃহৎ সফলতা। ড্ৰাগছৰ বিৰুদ্ধে আমাৰ শূন্য সহনশীল নীতি অব্যাহত থাকিব।" ইফালে, ঘন জনবসতিপূৰ্ণ অঞ্চল এটাত কেনেকৈ ইমান দিনে এনে অবৈধ কাৰবাৰ চলি আছিল, তাক লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ধৃত ৰমেশ চন্দ্ৰ বিশ্বাসক জেৰা অব্যাহত ৰাখিছে আৰু ইয়াৰ সৈতে জড়িত আন ব্যক্তিসকলৰ সন্ধান চলাইছে।

# দেৰগাঁৱৰ নাৰিকলগুৰিত শোকাৱহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ২৫ এপ্ৰিল ঃ** দেৰগাঁৱৰ নাৰিকলগুৰিৰ ৰাজপথত শুক্ৰবাৰে সংঘতিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। তীব্ৰবেগী এখন টাটা চুমু বাহনৰ খুন্দাত শ্যাম সুন্দৰ পেগু নামৰ এজন যুৱকে থিতাতে কৰুণ মৃত্যুক সাৱটি লয়। প্ৰাপ্ত তথ্যমতে, নাগালেণ্ডৰ দিশৰ পৰা তীব্ৰ বেগত একেলগে তিনিখন চুমু আহি আছিল ইয়াৰে প্ৰথমখন চুমুৱে পাছফালৰ পৰা বাইক আৰোহী শ্যাম সুন্দৰ পেগুক প্ৰচণ্ড জোৰে খুন্দা মাৰে। খুন্দাৰ ফলত বাইকখন নিয়ন্ত্ৰণহীন হৈ পথৰ কাষৰ লোহাৰ ৰেলিংত খুন্দা খায়। স্থানীয় লোকৰ সহযোগত আৰক্ষীয়ে গুৰুতৰভাৱে আহত যুৱকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। দেৰগাঁও পৌৰসভাৰ ৪ নং ৱাৰ্ডৰ চকিয়াল প্ৰগতি নগৰৰ বাসিন্দা আৰু নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমল পেগুৰ পুত্ৰ মৃত শ্যাম সুন্দৰ পেগু। দেৰগাঁও-গোলাঘাট পথটো নতুনকৈ নিৰ্মাণ হোৱাৰ পিছৰে পৰা একাংশ বাহনৰ তীব্ৰ গতিৰ বাবে দুৰ্ঘটনাৰ মাত্ৰা বৃদ্ধি পাইছে। আজিৰ এই ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলায়।

# নাজিৰাৰ বিহুবৰ ঔগুৰিজানত গাঞ্জাসহ এজন আটক

**অসম বাৰ্তা, নামতি, ২৫ এপ্ৰিল ঃ** নাজিৰা সমজিলাৰ বিহুবৰ আৰক্ষীয়ে ঔগুৰিজানত আৰক্ষীৰ নাকা চেকিঙত পুৱা ভাগতে অভিযান চলাই গাঞ্জাসহ এজন নগা ব্যক্তিক আটক কৰে। উল্লেখ্য, নাগালেণ্ডৰ নাগিনীমৰাৰ পৰা এ এছ ০৪ ই আৰ ৫৪১৪ নম্বৰৰ ই ৰিস্কাত আহি থকা এজন নগা ব্যক্তিক বিহুবৰ আৰক্ষী থানাৰ অন্তৰ্গত ঔগুৰিজান অঞ্চলত নাকা চেকিঙত থকা আৰক্ষীৰ উপ পৰিদৰ্শক প্ৰসেন দাসৰ নেতৃত্বত আৰক্ষীয়ে তালাচী চলাওতেই গাঞ্জাখিনি উদ্ধাৰ হয়। আৰক্ষীয়ে ই ৰিস্কা খনত অহা যাত্ৰীসকলৰ বেগ সমূহত তালাচি চলাওতেই নগা ব্যক্তিজনে লগত অনা বেগটো লৈ পলাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে খেদি গৈ ধৰে আৰু বেগটোৰ ভিতৰৰ পৰা ২ কেজি ৭৭০ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰি জব্দ কৰে। গাঞ্জাসহ আটক কৰা নগা ব্যক্তিজনৰ নাম হিয়ং কন্যাক বুলি জানিব পৰা গৈছে।

## এছ ডি আৰ এফৰ উদ্ধাৰ অভিযান অব্যাহত

মাৰ্ঘেৰিটাৰ নাগা ঠাকুৰবাৰীত শোকাকুল পৰিৱেশ

# ফেচবুক লাইভ কৰি বুঢ়ীদিহিঙত জাঁপ ৩৫ বছৰীয়া যুৱকৰ

**অসম বাৰ্তা, বৰডুমচা, ২৫ এপ্ৰিল ঃ** অঘটন! তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত আজি দিনৰ ভাগত এক অঘটন সংঘটিত হয়। মাৰ্ঘেৰিটাৰ বুঢ়ীদিহিং নদীৰ বুকুত এজন যুৱকে ফেচবুক লাইভ কৰি নদীৰ বুকুত জাঁপ দি আত্মহনন কৰাৰ খবৰে সমগ্ৰ মাৰ্ঘেৰিটা অঞ্চলতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটোৱে সমগ্ৰ মাৰ্ঘেৰিটা সমজিলাত গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত খবৰ অনুসৰি, মাৰ্ঘেৰিটাৰ ১নং লাজুম কালিপূজা পথৰ নিবাসী ৰূপম চক্ৰৱৰ্তী নামৰ ৩৫ বছৰীয়া যুৱকজনে আজি দিনৰ ভাগত মাৰ্ঘেৰিটাৰ নাগা ঠাকুৰবাৰীস্থিত ছট পূজা ঘাটত উপস্থিত হৈ হঠাতে বুঢ়ীদিহিং নদীৰ বুকুত জাঁপ দিয়ে। অত্যন্ত দুৰ্ভাগ্যজনক কথা এই যে, যুৱকজনে এই চৰম সিদ্ধান্তগ্ৰহণ কৰাৰ পূৰ্বে সামাজিক মাধ্যম ফেচবুকত প্ৰায় চাৰে তিনি মিনিট সময় ফেচবুক লাইভ কৰি আছিল। চকুৰ পচাৰতে সকলোকে কন্দুৱাই যুৱকজনে নদীৰ প্ৰবল সোঁতত হেৰাই যায়। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে-লগে ঘটনাস্থলীত স্থানীয় লোকৰ ভিৰ হয়। স্থানীয় ৰাইজে ঘটনাৰ বিষয়ে মাৰ্ঘেৰিটা আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। পৰৱৰ্তী সময়ত এছ ডি আৰ এফ ৰ এটা উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনৰ সন্ধানত নদীৰ বুকুত অভিযান চলায়। কিন্তু নদীৰ প্ৰবল সোঁতৰ বাবে আই বাতৰি যুগুতোৱা পৰলৈকে যুৱকজনৰ কোনো সম্ভেদ লাভ কৰা নাই। জানিব পৰা মতে, ৰূপম চক্ৰৱৰ্তী পেছাগতভাৱে পেণ্ডেল তথা মঞ্চ সজ্জাৰ কামৰ সৈতে দীৰ্ঘদিনে জড়িত আছিল যুৱকজন। এগৰাকী দক্ষ কৰ্মী হিচাপে মাৰ্ঘেৰিটা অঞ্চলত পৰিচিত আছিল ৰূপম চক্ৰৱৰ্তী। যুৱকজনৰ আত্মীয়-স্বজনে সন্দেহ প্ৰকাশ কৰা মতে, শেহতীয়াকৈ কামৰ অত্যধিক চাপ অথবা কৰ্মক্ষেত্ৰৰ কোনো বিশেষ সমস্যাৰ বাবে তেওঁ মানসিক দুশ্চিন্তাত ভুগি আছিল। কামৰ তাগিদাৰ বাবেই তেওঁ এনে কৰুণ পন্থা গ্ৰহণ কৰিব পাৰে বুলি পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে ৰূপম চক্ৰৱৰ্তীৰ পৰিয়ালে এই সন্দৰ্ভত মাৰ্ঘেৰিটা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰু যুৱকজনৰ মোবাইল ফোন তথা ফেচবুক লাইভৰ ভিডিঅ'টোৰ পৰা তথ্য সংগ্ৰহৰ চেষ্টা চলাইছে। বৰ্তমান সময়লৈকে এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে যদিও অন্ধকাৰ আৰু নদীৰ গভীৰতাৰ বাবে অভিযানত বাধাৰ সৃষ্টি হৈছে। এজন সজীৱ আৰু কৰ্মঠ যুৱকৰ এনে আকস্মিক বিয়োগত ১নং লাজুম কালিপূজা পথৰ লগতে নাগা ঠাকুৰবাৰী তথা সমগ্ৰ মাৰ্ঘেৰিটা অঞ্চলত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

# সঁফুৰা বৃত্তি পৰীক্ষাত কুকুৰমাৰা শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ সাফল্য

**অসম বাৰ্তা, ছয়গাঁও, ২৫ এপ্ৰিল ঃ** ছাত্ৰ-ছাত্ৰীৰ বিকাশ আৰু বৌদ্ধিক উত্তৰণৰ লক্ষ্যৰে অনুষ্ঠিত কৰি অহা সঁফুৰা বৃত্তি পৰীক্ষাৰ ২০২৫-২৬ বৰ্ষৰ ফলাফলত দক্ষিণ কামৰূপৰ কুকুৰমাৰাস্থিত শঙ্কৰদেৱ বিদ্যা মন্দিৰে বিশেষ সফলতা লাভ কৰিছে। ঘোষিত ফলাফল অনুসৰি সঁফুৰা মজলীয়া বৃত্তি পৰীক্ষাৰ প্ৰথম পাঁচটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত পাঁচগৰাকীৰ ভিতৰত তৃতীয় স্থান লাভ কৰি শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী দিপাস্মীতা দাসে গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি অষ্টম শ্ৰেণীৰ ছাত্ৰী ভণিতা দাসে ৫০০ টকীয়া জলপানি লাভ কৰাৰ বিপৰীতে ৰিদিপ কলিতা, অৰ্পিতা দাস, মুন্মী দাস আৰু শিৰাঙ্কু জ্যোতি দাসে ৩০০ টকীয়া জলপাণি লাভ কৰাৰ বিপৰীতে ৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ বৃত্তি লাভ কৰিছে। প্ৰাথমিক শাখাত নীলাক্ষি দাস আৰু তনুশ্ৰী কলিতাই ৩০০ টকীয়া জলপাণি লাভ কৰাৰ বিপৰীতে ১৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ বৃত্তি লাভ কৰিছে। আনহাতে অংকুৰণ শাখাত হিমন কলিতাই ২০০০ টকীয়া জলপাণি লাভ কৰাৰ বিপৰীতে দৃষ্টি কলিতাই ৩০০ টকীয়া জলপাণি লাভ কৰাৰ বিপৰীতে ১৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ বৃত্তি লাভ কৰি শঙ্কৰদেৱ বিদ্যা মন্দিৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছাত্ৰ-ছাত্ৰীৰ বিশেষ সফলতাত শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ পৰিচালন সঞ্চালক লোহিত দাস, সঞ্চালক ধীৰাজ কুমাৰ দাস, অধ্যক্ষ নবীন চন্দ্ৰ কলিতাকে আদি কৰি আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উৎফল্লিত হৈছে।

## গুৱাহাটীত দুদিন প্ৰবল

শনিবাৰে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এক বিস্তৃত পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। বৈঠকখনৰ মূল লক্ষ্য আছিল গুৱাহাটীত বান ব্যৱস্থাপনা, নলা-নৰ্দমাৰ পানী নিষ্কাশন আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ লোৱা পদক্ষেপসমূহৰ বুজ লোৱা। বৈঠকত ডাঙৰ ডাঙৰ নলাসমূহৰ বোকা আঁতৰোৱা কাৰ্য্যৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা হয়। পাম্পিং ব্যৱস্থাসমূহ সক্ৰিয় কৰি ৰখাৰ লগতে ভৰলু নদী আৰু ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰা গুৰুত্বপূৰ্ণ নলাসমূহৰ সুৰক্ষামূলক দেৱাল নিৰ্মাণ সম্পৰ্কীয় সাৱধানতামূলক ব্যৱস্থা সন্দৰ্ভত বিশেষ গুৰুত্ব দিয়া হয়। ইয়াৰ লগতে পূৰ্বৰ বৰষুণত বানপানীৰ সন্মুখীন হোৱা অঞ্চলসমূহৰ ওপৰত অধিক নজৰ ৰখাৰ সিদ্ধান্ত লোৱা হয়। বাতৰি অনুসৰি, উন্মুক্ত মেনহল আৰু নলাসমূহ ঢাকি ৰাখিবলৈ লগতে চিনাক্ত কৰা বিপদসংকুল স্থানসমূহত বেৰিকেড লগাবলৈ কঠোৰ নিৰ্দেশ জাৰি কৰা হৈছে। বৈঠকত উপস্থিত বিষয়াসকলক সকলো সংবেদনশীল স্থান সুৰক্ষিত কৰাৰ লগতে সেইবোৰৰ ওপৰত নিৰন্তৰ নিৰীক্ষণ চলাই থাকিবলৈ কোৱা হয়। আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বৰষুণৰ সম্ভাব্য পূৰ্বানুমান আৰু প্ৰস্তুতিৰ কৌশলৰ ওপৰত বিতং উপস্থাপন আগবঢ়ায়। মুখ্য সচিব ড° কোটাই সকলো সংস্থাৰ মাজত সমন্বিত পদক্ষেপ আৰু তৎকালীন সঁহাৰিৰ তৎপৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গুৱাহাটী মহানগৰ যান-বাহন আৰক্ষীয়ে কৃত্ৰিম বানে সৃষ্টি হ'ব পৰা যান-জটৰ বিষয়ে সতৰ্ক কৰি দিছে। বৈঠকত যান-বাহনৰ চলাচল স্বাভাৱিক ৰাখিবলৈ আৰু জৰুৰীকালীন সেৱাসমূহ যাতে কোনো বাধাৰ সন্মুখীন নহয়, তাৰ বাবে প্ৰয়োজন সাপেক্ষে বিকল্প পৰিকল্পনা কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লোৱা হয়। গুৰুত্বপূৰ্ণ তথ্য অনুসৰি, গুৱাহাটী মহানগৰীত প্ৰায় ৩০০ তকৈও অধিক স্থান ভূমিস্খলন প্ৰৱণ অঞ্চল হিচাপে চিহ্নিত কৰা হৈছে। বৈঠকত এই অঞ্চলসমূহৰ ওপৰত কঠোৰ নজৰ ৰখাৰ লগতে বিপদসংকুল এলেকাত বসবাস কৰা লোকসকলক সজাগ কৰিবলৈ জনসচেতনতা কাৰ্যসূচী অধিক জোৰদাৰ কৰাৰ নিৰ্দেশ দিয়া হয়। শিলসাঁকো, জুৰিপাৰ, ভৰলু, বাহিনী, বশিষ্ঠ আৰু পামহীৰ সৈতে সংযুক্ত প্ৰধান নিষ্কাশন ব্যৱস্থাৰ অৱস্থা আৰু ৰক্ষণাবেক্ষণ সন্দৰ্ভতো বিশদ পৰ্যালোচনা কৰা হয়। যোৰাবাট-বৰ্নিহাট ক'ৰিডৰৰ প্ৰসংগটোও বৈঠকত আলোচিত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ মুখ্য স্থানসমূহ, বিশেষকৈ জালুকবাৰী-গড়চুকৰ মাজৰ অঞ্চল, এপ'ল, এ'লেকেয়াৰৰ ওচৰৰ অঞ্চল আৰু মালিগাঁৱত থকা ক্ৰছ-ড্ৰেনেজ গঠনসমূহৰ মূল্যায়ন কৰা হয়। গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণক ছুপাৰ চাকাৰ আৰু পাম্পিং মেচিন ২৪ ঘণ্টাই কাৰ্যক্ষম কৰি ৰাখিবলৈ নিৰ্দেশ দিয়া হয়। সকলো জৰুৰীকালীন সঁহাৰি ব্যৱস্থা সদায় কাৰ্য্যক্ষম কৰি ৰখাৰ বাবেও বৈঠকত নিৰ্দেশনামূলক সিদ্ধান্ত লোৱা হয়। বৈঠকখনত বিশেষ মুখ্য সচিব, অতিৰিক্ত মুখ্য সচিব (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা), আয়ুক্ত আৰু বিশেষ সচিব (লোক নিৰ্মাণ-পথ), উপ আয়ুক্ত (মেট্ৰ'), আৰক্ষী আয়ুক্ত, নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালক, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ কাৰ্যবাহী সঞ্চালক আৰু অন্যান্য সংশ্লিষ্ট বিভাগীয় প্ৰতিনিধি উপস্থিত আছিল। আগন্তুক বৰষুণৰ সময়ত ৰাজধানীবাসী যাতে নিৰাপদে থাকে তাৰ বাবে প্ৰশাসনে সকলো নাগৰিকক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। বাসিন্দাসকলক নিজৰ যাত্ৰাৰ পৰিকল্পনা আগতীয়াকৈ কৰি ল'বলৈ, পানী জমা বেই আৰু বানপানী প্ৰৱণ অঞ্চল এৰাই চলিবলৈ লগতে মুকলি নলা, নদী আৰু ভূমিস্খলন সম্ভাৱী অঞ্চলৰ ওচৰত খোজ দিয়াত বিৰত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

## অসমত চেঞ্চুৰী, পশ্চিমবংগত

নিৰ্বাচন সম্পূৰ্ণ হৈছে। মই সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰোঁ যে প্ৰথম পৰ্যায়তেই বিজেপিয়ে ১১০খন আসন লাভ কৰিছে। এইবাৰ আমি অসমত ১০০খন আসন লাভ কৰিম। পশ্চিমবংগত আমি ২০০খন আসন পাম। অসমত আমি চেঞ্চুৰী মাৰিম আৰু পশ্চিমবংগত আমি ডাবল চেঞ্চুৰী মাৰিম।" শৰ্মাই দাবী কৰে যে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পিছত পশ্চিমবংগৰ ৰাজনৈতিক পৰিৱেশ বিজেপিৰ সপক্ষে যথেষ্ট পৰিৱৰ্তন হৈছে। তেওঁ লগতে কয়, "যি ছুনামি আহিছে যদি ২০০ৰ ওপৰলৈ যায়, তাতো আচৰিত হ'বলগীয়া একো নাই। ২০১৬ আৰু ২০১৯ চনত পশ্চিমবংগৰ প্ৰতিটো নিৰ্বাচনত মই অংশ লৈছিলোঁ, কিন্তু এইবাৰৰ দৰে বিজেপিৰ প্ৰতি জনসাধাৰণৰ আস্থা আমি আগতে কেতিয়াও দেখা পোৱা নাছিলোঁ।" মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে পূৰ্বে যিসকল ভোটাৰ অনিশ্চিত আছিল, তেওঁলোকে এতিয়া মুকলিকৈ বিজেপিক সমৰ্থন কৰিবলৈ আৰম্ভ কৰিছে। তেওঁ কয়, "প্ৰথম অৱস্থাত যিসকলে ভোট দিবলৈ গৈছিল তেওঁলোকৰ মনত সামান্য অনিশ্চয়তা আছিল। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ পিছত ইয়াত সেই পৰিৱেশৰ পৰিৱৰ্তন হৈছে। পশ্চিমবংগত বিজেপি জয়ী হ'ব বুলি এতিয়া মানুহে দৃঢ়ভাৱে বিশ্বাস কৰে।" উল্লেখযোগ্য যে এইবাৰ পশ্চিমবংগত ভোটদানৰ হাৰে পূৰ্বৰ অভিলেখ ভংগ কৰিছে। নিৰ্বাচন আয়োগৰ শেহতীয়া তথ্য অনুসৰি পশ্চিমবংগত প্ৰথম পৰ্যায়ৰ ভোটদানৰ হাৰ আছিল ৯১.৯১ শতাংশ। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰেও কয় যে স্বাধীনতাৰ পিছত এইবাৰেই পশ্চিমবংগ আৰু তামিলনাডুত ভোটদানৰ হাৰ সৰ্বাধিক। অসমতে ৯ এপ্ৰিলত সম্পন্ন হোৱা বিধানসভা নিৰ্বাচনৰ ভোট গণনা অনুষ্ঠিত হ'ব অহা ৪ মে'ত। মুখ্যমন্ত্ৰী শৰ্মাই এইবাৰ অসমত দলটোৱে ১০০খন আসন পাব বুলি গুৰুতৰ দাবী উত্থাপন কৰিছে।

## নোৱাখাটত ট্ৰেভেলাৰ-

মাজত মুখামুখি সংঘৰ্ষ হয়। এই দুৰ্ঘটনাত এগৰাকী প্ৰতিভাৱান যুৱতী বিহুৱতীৰ মৃত্যু ঘটে। নিহত যুৱতীগৰাকী হৈছে ২৫ বছৰীয়া নিশামণি হালৈ। তেওঁ তামোলপুৰ জিলাৰ নিজ ঝাৰগাঁৱৰ বাসিন্দা আছিল। নলবাৰীৰ হাৰিভাঙাৰ 'ভাস্কৰজ্যোতি বিহু হুঁচৰি দল'টোৱে এখন ট্ৰেভেলাৰ বাহনত (নম্বৰ AS-25-DC-5893) তামোলপুৰৰ বাঙালীপাৰলৈ বিহু প্ৰদৰ্শনৰ বাবে যাত্ৰা কৰিছিল। পথত নোৱাখাটত পোৱাৰ বিপৰীত দিশৰ পৰা অহা PB 03 AP 6681 নম্বৰৰ এখন দ্ৰুতবেগী ট্ৰেইলাৰে ট্ৰেভেলাৰখনত সোঁমাতে সংঘৰ্ষ কৰে। বিহুৱা দলটোৰ মূল নাচনী নিশামণি হালৈ দুৰ্ঘটনাস্থলীতে কৰুণ মৃত্যুক আঁকোৱালি লয়। ট্ৰেভেলাৰখনত মুঠ ৩০ গৰাকী লোক আছিল। এই দুৰ্ঘটনাত নিশামণি হালৈৰ মৃত্যুৰ লগতে অন্য ১১ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। আহতসকলৰ নাম হৈছে: অৰুণ মেধি, বিদ্যুৎ দাস, জগত ৰায়, চালক পংকজ বৈশ্য, অংকিতা দাস, ৰতন কলিতা, নিতু বৰুৱা, শিৱানী বৰুৱা, কাব্যশ্ৰী চাৰুৱা আৰু দিবাকৰ মৰাণ। আহত সকলৰ ভিতৰত পাঁচজনৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। তেওঁলোকক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। প্ৰতিভাৱান যুৱতীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ছ'চিয়েল মিডিয়া এ'ত (পূৰ্বৰ টুইটাৰ) পোষ্ট কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এক অতি দুখৰ খবৰ পুৱাই শুনি মনটি গভীৰভাৱে ব্যথিত হ'ল। নলবাৰী জিলাৰ হাৰিভাঙাৰ ভাস্কৰজ্যোতি বিহু হুঁচৰি দলটিয়ে যোৱানিশা তামোলপুৰৰ নোৱাখাটত এক ভয়াৱহ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাস্থলীতে কৰুণ মৃত্যুক আঁকোৱালি লয় দলটিৰ মূল বিহুৱতী গায়িকা তথা অসমৰ নাগাৰা নামৰ জনপ্ৰিয় পাঠিকা নিশামণি হালৈয়ে।" তেওঁ লগতে কয়, "এক প্ৰচুৰ সম্ভাৱনা কলিতে মৰহি গ'ল। এই মৃত্যু সঁচাকৈয়ে আমাৰ বাবে বৃহৎ ক্ষতি। তেওঁৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে দুৰ্ঘটনাটিত গুৰুতৰভাৱে আহত হৈ বৰ্তমানে চিকিৎসাধীন অৱস্থাত থকা প্ৰতিগৰাকী বিহুৱা-বিহুৱতীৰ আশু আৰোগ্য কামনা কৰিলোঁ। ভুক্তভোগী পৰিয়ালকেইটিলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।" উল্লেখযোগ্য যে এই বিহুৰ সময়ত অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা বিহু অনুষ্ঠান যাতায়াতৰ সময়ত অসতৰ্কতা আৰু দ্ৰুতগতিৰ বাবে বহু দুৰ্ঘটনা সংঘটিত হয় যদিও প্ৰাণহানিকাৰী এনে ঘটনাই সমগ্ৰ অসমবাসীক শোকস্তব্ধ কৰি তুলিছে। নিশামণি হালৈৰ মৃত্যুত স্থানীয় সংগীত আৰু নৃত্য জগততো শোকৰ বতাহ বোৱাইছে।

## ডিটেনচন কেম্পত বঙালী হিন্দু থাকিলে মই আজিয়েই

কাৰ্যকৰী কৰাৰ লগতে বংগৰ অনুপ্ৰৱেশ সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শনিবাৰে কলকাতাত এএনআইৰ সৈতে এক সাক্ষাৎকাৰত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "তৃণমূল কংগ্ৰেছৰ সদস্যসকলে কেতিয়াবা কয় যে অসমৰ ডিটেনচন কেম্পত বহু বঙালী হিন্দু আছে। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই স্পষ্টকৈ ক'ব বিচাৰো যে অসমৰ ডিটেনচন কেম্পত এজনো বঙালী হিন্দু নাই। তাত যদি এজনো বঙালী হিন্দু আছে, তেন্তে মই আজি পদত্যাগ কৰিবলৈ সাজু।" ইপিনে তেওঁ প্ৰবাসী বঙালী হিন্দুসকলক নিৰাপত্তাৰ আশ্বাস দি কয় যে ভাৰতত হিন্দু সুৰক্ষিত নহ'লে আন ক'ত সুৰক্ষিত হ'ব? মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বিজেপিৰ বিৰুদ্ধে 'কণী আৰু মাছ'ক লৈ কৰা মন্তব্যৰ জবাবে হিমন্ত বিশ্ব শৰ্মাই কটাক্ষ কৰি কয়, "আহক, মোৰ লগত খাওক। মই তেওঁতকৈ এ কিলোগ্ৰাম বেছি খাম।" তেওঁ তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীৰ প্ৰতি লক্ষ্য কৰি কয়, "অভিষেকজীয়ে অমিত শ্বাহজীক প্ৰত্যাহ্বান জনোৱাৰ প্ৰয়োজন নাই। ৪ মে'ত ফলাফল আহিব আৰু অভিষেক ডুবাই পলাই যাব।" অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে CAAৰ অধীনত হিন্দুসকলক সুৰক্ষিত বুলি মন্তব্য কৰাৰ লগতে উচ্চতম ন্যায়ালয়ে অসমক দিয়া 'অবৈধ অনুপ্ৰৱেশকাৰী বহিষ্কাৰ আইন, ১৯৪৮'ৰ ক্ষমতাৰ কথা উল্লেখ কৰে। তেওঁ কয়, "যদি কোনো আয়ুক্তই কাকো অনুপ্ৰৱেশকাৰী বুলি বিবেচনা কৰে, তেন্তে তেওঁলোকে ৪৮ ঘণ্টাৰ ভিতৰত ভাৰতৰ মাটিৰ পৰা বহিষ্কাৰ কৰিব পাৰে। মোৰ বিশ্বাস কংগ্ৰেছে প্ৰণয়ন কৰা এই আইনখন পাঁচখন ৰাজ্যলৈ সম্প্ৰসাৰিত কৰা উচিত।" পশ্চিমবংগৰ জনগাঁথনি পৰিৱৰ্তনৰ প্ৰসংগত হিমন্ত বিশ্ব শৰ্মাই কয় যে বাংলাদেশী অনুপ্ৰৱেশকাৰীসকল পশ্চিমবংগৰ মাজেৰেই আহে, যাৰ ফলত ৰাজ্যখনৰ লগতে সমগ্ৰ দেশৰ জনগাঁথনি সলনি হৈছে। "পশ্চিমবংগৰ নিৰ্বাচনত প্ৰতিজন ভাৰতীয়ৰ অংশীদাৰিত্ব আছে কাৰণ ইয়াৰ প্ৰভাৱ প্ৰথমে অসম আৰু বংগৰ ওপৰত, তাৰ পিছত গোটেই দেশৰ ওপৰত পৰিব, "বুলি তেওঁ মত পোষণ কৰে। উল্লেখ্য যে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ আগন্তুক ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। তাৰ পিছতে অহা ৪ মে'ত অসমৰ লগতে পশ্চিমবংগৰো ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ আগতে মুখ্যমন্ত্ৰী শৰ্মাই ভৱিষ্যদ্বাণী কৰিছিল যে অসমত বিজেপিয়ে চেঞ্চুৰী (১০০খন) আৰু পশ্চিমবংগত ডাবল চেঞ্চুৰী (২০০খন) আসন লাভ কৰিব।

## নিশা ১২ বজাৰ আগতেই সামৰক বিহুৰ অনুষ্ঠান;

সমিতিয়ে নিশা ১২ বজাৰ আগতেই অনুষ্ঠান সামৰণি মাৰিব লাগে। সমিতিয়ে জনোৱা আহ্বান অনুসৰি, নিশা ১২ বজাৰ পাছত কোনো বিহু অনুষ্ঠান অনুষ্ঠিত নকৰাকৈ থকাৰ বাবে কঠোৰভাৱে নিৰ্দেশ দিয়া হৈছে। অসমৰ বিভিন্ন প্ৰান্তত বিহু অনুষ্ঠানৰ সময়ত দেৰি ৰাতিলৈকে অনুষ্ঠান চলে, যিয়ে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰে। নিশামণি হালৈৰ মৃত্যুৱে সমাজৰ চকু মেলি দিছে যে অসতৰ্কতা আৰু দেৰিৰ ফলত কিমান ডাঙৰ মূল্য দিব লগা হয়। সেইবাবেই এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ বাবে সমিতিয়ে প্ৰশাসনকো কঠোৰ ব্যৱস্থা লোৱাৰ আহ্বান জনাইছে। বিহু সুৰক্ষা সমিতিৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই কয়, "আমি দেখা পাইছো যে বহু বিহু সমিতিয়ে দেৰি ৰাতিলৈকে অনুষ্ঠান আয়োজন কৰে, যি নানান দুৰ্ঘটনাৰ কাৰণ হৈ পৰে। নিশামণি হালৈৰ অকাল মৃত্যুৱে আমাক জোকাৰি গৈছে। গতিকে আমি সকলো বিহু সমিতিক অনুৰোধ জনাইছো যে তেওঁলোকে নিশা ১২ বজাৰ আগতেই অনুষ্ঠান সামৰি লওক। ইয়াৰোপৰি প্ৰশাসনেও টহল বৃদ্ধি কৰি যাতে কোনো অনুষ্ঠান নিৰ্ধাৰিত সময় সীমা উলংঘা কৰি নচলে, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক।" সমিতিয়ে লগতে কয় যে, বিহু অনুষ্ঠানৰ বিষয়ববীয়া তথা সদস্যসকলে জাতীয় সাজপাৰ পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগতে 'বিহু সম্ৰাট', 'বিহু ৰাণী', 'বিহু কুঁৱৰী' আদি উপাধি ব্যৱহাৰ নকৰিবলৈও নিৰ্দেশ দিছে। তেওঁলোকে কয় যে, "এয়া ৰজা-প্ৰজাৰ যুগ নহয়, এনেদৰে উপাধিৰ ব্যৱহাৰ লোকসংস্কৃতিৰ সৈতে সংগতিহীন।" ৰাজ্যৰ প্ৰশাসনক আহ্বান জনাই বিহু সুৰক্ষা সমিতিয়ে কয়, "যিটো স্থানত বিহু অনুষ্ঠান অনুষ্ঠিত হয়, তাত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা, যান-বাহনৰ সুবিধা আদি চোৱাচিতা কৰাৰ বাবেও প্ৰশাসনে ব্যৱস্থা ল'ব লাগে। যাতে কোনো বিহুৱতীয়ে পথ দুৰ্ঘটনাৰ সন্মুখীন নহয়।" উল্লেখ্য যে শুকুৰবাৰে নিশা নাওকাটা অঞ্চলত এটা মিনিবাছ আৰু পণ্যবাহী ট্ৰাকৰ মাজত মুখামুখি সংঘৰ্ষ হয়। সেই মিনিবাছখনত থকা বিহু দলটোৰ নৃত্য পৰিৱেশনৰ বাবে যাত্ৰা কৰি আছিল। এই সংঘৰ্ষত পাঁচজন গুৰুতৰভাৱে আহত হওঁতে নিশামণি হালৈ নামৰ নৃত্য শিল্পীগৰাকীয়ে ঘটনাস্থলীতেই প্ৰাণ হেৰুৱায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰি নিহতৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। ৰঙালী বিহুৰ বতৰত ঘটা এই দুৰ্ঘটনাই সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। বিহু সুৰক্ষা সমিতিৰ এই আহ্বান সম্পৰ্কে জনসাধাৰণে ইতিবাচক সঁহাৰি জনাইছে, বহু বিহু সমিতিয়ে নিজা উদ্যোগতে সময় সীমা নিৰ্ধাৰণ কৰি অনুষ্ঠানৰ আয়োজনৰ প্ৰয়াস চালু কৰিছে।

## অমিত শ্বাহৰ 'উল্টো কৰি ওলোমাই দিয়া' মন্তব্যৰ

গোচৰ ৰুজু কৰাৰ পৰিকল্পনা কৰিছে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। শনিবাৰে হুগলিত এখন সভাত ভাষণ দি তৃণমূল কংগ্ৰেছ নেত্ৰীয়ে এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। মমতা বেনাৰ্জীয়ে সভাত কোৱা শুনা যায়, "অমিত শ্বাহৰ হিংসাত্মক বক্তব্যৰ বাবে আমি তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'বলৈ ওলাইছো। কেন্দ্ৰীয় গৃহমন্ত্ৰী হিচাপে তেওঁ এনে মন্তব্য দিব নোৱাৰে। এজন গৃহমন্ত্ৰীয়ে কেনেধৰণৰ ভাষা ব্যৱহাৰ কৰিছে? নিৰ্বাচনৰ পিছত মানুহক ওলোটাকৈ ওলোমাই দিব বুলি কোৱাটো গ্ৰহণযোগ্য নহয়। এই মানসিকতাৰে আপুনি কেতিয়াও বংগক জিকিব নোৱাৰিব — কেতিয়াও নোৱাৰে!" উল্লেখ্য যে শুকুৰবাৰে পশ্চিমবংগৰ আৰামবাগত এক নিৰ্বাচনী সভাত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তৃণমূল কংগ্ৰেছৰ কথিত 'গুণ্ডা'ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সকীয়নি দিয়ে। তেওঁ স্পষ্টভাৱে কয়, "মই দিদিৰ গুণ্ডাবোৰক ২৯ মে'ত ঘৰৰ পৰা ওলাই নাহিবলৈ সকীয়াই দিছো। যদি ২৯ মে'ত আৰামবাগবাসীক হাৰাশাস্তি কৰা হয়, তেন্তে ৫ মে'ৰ পিছত আমি তেওঁলোকক ওলোটাকৈ ওলোমাই পাঠ শিকাম।" অমিত শ্বাহৰ এই মন্তব্যক লৈ তৎক্ষণাত সমালোচনাৰ সোঁত বোৱাই উঠে। মমতা বেনাৰ্জীৰ দলীয় নেতা-কৰ্মীসকলে ইয়াক গৃহমন্ত্ৰী পদৰ মৰ্যাদাৰ পৰা চ্যুত আৰু হিংসাত্মক বুলি আখ্যা দি কয় যে এনে উস্কানীমূলক বক্তব্য নিৰ্বাচনী পৰিৱেশ নষ্ট কৰাৰ চেষ্টা। অন্যহাতে বিজেপি নেতৃত্বই অমিত শ্বাহৰ বক্তব্য সমৰ্থন কৰি কয় যে তৃণমূলৰ সন্ত্ৰাসৰ বিৰুদ্ধে কঠোৰ হোৱাটো প্ৰয়োজনীয়। শ্বাহে শুকুৰবাৰে পশ্চিমবংগৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অভিলেখ সৃষ্টিকাৰী ভোটদানৰ বাবে ভোটাৰক অভিনন্দন জনায় আৰু শান্তিপূৰ্ণ ভোটগ্ৰহণ প্ৰক্ৰিয়া সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগ আৰু নিৰাপত্তা বাহিনীক প্ৰশংসা কৰে। কিন্তু ইফালে তেওঁৰ 'উল্টোকৈ ওলোমোৱা' শৈলীৰ সংযুতি যেন নিৰ্বাচনী অগ্নিগোলকত নিমখ ছটিয়াই দিয়াৰ দৰে হৈছে। মমতা বেনাৰ্জীয়ে এই প্ৰসংগত কয় যে তেওঁ অমিত শ্বাহৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে গোচৰ ৰুজু কৰাৰ প্ৰক্ৰিয়া দ্ৰুতগতিতে আগবঢ়াই নিব। পশ্চিমবংগত অহা ২৯ এপ্ৰিলত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। তাৰ পিছতে ৪ বা ৫ মে'ত ভোটগণনাৰ পিছত ফলাফল ওলাব। ইপিনে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ভৱিষ্যদ্বাণী কৰিছে যে পশ্চিমবংগত এইবাৰ বিজেপিয়ে ২০০খন আসন পাব আৰু অসমত ১০০খন আসন লাভ কৰিব।

## উচ্চতম ন্যায়ালয়লৈ যাওক

কোনো আপত্তি নাই। তেওঁ কয়, "কংগ্ৰেছ দল উচ্চতম ন্যায়ালয়ৰ কাষ চাপিবলৈ সম্পূৰ্ণ স্বাধীন। আইনৰ পৰিসৰৰ ভিতৰত তেওঁলোকে যি বিচাৰে তাকে কৰিব পাৰে। আমাৰ সেই সিদ্ধান্তত কোনো আপত্তি নাথাকে।" মুখ্যমন্ত্ৰী শৰ্মাই এএনআইৰ সৈতে হোৱা এক সাক্ষাৎকাৰত এই মন্তব্য কৰে। উল্লেখযোগ্য যে সম্প্ৰতি গুৱাহাটী উচ্চ ন্যায়ালয়ে জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াৰ অগ্ৰিম জামিনৰ আবেদন খাৰিজ কৰি দিয়ে। ইয়াৰ পিছতেই কংগ্ৰেছ দলে উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়লৈ যোৱাৰ পৰিকল্পনা কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ পায়। সেই প্ৰতিবেদনৰ প্ৰতিক্ৰিয়াতে মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছক উচ্চতম ন্যায়ালয় যাবলৈ উৎসাহিত কৰে। আনফালে, কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশে শনিবাৰে ছ'চিয়েল মিডিয়া এ'ত (পূৰ্বৰ টুইটাৰ) পোষ্ট কৰি দলটোৰ সমৰ্থন প্ৰকাশ কৰে। তেওঁ লিখে, "ভাৰতীয় জাতীয় কংগ্ৰেছে সংবাদ মাধ্যম আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেড়াৰ সৈতে দৃঢ়তাৰে থিয় দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিলৰ প্ৰক্ৰিয়া চলি আছে। ভাবুকি, ভয় আৰু হাৰাশাস্তিৰ ৰাজনীতিৰ ওপৰত ন্যায়ৰ প্ৰাধান্য পাব বুলি আমি আত্মবিশ্বাসী।" তেওঁ লগতে আশা প্ৰকাশ কৰে যে উচ্চতম ন্যায়ালয়ে পৱন খেড়াক এই গোচৰত প্ৰয়োজনীয় সকাহ প্ৰদান কৰিব। গোচৰটোৰ পটভূমি অনুসৰি, ৫ এপ্ৰিলত নতুন দিল্লীত এখন সংবাদমেলত পৱন খেড়াই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ তিনিখনকৈ পাছপ'ৰ্ট থকাৰ লগতে বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল। সেই অভিযোগক ভিত্তিহীন বুলি গণ্য কৰি ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে অপৰাধ শাখাত গোচৰ দাখিল কৰে। সেই গোচৰতে গুৱাহাটী উচ্চ ন্যায়ালয়ে পৱন খেড়াৰ অগ্ৰিম জামিন আবেদন খাৰিজ কৰে। এতিয়া এই ৰায়ৰ বিৰুদ্ধেই কংগ্ৰেছ দলে উচ্চতম ন্যায়ালয়ত গৃহীত হ'বলৈ সাজু হৈ উঠিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই একাধিক সাক্ষাৎকাৰত নিজৰ পত্নীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ নাকচ কৰি আহিছে। তেওঁ শেহতীয়াকৈ আন এক সাক্ষাৎকাৰত কয় যে কোনো ডিটেনচন কেম্পত এজনো বঙালী হিন্দু থাকিলে তেওঁ পদত্যাগ কৰিবলৈ সাজু।

## আপ এৰিলে ৰাজ্যসভাৰ

সমগ্ৰ দেশকে বিৰক্ত কৰি তুলিছে, মই ভাবো এনে এজন নেতাৰ বাবে প্ৰচাৰ চলোৱাৰ নৈতিক কৰ্তব্য ক'ত থাকে?" তেওঁ দলত্যাগ প্ৰসঙ্গত ৰাঘৱ চাধা আৰু আন আন সাংসদসকললৈ ইংগিত দি কয় যে ডুব যাবলৈ ধৰা নাৱত কোনেও উঠিব নিবিচাৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে লগতে কটাক্ষ কৰি কয়, "প্ৰথমে আম আদমী পাৰ্টি ডুব গ'ল। এতিয়া টিএমচি ডুব যাব। বিৰোধী শিবিৰ এতিয়া বিলুপ্তিৰ পথত আগবাঢ়িছে। আপৰ সাংসদসকলে বিজেপিক বিশ্বাস কৰি যোগদান কৰিছে, যিটো স্বাভাৱিক।" তেওঁ ভৱিষ্যতৰ প্ৰতি সংকেত দি কয়, "এতিয়া আৰু বহুত কিবা কিবি হ'বলগীয়া আছে। মাত্ৰ চাই থাকক আগলৈ কি হয়।" উল্লেখযোগ্য যে আম আদমী পাৰ্টিৰ ৰাজ্যসভাৰ দলটো এই দলত্যাগৰ পাছত নাটকীয়ভাৱে সৰু হৈ পৰিছে। দলত্যাগী সাংসদসকলৰ ভিতৰত অন্যতম মুখ্য চেহেৰা হৈছে ৰাঘৱ চাধা, যিয়ে কিছুদিন আগলৈকে আপৰ শীৰ্ষ নেতা হিচাপে পৰিচিত আছিল। তেওঁ আৰু আন দুগৰাকী সাংসদে বিজেপিত যোগদান কৰি দলটোক শক্তিশালী কৰাৰ সিদ্ধান্ত লৈছে। আন হাতত, আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে এতিয়ালৈকে এই ঘটনাৰ ওপৰত কোনো প্ৰত্যক্ষ মন্তব্য দিয়া নাই। ৰাজনৈতিক বিশ্লেষকসকলে এই দলত্যাগক বিৰোধী শিবিৰৰ বাবে এক ডাঙৰ ধকা বুলি অভিহিত কৰিছে। অহা ৪ মে'ত অসম আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'বলৈ থকা সময়ত নীতিন নবীনে আন এক আশংকাও শুনাইছে যে এই দলত্যাগৰ প্ৰভাৱ পশ্চিমবংগৰ নিৰ্বাচনী ফলাফলতো পৰিব বুলি তৃণমূল কংগ্ৰেছ সন্দৰ্ভত তেওঁৰ মন্তব্যত স্পষ্ট হৈ পৰিছে। এই প্ৰেক্ষাপটত, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপিৰ শীৰ্ষ নেতাসকলে ইতিমধ্যে স্পষ্ট ভৱিষ্যদ্বাণী কৰিছে যে এইবাৰ অসমত শতাধিক আৰু পশ্চিমবংগত দুশৰো অধিক আসন লাভ কৰিব দলটোৱে।

## দুদিনীয়া আৰক্ষীৰ জিম্মা শেষ

কনফাৰেন্সিঙৰ জৰিয়তে আদালতত হাজিৰ কৰোৱা হয়। একেদিনাই তেওঁৰ ৯ গৰাকী সহযোগীকো গোবিন্দৱাল, ভাতিন্দা আৰু পাটিয়ালা জেলৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে শুনানি প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হয়। এই গোচৰটোৰ সূত্ৰপাত ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত। ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ ভিতৰত থকা এনএছএ চেলৰ পৰা কিছুমান অননুমোদিত ইলেক্ট্ৰনিক যন্ত্ৰ উদ্ধাৰ পোৱাৰ ঘটনাক লৈ গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰৰ ভিত্তিতেই ন্যায়িক দণ্ডাধীশ চন্দন শইকীয়াৰ আদালতত অমৃতপাল সিঙৰ শুনানি গ্ৰহণ কৰা হয়। আৰক্ষী থানাৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজত তেওঁক আদালতত হাজিৰ কৰোৱা হয়। কাৰাগাৰৰ দৰে উচ্চ নিৰাপত্তাৰ মাজতো কেনেকৈ এই যোগাযোগ যন্ত্ৰসমূহ ব্যৱহাৰ কৰা হৈছিল, তাৰ ওপৰত কাৰাগাৰৰ নিৰাপত্তা আৰু নিৰীক্ষণ ব্যৱস্থাৰ প্ৰতি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে ২০২৩ চনত পঞ্জাৱ আৰক্ষীৰ বিশেষ অভিযানৰ সময়ত অমৃতপাল সিঙক এনএছএৰ অধীনত আটক কৰি ডিব্ৰুগড় জেললৈ অনা হৈছিল। শেহতীয়াকৈ তেওঁৰ তিনি বছৰীয়া কাৰাবাসৰ সময়সীমা শেষ হোৱাত পঞ্জাৱ আৰক্ষীয়ে পুৰণি গোচৰৰ ভিত্তিতে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি আইনী প্ৰক্ৰিয়া আগবঢ়াই নিছে। ইফালে, অমৃতপাল সিঙৰ সমৰ্থকসকলে এই পুনৰগ্ৰেপ্তাৰক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি অভিযোগ উত্থাপন কৰিছে। কিন্তু আৰক্ষীয়ে দাবী কৰিছে যে কাৰাগাৰৰ ভিতৰত চলি থকা নিৰাপত্তা ভংগৰ ঘটনাটো অতি গুৰুতৰ, আৰু সেয়ে দৰকাৰী আইনী প্ৰক্ৰিয়া অনুসৰণ কৰা হৈছে। অমৃতপাল সিঙক অহা কেইদিনমানৰ ভিতৰত পুনৰাই আদালতত হাজিৰ কৰোৱাৰ সম্ভাৱনা আছে।

## সাতটা মছলাৰ সৈতে

নহৰু, জিৰা, মেথি গুড়ি, ৰঙা জলকীয়া, ক'লা জলকীয়া, আৰু ধনীয়া — এই সাতটা উপাদান মিলি খাদ্য সুস্বাদু কৰি তোলে। কিন্তু এইবোৰ অকলে কেতিয়াও সজী হ'ব নোৱাৰে। যেতিয়ালৈকে কোনো খাদ্যত এই মছলাবোৰ যোগ নকৰা হয়, তেতিয়ালৈকে ইহঁতৰ কোনো গুৰুত্ব নাথাকে।" তেওঁ লগতে কয় যে মছলাবোৰ নিজৰ মাজত নিৰ্বিকাৰ, কিন্তু অন্য উপাদানৰ সৈতে মিহলি হ'লেহে ইহঁতে গুৰুত্ব পায়। ভগৱন্ত মানৰ এই পোষ্টক ৰাজনৈতিক বিশ্লেষকসকলে সম্প্ৰতি আম আদমী পাৰ্টি ত্যাগ কৰা তথা বিজেপিত যোগদান কৰা সাংসদসকলৰ প্ৰতি এক পৰোক্ষ কটাক্ষ বুলি অভিহিত কৰিছে। বিশেষকৈ ৰাঘৱ চাধা, যিয়ে কিছুদিন পূৰ্বে শীৰ্ষ আপ নেতা হিচাপে থাকি হঠাতে দল ত্যাগ কৰি বিজেপিত যোগদান কৰে, তেওঁকে লক্ষ্য কৰিয়েই এই মন্তব্য বুলি ধাৰণা কৰা হৈছে। ইফালে, আম আদমী পাৰ্টিৰ মুঠ ১০ গৰাকী ৰাজ্যসভাৰ সাংসদৰ ভিতৰত ৭ গৰাকী দল ত্যাগ কৰা বা ছাসপেণ্ড হোৱাৰ পটভূমিত ৰাজ্যসভাত আপৰ শক্তি নাটকীয়ভাৱে হ্ৰাস পাইছে। তিনিজন সাংসদে ইতিমধ্যে বিজেপিত যোগদান কৰাৰ ঘোষণা কৰিছে, আনহাতে চাৰিজন সাংসদক লৈ এতিয়াও ছাসপেন্স অব্যাহত আছে। এই পৰিপ্ৰেক্ষিতত ভগৱন্ত মানৰ মন্তব্যক আপৰ ভিতৰুৱা বিদ্ৰোহ আৰু দলৰ নৈতিক সংকটৰ প্ৰতিক্ৰিয়া হিচাপেও দেখা হৈছে। উল্লেখযোগ্য যে ইয়াৰ কিছুদিন পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও আম আদমী পাৰ্টিৰ দলত্যাগ প্ৰসঙ্গত কটাক্ষ কৰি কৈছিল, "ডুব যাবলৈ ধৰা নাৱত কোনেও উঠিব নিবিচাৰে।" ভগৱন্ত মানৰ মন্তব্যে আপ শিবিৰত এক নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। তেওঁৰ এই 'মছলা' প্ৰসংগই গুৰুত্ব আৰোপ কৰিছে যে কোনো ব্যক্তি বা উপাদানৰ অকলশৰীয়া গুৰুত্ব নাথাকে, কিন্তু মিতিৰৰ বলতহে গোটটোৱে প্ৰাসংগিকতা লাভ কৰে — যিটো কথাক আপৰ বৰ্তমান অৱস্থাৰ দ্বাৰা পৰোক্ষভাৱে প্ৰমাণিত হৈছে বুলি ভগৱন্ত মানে ইংগিত দিছে।

## আইপিএল মেচত ভয়ংকৰ দুৰ্ঘটনা; মূৰত প্ৰচণ্ড আঘাত

ষ্টেডিয়ামত দিল্লী কেপিটেলছ আৰু পঞ্জাৱ কিংছৰ মাজত চলি থকা খেলখনৰ প্ৰথম অংশতে লুঙ্গি এনগিডি নামৰ দক্ষিণ আফ্ৰিকান বেগী বলাৰজন ভয়ংকৰভাৱে আঘাতপ্ৰাপ্ত হয়। বল ধৰিবলৈ যাওঁতে তেওঁ ভাৰসাম্য হেৰুৱাই মাটিত পৰি মূৰৰ পিছফালে প্ৰচণ্ড খুন্দা মাৰে। আঘাত ইমান গুৰুতৰ হোৱাত তৎক্ষণাৎ খেল বন্ধ কৰি তেওঁক এম্বুলেন্সযোগে হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাটো ঘটে পঞ্জাৱ কিংছৰ ইনিংছৰ একেবাৰে আৰম্ভণিতে। অক্ষৰ পেটেলৰ এটা বলত পঞ্জাৱৰ বেটাৰ প্ৰিয়াংশ আৰ্যই বলটো মিড-অফ অঞ্চলৰ ওপৰলৈ উৰাই মাৰে। সেই অঞ্চলত থকা লুঙ্গি এনগিডিয়ে কেচটো ধৰিবলৈ চেষ্টা কৰে। কিন্তু বলৰ গতি সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰি তেওঁ পাছফালে গৈ কেচটো ধৰিব বিচাৰোঁতে উজুটি খাই তললৈ পৰে। মুহূৰ্ততে তেওঁৰ মূৰটো মাটিত জোৰকৈ খুন্দা খায়। এই মৰ্মান্তিক দৃশ্য দেখি দুই পক্ষৰ খেলুৱৈসকল হতবাক হৈ পৰে। দিল্লীৰ খেলুৱৈসকল দৌৰি লুঙ্গি এনগিডিৰ ওচৰলৈ যায়। পঞ্জাৱৰ বেটাৰ প্ৰিয়াংশ আৰ্য আৰু প্ৰভচিমৰন সিঙকো অতি চিন্তিত দেখা যায়। তেওঁলোকে তৎক্ষণাত চিকিৎসকৰ সহায়ৰ বাবে সংকেত দিয়ে। প্ৰায়ে ১৫ মিনিট ধৰি খেল সম্পূৰ্ণৰূপে বন্ধ কৰি ৰখা হয়। আই হেলদি চিকিৎসকসকলে খেলপথাৰৰ মাজতে প্ৰথমবাৰৰ চিকিৎসা প্ৰদান কৰে। সেই সময়ছোৱাত গোটেই ষ্টেডিয়ামখন নিস্তব্ধ হৈ পৰে। দৰ্শকসকলেও বলাৰজনৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰা দেখা যায়। পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি খেলপথাৰলৈ ষ্ট্ৰেচাৰ আৰু এম্বুলেন্স অনা হয়। চিকিৎসকে লুঙ্গি এনগিডিৰ ডিঙিত নেক ব্ৰেচ (Neck brace) লগাই তেওঁক অধিক পৰীক্ষা-নিৰীক্ষাৰ বাবে হাস্পতাললৈ লৈ যায়। পাছত দিল্লী কেপিটেলছে 'কনকাচন চাবষ্টিটিউট' (Concussion substitute) হিচাপে ভাৰতীয় অলৰাউণ্ডাৰ বিপ্ৰাজ নিগমক দলত অন্তৰ্ভুক্ত কৰাৰ অনুমতি লাভ কৰে। নিগমে এই ছিজনত দিল্লীৰ হৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উল্লেখযোগ্য যে এই খেলখনৰ কিছু সময় পূৰ্বে কে.এল. ৰাহুলে অসহ্যকৰ গৰমৰ মাজতে ১৫০ ৰানৰ এক ঐতিহাসিক ইনিংছ খেলি শেষ কৰিছিল। খেলৰ পাছত তেওঁ সাক্ষাৎকাৰ দিওঁতে যথেষ্ট কোঁচ-কষ্ট অনুভৱ কৰে। কিপিং কৰি থকাৰ সময়তো তেওঁক ফিজিঅ'ৰ সহায় ল'বলগীয়া হৈছিল। লুঙ্গি এনগিডিৰ এই দুৰ্ঘটনাই দিল্লীৰ প্ৰতিকূল গৰমীয়ে খেলুৱৈসকলক কেনেদৰে শাৰীৰিকভাৱে জুৰুলা কৰি তুলিছে, তাৰে স্পষ্ট প্ৰমাণ দি গ'ল। লুঙ্গি এনগিডিৰ অৱস্থা সম্পৰ্কীয় নিশ্চিত বিৱৰণী পোৱা যোৱা নাই যদিও তেওঁক হাস্পতালত ভৰ্তি কৰা হৈছে। খেলখন কিছু সময়ৰ পাছত পুনৰ আৰম্ভ কৰা হয়।

## ভোটগণনাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি নিৰ্বাচন আয়োগৰ

সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই লক্ষ্যৰে শনিবাৰে গুৱাহাটীস্থিত হোটেল ৰেডিছন ব্লুত জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া আৰু অন্যান্য নিৰ্বাচনী কৰ্মচাৰীসকলৰ বাবে এক আন্তৰিক প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ তত্ত্বাৱধানত অনুষ্ঠিত এই প্ৰশিক্ষণত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনামতে গণনা প্ৰক্ৰিয়াৰ প্ৰতিটো দিশ সূক্ষ্মভাৱে পৰিকল্পনা কৰি ৰূপায়ণৰ বিভিন্ন স্তৰ সম্পৰ্কে আলোচনা কৰা হয়। মুখ্য নিৰ্বাচনী বিষয়া গোৱেল, অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া আৰু যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াসকলে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি উপস্থিত সকলোকৈ প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত উপস্থিত সকলো বিষয়াক ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা নিষ্ঠাৰে পালন কৰি নিৰপেক্ষ আৰু সুশৃংখলভাৱে ভোটগণনা সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। লগতে গণনা কক্ষত ল'বলগীয়া ব্যৱস্থা, ইভিএম আৰু ভিভিপেট ব্যৱস্থাপনাত বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ কথাও উল্লেখ কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত পোষ্টেল বেলট আৰু ইভিএম গণনাৰ নিয়মাৱলী, ষ্ট্ৰংৰুম খুলি গণনা কক্ষলৈ ইভিএম অনা, গণনা কৰ্মচাৰী নিয়োগ আৰু তেওঁলোকক প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়া, প্ৰাৰ্থীৰ এজেণ্টসকলক পৰিচয় পত্ৰ প্ৰদান, অগ্নি নিৰ্বাপণ ব্যৱস্থা, মিডিয়া পৰিচালনা, আৰু গণনা শেষ হোৱাৰ লগে লগে নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলগীয়া কাৰ্যসমূহ সম্পৰ্কে বিস্তাৰভাৱে অৱগত কৰোৱা হয়। প্ৰশিক্ষণত ৰাজ্যৰ আটাইবোৰ জিলাৰ সংশ্লিষ্ট বিষয়াই অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণ শেষত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সবল দৃঢ়তা প্ৰকাশ কৰি কয় যে সকলোৰে আন্তৰিকতা আৰু পূৰ্ণ সহযোগিতাত ভোটগণনা সফল আৰু নিৰ্বিঘ্নভাৱে সম্পন্ন হ'ব। উল্লেখযোগ্য যে ৯ এপ্ৰিলত ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত একেলগে ভোটদান সম্পন্ন হয়। এই নিৰ্বাচনত মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয়। অহা ৪ মে'ৰ গণনাৰ পিছত প্ৰাৰ্থীসকলৰ ভাগ্য চূড়ান্তভাৱে নিৰ্ণয় হ'ব। এইবাৰৰ নিৰ্বাচনে ভোটদানৰ সৰ্বকালীন অভিলেখ স্পৰ্শ কৰে। ৰাজ্যৰ মুঠ ভোটাৰৰ ৮৫.৯১ শতাংশ লোকে নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰে। ইয়াৰে মহিলা ভোটাৰৰ ভোটদানৰ হাৰ ৮৬.৫০ শতাংশ, আনহাতে পুৰুষ ভোটাৰৰ ভোটদানৰ হাৰ ৮৫.৩৩ শতাংশ। ৰাজ্যত মুঠ ২, ৫০, ৫৪, ৪৬৩ গৰাকী ভোটাৰ আছে, যাৰ ভিতৰত ১, ২৫, ৩১, ৫৫২ গৰাকী পুৰুষ, ১, ২৫, ২২, ৫৯৩ গৰাকী মহিলা আৰু ৩১৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। বিধানসভা সমষ্টি অনুসৰি ভোট গণনাৰ বাবে প্ৰয়োজনীয় আটাইবোৰ প্ৰস্তুতি ইতিমধ্যে চূড়ান্ত কৰা হৈছে বুলি নিৰ্বাচন আয়োগে জানিবলৈ দিয়ে।

## ঠিকাভিত্তিক নিয়োগ বাতিল

বা অস্থায়ী ভিত্তিত নিযুক্ত শিক্ষক আৰু কৰ্মচাৰীৰ নিয়োগ বাতিল কৰি উচ্চ শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনাই তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই (আছু) এই সিদ্ধান্তক হঠকাৰী, অদূৰদৰ্শী আৰু অমানৱীয় বুলি আখ্যা দি তৎক্ষণাত প্ৰত্যাহাৰৰ দাবী জনাইছে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে যুটীয়াভাৱে আজি এক প্ৰকাশ্য বিবৃতিত কয় যে ৰাজ্যৰ মহাবিদ্যালয়সমূহত প্ৰয়োজনীয় স্থায়ী নিয়োগৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ। তেওঁলোকে উল্লেখ কৰে, "প্ৰয়োজন অনুসৰি নতুন পদ সৃষ্টিৰ ক্ষেত্ৰতো চৰকাৰে উদাসীনতা দেখুৱাই আহিছে। বিশ্বৰ আন প্ৰান্তৰ শিক্ষা ব্যৱস্থাৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ অসমৰ মহাবিদ্যালয়সমূহত চৰকাৰী উদ্যোগত নতুন আধুনিক বিভাগ বা পাঠ্যক্ৰম সংযোজনৰ উদাহৰণ নগণ্য।" আছু নেতাদ্বয়ে লগতে কয় যে বহু মহাবিদ্যালয়ে নিজা প্ৰচেষ্টাৰে বিশ্ববিদ্যালয়ৰ অনুমোদন লৈ যুগোপযোগী পাঠ্যক্ৰম আৰম্ভ কৰিলেও প্ৰয়োজনীয় শিক্ষক-কৰ্মচাৰীৰ পদ চৰকাৰে সৃষ্টি নকৰে। ফলত সেই বিভাগসমূহ ঠিকাভিত্তিক বা অস্থায়ী শিক্ষকৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰসমূহৰো একেই অৱস্থা। "এনে পৰিস্থিতিত নতুন পদ সৃষ্টি নকৰাকৈ অস্থায়ী শিক্ষক-কৰ্মচাৰীক চাকৰিৰ পৰা খেদি দিয়া এই সিদ্ধান্ত অদূৰদৰ্শী আৰু হঠকাৰী। ইয়াৰ ফলত বহু বিভাগ বন্ধ হৈ যোৱাৰ আশংকা আছে আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিব।" সদৌ অসম ছাত্ৰ সন্থাই দৃঢ়তাৰে কৈছে যে এই দায়িত্বজ্ঞানহীন সিদ্ধান্ত স্পষ্টভাৱে বিৰোধিতা কৰা হয় আৰু জাননী প্ৰত্যাহাৰৰ বাবেই দাবী জনোৱা হয়। "ঠিকাভিত্তিক নিয়োগৰ ধাৰণাটো বিলুপ্ত কৰাৰ আগতে অসম চৰকাৰে নতুন পদ সৃষ্টি কৰক আৰু খালী পৰি থকা পদসমূহত সম্পূৰ্ণ স্থায়ী নিয়োগৰ ব্যৱস্থা কৰক। ছাত্ৰ-ছাত্ৰীৰ মূৰত মাধমাৰ শোধাব খোজা এনে সিদ্ধান্ত অসমৰ ৰাইজ আৰু ছাত্ৰ সন্থাই কোনো পৰিস্থিতিতে মানি নলয়।" নেতাদ্বয়ে স্পষ্ট কৰি দিয়ে যে প্ৰয়োজন পৰিলে তীব্ৰ প্ৰতিবাদ গঢ় দিয়া হ'ব। লগতে অসম কলেজ শিক্ষক সংস্থা, মহাবিদ্যালয় অধ্যক্ষ পৰিষদ আৰু সদৌ অসম কৰ্মচাৰী সন্থাৰ সৈতে আলোচনাৰ মাজেৰে বিষয়টো আগবঢ়াই নিয়া হ'ব বুলি উৎপল শৰ্মা আৰু সমীৰণ ফুকনে অৱগত কৰে। উল্লেখ্য যে ইয়াৰ আগতে জুবিন গাৰ্গ হত্যাকাণ্ডৰ ঘটনাত আছু সভাপতি উৎপল শৰ্মাই দোষীক উচিত শাস্তি নোহোৱালৈকে চৰকাৰ আৰু এছআইটিৰ দায়িত্ব শেষ নহয় বুলি মন্তব্য কৰিছিল।

# ৰূপহীহাটৰ আমবাগানত উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন আৰক্ষীৰ

**অসম বাৰ্তা, লাওঁখোৱা, ২৫ এপ্ৰিল ঃ** ৰূপহীহাটৰ আমবাগান আৰক্ষী পহৰা চকীৰ এক ব্যতিক্ৰমী পদক্ষেপ। ৰূপহীহাট আৰক্ষী থানাৰ সহযোগত আৰু আমবাগান আৰক্ষী পহৰা চকীৰ উদ্যোগত কালি এক বৰ্ণিল কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচী আৰু পতাকা উত্তোলন পুৱাৰ ভাগতেই আমবাগান আৰক্ষী পহৰা চকীৰ বাকৰিত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। ৰূপহীহাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সূৰুজ দত্তই আনুষ্ঠানিকভাৱে পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আৰক্ষী চকীৰ চৌহদত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসমীয়াৰ হিয়াৰ আমঠু, শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি সন্ধিয়াৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। নৱ প্ৰজন্মক উৎসাহিত কৰিবলৈ বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল কুইজ, চিত্ৰাংকন, আৰু বক্তৃতা। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ লক্ষ্যৰে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। সংবাদসেৱী আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সমাজৰ চতুৰ্থ স্তমভ স্বৰূপ সংবাদ মাধ্যমৰ লোকসকলক তেওঁলোকৰ নিৰালস্য সেৱাৰ বাবে আৰক্ষীৰ তৰফৰ পৰা সন্মান জনোৱা হয়। ৰূপহীহাট আৰু কলিয়াবৰৰ বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ স্থানীয় সংবাদদাতাসকলক একোখনকৈ ফুলাম গামোচাৰে উষ্ম আদৰণি জনোৱা হয়। ইয়াৰ উপৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট সমাজকৰ্মী আৰু গণ্য-মান্য ব্যক্তিকো অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আৰক্ষী বিষয়া সূৰুজ দত্তই সংবাদ মাধ্যমৰ আগত কয় যে, “আৰক্ষী আৰু জনসাধাৰণৰ মাজত থকা সমন্বয় অধিক সুদৃঢ় কৰাই আমাৰ মূল লক্ষ্য। বিহুৰ দৰে অনুষ্ঠানে আমাক একতাৰ ডোলেৰে বান্ধি ৰাখে।” নিশা অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্যসূচীত স্থানীয় শিল্পীসকলৰ বিহু হুঁচৰি আৰু গীত-মাতৰ জৰিয়তে আমবাগান অঞ্চলটো উৎসৱমুখৰ হৈ পৰে। আৰক্ষীৰ এনে জনহিতকৰ তথা সাংস্কৃতিক পদক্ষেপে এতিয়া সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। আমবাগান আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিষ্ণুজ্যোতি বৰাৰ নেতৃত্বত প্ৰথম বাৰৰ বাবে আৰক্ষী চকীত বাকৰিত ৰঙালী বিহু উদ্‌যাপন হয়। বিভিন্ন ধৰণৰ প্ৰতিযোগিতা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা শিক্ষাৰ্থী সকলক বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে কলিয়াবৰ সম জিলা আৰক্ষী অধীক্ষক বিতুল চেতিয়া। উক্ত অনুষ্ঠানত স্থানীয় শিল্পী আৰু আমন্ত্ৰিত শিল্পী সকলৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত গীত পৰিৱেশন কৰে। আমবাগান আৰক্ষীৰ এনে পদক্ষেপক সকলোৱে একে মুখে শ'লাগ লৈছে।

# অসম প্ৰগতি ফাউণ্ডেচনৰ উদ্যোগত মহিলা সজাগতা সভা

**অসম বাৰ্তা, বেবেজীয়া, ২৫ এপ্ৰিল ঃ** অসম প্ৰগতি ফাউণ্ডেচনৰ উদ্যোগত শনিবাৰে বৰচিলা মজলীয়া বিদ্যালয়ৰ সভাগৃহত এখনি মহিলা সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাত সভাপতিত্ব কৰে সমাজকৰ্মী লাহেশ্বৰ বৰদলৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে ভুবনেশ্বৰ হাজৰিকাই। অনুষ্ঠানত অসম প্ৰগতি ফাউণ্ডেচনৰ সঞ্চালক নোমল চন্দ্ৰ বৰা উপস্থিত থাকি কয় - “মহিলা সকল স্বাৱলম্বী নহলে সমাজ আৰু দেশৰ উন্নতি নহয়। অসম প্ৰগতি ফাউণ্ডেচনৰ মূল উদ্দেশ্য হৈছে প্ৰতিগৰাকী মহিলাক স্বাৱলম্বী কৰি তোলা।” সজাগতা সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি লেখক-সাংবাদিক ৰাহুল দেৱ বৰদলৈয়ে কয়- “সমাজৰ প্ৰগতিৰ মূল সুঁতি আই মাতৃ সকল। এগৰাকী নাৰীয়ে সমাজ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বৰ্তমান সময়ত সমাজ ধংসকাৰী অপৰাধ জনিত প্ৰতিটো কাৰ্যৰ বিৰুদ্ধে মহিলা সকলে লব লাগিব সময়োপযোগী পদক্ষেপ।” নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ শতাধিক মহিলা, ফাউণ্ডেচনৰ স্বেচ্ছাসেৱিকা আৰু সহ সমন্বয়ক সকলৰ উপস্থিতত সজাগতা সভাখনত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে লোকশিল্পী মিলেশ্বৰ ডেকা, ফাউণ্ডেচনৰ সম্পাদিকা পূৰ্ণিমা বৰা আৰু ফাউণ্ডেচনৰ সদস্য-সদস্যাসকল।

সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা

# ন-মাটিত চতুৰ্দশ বাৰ্ষিক ভাগৱত পাঠ আৰু গুৰু আসন প্ৰতিষ্ঠা উৎসৱ

**অসম বাৰ্তা, বেবেজীয়া, ২৫ এপ্ৰিল ঃ** বেবেজীয়াৰ সমিপৰ ন-মাটি ৰাইজৰ সৌজন্যত ন-মাটি যুৱীয়া নামঘৰ প্ৰাংগনত ১, ২ আৰু ৩ মে'ত তিনিদিনীয়া কাৰ্যসূচীৰে মহাভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ আয়োজন কৰিছে। ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান পৰিচালনা সমিতিৰ সভাপতি হিচাপে নীলকান্ত বৰুৱা, যুটীয়া সম্পাদক ক্ৰমে ৰমেন বৰুৱা আৰু পূৰ্ণানন্দ ডেকা, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল ডেকাই জনোৱা মতে তিনিদিনীয়া অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ অন্তত ৬ মে'ৰ দিনা সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হব। সদৌ অসম ভিত্তিত অনুষ্ঠিত হবলগা দিহানাম প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ ক্ৰমে প্ৰথম ৩০০১ টকা, দ্বিতীয় ২০০১ টকা, তৃতীয় ১৫০১ টকা, চতুৰ্থ ১১০১ টকা, পঞ্চম ৮০১ টকা, ষষ্ঠ ৬০১ টকা আৰু সপ্তম ৫০১ টকা। ইয়াৰোপৰি শ্ৰেষ্ঠ নেগেৰা বাদক, শ্ৰেষ্ঠ খোল বাদক, শ্ৰেষ্ঠ তাল বাদকৰ পুৰস্কাৰৰ লগতে তিনিটা নিচুকনি বঁটা প্ৰদান কৰিব। প্ৰতিযোগিতাৰ ভৰ্ত্তি মাছুল ৫০ টকা। অঞ্চলৰ সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

কলম, কেমেৰা এৰি ঢোল, পেপাঁ-বাঁহী গগণালৈ ব্যস্ত সাংবাদিক

# ডিব্ৰুগড়ত ষোড়শ বছৰত ভৰি দিলে সাংবাদিকৰ হুঁচৰি দলে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ এপ্ৰিল ঃ** অসম আৰু অসমীয়া জাতীয় জীৱনৰ আয়ুস ৰেখা তথা বাপতি সাহোন বহাগ বিহু মানেই অসমীয়াৰ প্ৰাণ। হাজাৰ দুখ-কষ্ট হ'লেও, বিহুত এপাক কঁকাল ঘূৰাই নচাৰ সকলোৰে মন থাকে। ইয়াৰ ব্যতিক্ৰম নহয় ডিব্ৰুগড়ৰ সাংবাদিক সকল। দৈনিক ন-ন তথ্যৰে পুৱাৰে পৰা নিশালৈকে ৰাজ্য তথা দেশবাসীক প্ৰতিটো মুহূৰ্তৰ বতৰা দি থাকি ২৪'৭ দিনেই অত্যন্ত ব্যস্ত হৈ থকা সাংবাদিক সকলে তেওঁলোকৰ কৰ্মব্যস্ততাৰ মাজতে ষোড়শ বছৰত ভৰি দিলে হুঁচৰি দলে। পৰম্পৰাগত বিহুনামেৰে, গৃহস্থৰ কুশল-মঙ্গলবাৰ্তা কামনা, আশীৰ্বাদেৰে জাতীয় জীৱনৰ পৰম্পৰা ৰক্ষাৰ প্ৰচেষ্টাত এইবছৰো ডিব্ৰুগড়ৰ সাংবাদিক সকলক দেখা গ'ল সাংবাদিক সকলে ঘৰে-ঘৰে পদূলিত হুঁচৰি জোৰাৰ। ডিব্ৰুগড়ৰ সদৰত কৰ্মৰত বিভিন্ন সংবাদ পত্ৰ আৰু সংবাদ মাধ্যমৰ বিভিন্ন জাতি জনগোষ্ঠীয় তথা ধৰ্মাৱলম্বী সকলো সাংবাদিক ঐক্যবদ্ধ হৈ এইদৰে বিগত ১৫ বছৰ ধৰি সাংবাদিক সকলৰ চোতালে- চোতালে জুৰি আহিছে হুঁচৰি। সম্পূৰ্ণ জাতীয় সাজ-পাৰ পৰিধান কৰি, ঢোল-পেঁপা, বাঁহী আৰু পৰম্পৰাগত বিহুনাম জুৰি সন্ধিয়া হুঁচৰি জুৰিছে সাংবাদিক সকলৰ পদূলিত। একতাৰ এনাজৰী, সংস্কৃতিৰ ভাতৃত্ববোধেৰে ইলেক্ট্ৰনিক আৰু প্ৰিণ্ট মিডিয়াৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সমূহ সাংবাদিক এক হৈ ২০১১ চনৰ পৰা ধাৰাবাহিকভাৱে সাংবাদিকসকলৰ বাকৰিত হুঁচৰি পৰিবেশন কৰি পৰম্পৰা অব্যাহত ৰাখিছে এনেদৰে। অৱশ্যে বিগত দুটা বছৰত দুজনকৈ জেষ্ঠ সাংবাদিকৰ অকাল মৃত্যুৰ বাবে হুঁচৰি স্থগিত ৰখা হৈছিল যদিও পুনৰ সকলো সাংবাদিকে ককাঁলত টঙালি বান্ধি বিহুত মতলীয়া হৈ পৰিছে। সাংবাদিকৰ হাতত কেমেৰা বা বুম' নহয়, ঢোল-পেঁপা, বাঁহী লৈ সাংবাদিকৰ পদূলিত জুৰা হুঁচৰিয়ে মুখৰিত কৰি তুলিছে চৌদিশ। সাংবাদিকসকলে নিশা দুপৰলৈকে হুঁচৰি গাই সংগৃহীত ধনৰাশি ‘সাংবাদিক কল্যাণ সমিতি’ নামেৰে বেংকৰ একাউণ্টত জমা ৰাখি বিভিন্ন সময়ত সাংবাদিকৰ আপদকালীন সময়ত সহায় কৰি আহিছে। ইতিমধ্যেই ভালেকেইজন সাংবাদিকক দুৰ্ঘটনা আৰু চিকিৎসাৰ বাবে একঁকালীন সাহায্য প্ৰদান কৰা হৈছে। ডিব্ৰুগড়ৰ সাংবাদিক সকলৰ এনে প্ৰচেষ্টা স্বাভাৱিকতে ৰাজ্যৰ সংবাদ মহলত এক নজিৰ সৃষ্টি কৰি আহিছে। সাংবাদিক সকলৰ এনে প্ৰচেষ্টাক ডিব্ৰুগড়বাসীয়ে ভূয়সী প্ৰশংসা কৰাৰ লগতে বিভিন্ন ধৰ্ম, জাতি-জনজাতিৰ মাজত ভাতৃত্ববোধ আৰু এনাজৰী শিকলিডাল অক্ষুণ্ণ ৰখাৰ কামনা কৰিছে ডিব্ৰুগড় বাসীয়ে। আনহাতে হুঁচৰি স্থলীৰ পৰাই অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গবিহীন প্ৰথমটো ব'হাগ উপলক্ষে শোকপ্ৰকাশ কৰিছে সকলো সাংবাদিকে। হুঁচৰিস্থলীৰ পৰাই পুনৰ জুবিন গাৰ্গৰ ন্যায়ৰ দাবী জনোৱাৰ কৰা লগতে একাংশই জুবিনৰ মহান সৃষ্টিৰাজিক লৈ ভেঙুচালি কৰিব বিচৰা কাৰ্যক ধিক্কাৰ দিয়ে। উল্লেখ্য যে, সাংবাদিক হুঁচৰি দলটোৰ পদক্ষেপৰ শলাগ লৈ ডিব্ৰুগড় পৌৰনিগমৰ পৰিষদ তথা প্ৰাক্তন আছু নেতা বিজু লখিমী হাজৰিকাই এটা বিহুৰ ঢোল আৰু এযোৰ তাল আগবঢ়াইছে।

তিনি বছৰ ধৰি এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা অপ্ৰাদেশীকৃত বিদ্যালয়ৰ পৰা আঁতৰাই দিয়া হ'ব নৱম আৰু দশম শ্ৰেণী

# চৰকাৰী, অপ্ৰাদেশীকৃত আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ বিদ্যালয় প্ৰধানসকলৰ সৈতে মৰিগাঁও জিলা আয়ুক্তৰ বৈঠক

**❐ বছৰত চাৰিবাৰ অনুষ্ঠিত কৰিব লাগিব শিক্ষা বিষয়ক বিশেষ গাঁওসভ ❐**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ এপ্ৰিল ঃ** চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মৰিগাঁও জিলাত আটাইতকৈ বেয়া ফলাফল প্ৰদৰ্শন কৰা আৰু এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ভাল ফলাফল প্ৰদৰ্শন কৰা চৰকাৰী, অপ্ৰাদেশীকৃত আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ বিদ্যালয় প্ৰধানসকলৰ সৈতে আজি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে অতি বেয়া ফলাফল প্ৰদৰ্শন কৰা আৰু এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা বিদ্যালয় প্ৰধানসকলক ইয়াৰ কাৰণ সন্দৰ্ভত প্ৰশ্ন কৰে। তেওঁ বিশেষকৈ এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ প্ৰধানসকলক জবাবদিহী কৰে। তেওঁ কয় যে ওচৰতে চৰকাৰী বিদ্যালয় থকাৰ পিছতো অপ্ৰাদেশীকৃত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী নামভৰ্তি কৰাই শূন্য শতাংশ উত্তীৰ্ণৰ হাৰ হোৱাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। তেওঁ ধাৰাবাহিকভাৱে তিনিটা বছৰ বেয়া ফলাফল প্ৰদৰ্শন কৰা অপ্ৰাদেশীকৃত বিদ্যালয়ৰ পৰা নৱম আৰু দশম শ্ৰেণী আঁতৰাই ওচৰৰ চৰকাৰী বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলক লৈ যোৱাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ অপূৰ্ব ঠাকুৰীয়াক নিৰ্দেশ দিয়ে। তেওঁ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) অনসুয়া শৰ্মাক এনে বিদ্যালয়ৰ শিক্ষকৰ অৰ্হতা, ছাত্ৰ-ছাত্ৰীৰ বাবে গুণগত মানৰ শিক্ষা, ফলাফল বেয়া হোৱাৰ কাৰণ আদি ফঁহিয়াই, লগতে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতি এক তদন্তমৰ্মে প্ৰতিবেদন যুগুত কৰাৰ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে নিজেই প্ৰতিদিনে এখনকৈ বিদ্যালয় পৰিদৰ্শন কৰিব বুলি প্ৰসংগক্ৰমে উল্লেখ কৰে। তেওঁ অভিভাৱক, গাঁওবুঢ়া, ছাত্ৰ সংগঠনৰ প্ৰতিনিধি, পঞ্চায়ত প্ৰতিনিধি, বিশিষ্ট নাগৰিক আদিক জড়িত কৰাই শিক্ষাৰ বাবে বছৰত চাৰিবাৰ বিশেষ গাঁওসভা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়ে। লগতে নৱম আৰু দশম শ্ৰেণীৰ বাবে বন্ধৰ দিনবোৰ সীমিত কৰাৰ নিৰ্দেশ দিয়ে। আনহাতে ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৫০ শতাংশৰ তলত থকা বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ উপস্থিতিৰ হাৰ পৰীক্ষা কৰিবলৈ আৰু কৃষি, স্বাস্থ্য, তথ্য প্ৰযুক্তি, কম্পিউটাৰ, সৌন্দৰ্য চৰ্চা আদি বৃত্তিমূলক বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিবলৈ আৰু শিক্ষা ব্যৱস্থাটোক অধিক আকৰ্ষণীয় তথা মনোগ্ৰাহী কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। লগতে নিয়মীয়াকৈ অভিভাৱকৰ সভা অনুষ্ঠিত কৰা, শিক্ষকৰ দ্বাৰা শিক্ষাৰ্থীৰ গৃহ পৰিদৰ্শন আদি বাধ্যতামূলক কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ সভাতে ভাল ফলাফল প্ৰদৰ্শন কৰা বিদ্যালয়ক দৃষ্টান্ত হিচাপে লৈ অন্য বিদ্যালয়ৰ বিদ্যালয় প্ৰধানসকলক তেনে বিদ্যালয় ভ্ৰমণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়োৱা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে কয় যে শিক্ষা ব্যৱস্থা উন্নত কৰাৰ বাবে সকলোৰে সমন্বিত প্ৰচেষ্টা লাগিব। ভাল ফলাফল প্ৰদৰ্শন কৰিব নোৱাৰা বিদ্যালয়সমূহক কোনো কাৰণতে এৰি দিয়া নহ'ব বুলি তেওঁ কয়। সভাত বিদ্যালয় সমূহৰ পৰিদৰ্শকগৰাকীয়ে বিশেষকৈ অপ্ৰাদেশীকৃত বিদ্যালয়সমূহক ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ ধেমালি নকৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱাটো কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে। সভাত জিলা প্ৰশাসনৰ বিষয়াসকল, শিক্ষা বিভাগৰ বিষয়াসকল আৰু ২৭খন বিদ্যালয়ৰ বিদ্যালয় প্ৰধানসকল উপস্থিত আছিল।

# হাজোত অভিনৱ পদক্ষেপ - সংগীতৰ মূৰ্চ্ছনাৰে কৰ্কট ৰোগীৰ চিকিৎসা সেৱা

**অসম বাৰ্তা, হাজো, ২৫ এপ্ৰিল ঃ** লৌহমানৱ বিষ্ণুৰাম মেধিৰ জন্ম জয়ন্তীৰ সংগতি ৰাখি আজি হাজোত এক ব্যতিক্ৰমী মানৱহিতকৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কবিকৃষ্ণ দূৰ-চিকিৎসা সেৱা (শুৱালকুছি) আৰু হাজো কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ যুটীয়া উদ্যোগত আয়োজিত এই শিবিৰত সংগীতৰ জৰিয়তে কৰ্কট ৰোগীৰ চিকিৎসাৰ এক নতুন দিশ উন্মোচন কৰা হয়। হাজোৰ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত এই বিশেষ শিবিৰত বিশ্বখ্যাত সংগীতজ্ঞ সুনীতা ভূঞাই ভায়োলিনৰ সুৰৰ জৰিয়তে ৰোগীসকলক মানসিক শক্তি প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ বিকুল দাসে উপস্থিত থাকি আধুনিক চিকিৎসা বিজ্ঞানৰ সৈতে ‘সংগীত থেৰাপী’ (Music Therapy)ৰ বৈজ্ঞানিক সংযোগৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তেওঁ উল্লেখ কৰে যে, সংগীতৰ মূৰ্চ্ছনাই কেনেকৈ জটিল ৰোগীৰ যন্ত্ৰণা উপশম কৰি মনত আশাৰ সঞ্চাৰ কৰিব পাৰে। দিপাংকৰ মজুমদাৰে আঁত ধৰা আৰু ডাঃ বিকুল দাসে উপস্থিত সকলোকে আদৰণি জনোৱা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰি সমবেত ৰাইজক উদ্দেশ্যি কয় “দুৰাৰোগ্য কৰ্কট ৰোগৰ বিৰুদ্ধে চলাই থকা যুঁজখনত এনে অনুষ্ঠানে ৰোগীসকলক যথেষ্ট আনন্দ আৰু জীয়াই থকাৰ উৎসাহ যোগাব।” শিবিৰত উপস্থিত থকা কৰ্কট ৰোগীসকলক উদ্যোক্তাসকলৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বৃহত্তৰ হাজো অঞ্চলৰ বহুসংখ্যক ৰোগী আৰু অভিভাৱক এই ব্যতিক্ৰমী চিকিৎসা শিবিৰত উপস্থিত থাকি উপকৃত হয়। চিকিৎসাৰ ক্ষেত্ৰত এনে আধুনিক তথা প্ৰশান্তিদায়ক পদক্ষেপে অঞ্চলটোত এক ইতিবাচক চৰ্চাৰ সৃষ্টি কৰিছে। এই অনুষ্ঠানত হাজো ৰঙালী বিহু সন্মিলনীৰ সভাপতি শৰৎ নায়ক, হাজো ৰাইজৰ সভাপতি নৃপেন কুমাৰ দাস, অৱসৰী কৃতি শিক্ষক ৰজত ভৰালীকে ভালেসংখ্যক লোক উপস্থিত থাকে। আনাহাতে এই অনুষ্ঠানতে কৰ্কট ৰোগত আক্ৰান্ত বিশিষ্ট কণ্ঠশিল্পী দিলোৱাৰ মতিনে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি কালজয়ী গীত আৰু প্ৰণতি নায়ক দাসে একক অভিনয় কৰি সকলোকে আপ্লুত কৰে।

# গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ বাৰেৰহণীয়া বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক

**অসম বাৰ্তা, গৰৈমাৰী, ২৫ এপ্ৰিল ঃঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ৩৩ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে আজি দিনৰ ১০.৩০ বজাত বাৰেৰহণীয়া বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই সকলোকে মুগ্ধ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ২২ এপ্ৰিলৰ পৰা গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ৩৩ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ বিভিন্ন খেল-ধেমালি কাৰ্যসূচীৰে আৰম্ভ হৈছে। জানিব পৰামতে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক তথা মহাবিদ্যালয়ৰ অধ্যাপিকা বেগম ৰুণা লাইলা মজুমদাৰৰ নেতৃত্বত আজি উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল আৱাল চাহাব আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা কাঞ্চন চৌধুৰীয়ে। কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক ড° শ্বেখ মজিবৰ ৰহমান, তৈয়বুৰ ৰহমান খান, আয়ান আলী আহমেদ, ড° শ্বেখ ফখৰুদ্দিন আলী আহমেদ, জিমণি কলিতা, লাইব্ৰেৰীয়ান মইনা চাংমাকে প্ৰমুখ্যে কৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ সভাপতি মোকছেদ আলী, উপ-সভাপতি মহিবুল ইছলাম, সাধাৰণ সম্পাদিকা মমতাজ খাতুন, ক্ৰীড়া সম্পাদক মোছলেম আলী, সাংস্কৃতিক সম্পাদক ছাহানুৰ আলম, তৰ্ক সম্পাদিকা ছাহানাজ পাৰবীন, আলোচনী সম্পাদিকা খাদিজা খাতুন, সহকাৰী সম্পাদিকা হাছিনা পাৰবীন, সমাজ সেৱা সম্পাদক হাফিজুৰ ৰহমানৰ লগতে সমূহ শিক্ষাৰ্থীসকল অংশগ্ৰহণ কৰে। সাংস্কৃতিক শোভাযাত্ৰাত বিহু নৃত্যৰ লগতে ৰোৱনী, দাৱনি, হালোৱা, নাৱৰীয়া, জাষ্টিছ ফৰ জুবিন গাৰ্গ, আৰক্ষী, কৃষক, ব্যৱসায়ী, শিক্ষক, জিকিৰ জাৰী, অধিবক্তা, চিকিৎসক, দৰা-কইনা আদি বিভিন্ন ধৰণৰ সাজ-পোছাক পৰিধান কৰি উলিওৱা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাই ৰাইজক মুহিবলৈ সক্ষম হয়।

নেভি অপেন উইণ্ড চাৰ্ফিঙত সোণ আৰু নেচনেল চেইলিঙ প্ৰতিযোগিতাত ৰূপৰ পদকেৰে উজ্বলিল নিশামনি

# ৰাষ্ট্ৰীয় ক্ৰীড়াত পুনৰ সফলতা সৰুপথাৰৰ নিশামণিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৫ এপ্ৰিল ঃ** দুৰ্দান্ত পাৰদৰ্শিতাৰে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দপদপনি তুলিবলৈ সক্ষম হোৱা সৰুপথাৰৰ কন্যা নিশামনি বৰাৰ পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ত দুটাকৈ বৃহৎ সফলতা। যোৱা ২০ এপ্ৰিল তাৰিখৰ পৰা ২৪ এপ্ৰিল ২০২৬ তাৰিখলৈকে আই, এন, ডব্লিউ, টি, চি, গোৱাত অনুষ্ঠিত হোৱা নেভি অপেন উইণ্ড চাৰ্ফিঙত অসমক প্ৰতিনিধিত্ব কৰি সোণৰ পদক পাবলৈ সক্ষম হৈছে। আনহাতে যোৱা ১৩ এপ্ৰিল তাৰিখৰ পৰা ১৭এপ্ৰিল তাৰিখলৈকে গোৱাত অনুষ্ঠিত অল ইণ্ডিয়া নেচনেল চেইলিঙ চেম্পিয়নশ্বীপত অসমক প্ৰতিনিধিত্ব কৰি ৰূপৰ পদক পাবলৈ সক্ষম হৈছে। সৰুপথাৰ অঞ্চলৰ নগাজুৰি দ'চুক গাঁৱৰ নিচিনা অতি পিছপৰা অঞ্চলৰ পৰা গৈ সাগৰৰ বুকুত অসমীয়াৰ স্বাভিমান গামোচা উৰুৱাই সমগ্ৰ অসমবাসীক গৌৰৱান্বিত কৰিবলৈ সক্ষম হোৱা নিশামনিয়ে পোনপ্ৰথমে এনচিচিৰ যোগেদি এই যাত্ৰা আৰম্ভ কৰিছিল। এনচিচিৰ প্ৰশিক্ষণ গ্ৰহণ কৰি থকাৰ সময়চোৱাত শিবিৰত উইণ্ড চাৰ্ফিং খেলৰ এজন পৰ্যবেক্ষকে উল্লিখিত খেল বিধৰ বিষয়ে নিশামনিক সবিশেষ জানিবলৈ দিছিল আৰু সেই সময়ৰ পৰাই নিশামণিয়ে চেইলিঙৰ প্ৰতি আকৰ্ষিত হৈ কঠিন প্ৰত্যাহ্বানকো নেওচি নিজকে এই দুঃসাহসিক ক্ৰীড়াত আগুৱাই নিছিল। অৱশেষত সফলতাই লগ দিয়া নিশামনিয়ে কম সময়ৰ ভিতৰতে এই প্ৰতিযোগিতাত বৰ্তমান সময়লৈকে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো প্ৰতিযোগিতাত বহুতো বাঘা বাঘা খেলুৱৈক চেৰ পেলাই কেইবাবাৰো সোণ আৰু ৰূপৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছে। নিশামনি বৰা বৰ্তমান সমগ্ৰ উত্তৰ-পূৰ ভাৰতৰ ভিতৰতে প্ৰথমগৰাকী মহিলা চেইলৰ। নিশামনিৰ সফলতাই দেশ তথা অসমৰ লগতে সমগ্ৰ সৰুপথাৰ সমজিলাবাসী ৰাইজক গৌৰৱান্বিত কৰি তুলিছে।

# ছাত্ৰ-ছাত্ৰী টেলি-শিক্ষাৰ পৰা বঞ্চিত ডবকা মধ্য ইংৰাজী বিদ্যালয়ত নিশা চুৰি

**অসম বাৰ্তা, ডবকা, ২৫ এপ্ৰিল ঃ** হোজাই জিলাৰ যোগিজান শিক্ষা খণ্ডৰ অন্তৰ্গত ডবকা মধ্য ইংৰাজী বিদ্যালয়ত সংঘটিত হোৱা চুৰি কাণ্ডই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা শুক্ৰবাৰে গভীৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বিদ্যালয় খনৰ টেলি-ক্লাছ ৰুমৰ তলা খুলি ভিতৰত প্ৰৱেশ কৰে আৰু ক্লাছ ৰুমত ব্যৱহৃত তিনিটা বেটেৰী চুৰি কৰি লৈ যায়। বিদ্যালয় কৰ্তৃপক্ষৰ মতে, এই বেটেৰীসমূহ টেলি-শিক্ষা ব্যৱস্থাৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল। বেটেৰী নথকাৰ ফলত বৰ্তমান ছাত্ৰ-ছাত্ৰীসকল টেলি-শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে, যাৰ ফলত পাঠদান প্ৰক্ৰিয়াতো বিঘ্ন ঘটিছে। ঘটনাৰ পিছতেই বিদ্যালয় কৰ্তৃপক্ষই ডবকা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। ইতিমধ্যে ডবকা আৰক্ষীয়ে স্বৰজমিন তদন্ত কৰিছে যদিও বাতৰি লিখা সময়লৈকে আৰক্ষীয়ে কাকো আটক কৰিবলৈ সক্ষম হোৱা নাই। ইয়াক লৈ স্থানীয় ৰাইজ আৰু অভিভাৱক সকলৰ মাজতো অসন্তোষ দেখা গৈছে। স্থানীয় ৰাইজে এই ঘটনাৰ সঠিক তদন্ত কৰি দোষীক শাস্তি দিয়াৰ লগতে বিদ্যালয় সমূহত নিৰাপত্তা ব্যৱস্থা অধিক জোৰদাৰ কৰাৰ দাবী জনাইছে। লগতে শীঘ্ৰে চুৰি হোৱা সামগ্ৰী উদ্ধাৰ কৰি টেলি-শিক্ষা পুনৰ আৰম্ভ কৰাৰ বাবেও আহ্বান জনোৱা হৈছে। এই ধৰণৰ ঘটনা পুনৰাবৃত্তি নোহোৱাকৈ প্ৰশাসনে গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নেকি, সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

**■ অভিযুক্ত প্ৰদীপ দাসক কঠোৰ শাস্তি ■**

# মাজুলীত জঘন্য ধৰ্ষণ কাণ্ডত ঐতিহাসিক ৰায়দান

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ এপ্ৰিল ঃ** মাজুলীত ২০২৪ চনৰ ৩ চেপ্তেম্বৰত সংঘটিত এক জঘন্য ধৰ্ষণ কাণ্ডৰ ক্ষেত্ৰত আজি মাজুলী জিলাৰ বিশেষ পকছো (POCSO) আদালতে এক ঐতিহাসিক ৰায়দান প্ৰদান কৰে। যশপাল সিং ন্যায়াধীশে প্ৰদান কৰা এই ৰায়ত ৬ বছৰীয়া নাবালিকাক ধৰ্ষণ কৰা অভিযুক্ত প্ৰদীপ দাসক দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি ঘোষণা কৰা হয়। আদালতৰ তথ্য অনুসৰি, মাজুলীৰ যোগী কৈৱৰ্ত্ত গাঁৱৰ বাসিন্দা প্ৰদীপ দাসে লগৰ ল'ৰা-ছোৱালীৰ সৈতে খেলি থকা অৱস্থাত নাবালিকা গৰাকীক চিপচ কিনি দিয়াৰ প্ৰলোভন দেখুৱাই জংঘলৰ মাজলৈ লৈ যায় আৰু তাতেই এই জঘন্য অপৰাধ সংঘটিত কৰে। নাবালিকা গৰাকীক জংঘলৰ ফালে লৈ যোৱা ঘটনা স্থানীয় এগৰাকী মহিলাই প্ৰত্যক্ষ কৰি তৎক্ষণাৎ নাবালিকা গৰাকীৰ মাতৃক অৱগত কৰে। পাছত মাতৃয়ে জংঘলৰ মাজত গৈ নিজৰ কণ্যাক কান্দি থকা অৱস্থাত উদ্ধাৰ কৰে। নাবালিকাই মাতৃৰ সন্মুখত কান্দি কান্দি অভিযুক্তৰ অসৎ কাৰ্য্যৰ বিষয়ে প্ৰকাশ কৰে। ঘটনাৰ পাছতেই অভিযুক্ত প্ৰদীপ দাসে পলায়ন কৰিছিল যদিও নাবালিকা গৰাকীৰ মাতৃয়ে বনগাঁও আৰক্ষী চকীত এক গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰি ৩২/২০২৪ নম্বৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। পৰৱৰ্তীকালত প্ৰদীপ দাসক মাজুলী আৰক্ষী থানাই আদালতত হাজিৰ কৰায়। দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে অভিযুক্তক ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৮৭ অনুসৰি ৭ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ হাজাৰ টকা জৰিমনা বিহে। জৰিমনা অনাদায়ে অতিৰিক্ত ১ বছৰ কাৰাদণ্ড ভোগ কৰিব লাগিব। ইয়াৰ উপৰিও পকছো আইনৰ ধাৰা ৬ অনুসৰি অভিযুক্তক ৩০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকা জৰিমনা বিহা হৈছে। জৰিমনা অনাদায়ে অতিৰিক্ত ২ বছৰ কাৰাদণ্ডৰ নিৰ্দেশ প্ৰদান কৰা হৈছে। আনহাতে এই ৰায়দানত ভুক্তভোগীয়ে দোষীক প্ৰদান কৰা জৰিমনাৰ ধন লাভ কৰাৰ লগতে ভুক্তভোগী ক্ষতিপূৰণ আঁচনিৰ অধীনত এক যথোচিত ক্ষতিপূৰণ ডি এল এচ এ, মাজুলীয়ে প্ৰদান কৰিব বুলি চৰকাৰী অধিবক্তাই জানিবলৈ দিছে। সেই ক্ষতিপূৰণ পাঁচ লাখৰ পৰা ১৬ লাখৰ ভিতৰত থাকে। চৰকাৰী পক্ষৰ হৈ এই গোচৰ পৰিচালনা কৰিছিল লোক অধিবক্তা উত্তম শইকীয়াই। আজি ন্যায়াধীশ যশপাল সিংৰ বিশেষ আদালতে প্ৰদান কৰা এই ৰায়দানে সমাজত নাবালিকাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব বুলি আশা কৰা হৈছে। আৰক্ষী আৰু ন্যায়ব্যৱস্থাৰ যৌথ প্ৰচেষ্টাত ভুক্তভোগীয়ে ন্যায় লাভ কৰাৰ ক্ষেত্ৰত এই ৰায়দানক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন